ASSAM
LEGISLATIVE ASSEMBLY
DEBATES

सत्यमेव जयते

# OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

# BUDGET SESSION

No.—8

**The 23rd March, 1993**

Price—35·00

CONTENTS

BUDGET SESSION

No.—8

Dated, the 23 rd March 1993


Page

1. Questions and Answers ... ... ... ... ... ...1–61
2. Discussion During Zero Hour .. ... ... ... 62—80
3. Report of the Business Advisory Committee ... 81—82
4. Election of the Deputy Speaker .. ... ... ....83—84
5. Felicitation to the newly Elected Deputy Speaker 85—92
6. Miscelleneous... .... ... ... ... ... .... ... 93—94
7. General Discussion on the Budget ... .... ... 95—157
8. Government Resolution for Ratification of the constitution. ... .... ... .... .... ... ... ... ... 158
9. Adjournment .... ... .... — ... — — ... ... 159
10. Annexure—I—XIII ... ... ... ... ... .... ...160—185

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, the 23rd March, 1993

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur, with Shri Debesh Chakraborty Speaker in the Chair.

## STARRED QUESTION AND ANSWERS

(To which oral Replies were given)

* শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আমি চৰ্ট নোটিচ কইশ্বন বহুত দিছিলো। যোৱা ১৫ তাৰিখৰ পৰা বিধান সভা আৰম্ভ হৈছিল, আজিলৈকে চৰ্ট নোটিচ কইশ্বন অহা নাই। মই আশা ৰাখিছো এইক্ষেত্ৰত আপুনি হস্তক্ষেপ কৰিব।

মাননীয় অধ্যক্ষ : আমি ব্যৱস্থা কৰি আছো, আহিব।

* শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগৰ বিধান সভাত চৰ্ট নোটিচ কইশ্বন আহিছিল, ইমান দিনলৈ নহাকৈ থকা নাছিল। কিন্তু এইবাৰ কিয় এভয়দ কৰিছে ?

মাননীয় অধ্যক্ষ : এই বিষয়ত মই বিবেচনা কৰি আছো, যেতিয়া সুযোগ হব তেতিয়া দিয়া হব।

* শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ১৫ দিন আগতে আমি চৰ্ট নোটিচ কইশ্বন দিছিলো, সময় মতে আহিব লাগে।

মাননীয় অধ্যক্ষ : এইটো চোৱা হব।

The position of oral and Written Questions for 23/3/93 is as follows-

Oral Questions from Serial Nos. 101 to 120 Written Questions from serial Nos. 223 to 272, Replies to Oral Question No. 49 relating to Irrigation Department that has been deferred from 18. 3. 93 to 23. 3 93 has been included in the Oral List for 23, 3. 93,

* শ্ৰীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা অভিযোগ আছে। লিখিত প্ৰশ্ন ২৬২ নম্বৰৰ যি উত্তৰ লিখা হৈছে তাত ৬ টা পইণ্টৰ ৪ টা এভয়দ কৰিছে। প্ৰশ্ন বিলাক কটাৰ অধিকাৰ আছে নেকি ?

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন বিলাক সলনি কৰিব পাৰে নেকি ?

মাননীয় অধ্যক্ষ : এডিট কৰিব পাৰে। এতিয়া এই বিষয়ে আলোচনা কৰি সময় নষ্ট কৰি লাভ নাই, এই ক্ষেত্ৰত মোৰ লগত আলোচনা কৰিব।

Now starred Question No 101 Hon'ble Member is absent so starred Question No 102 Mr. Nazmul Haque'

( Starred Question No 101 was not turnup with Hon'ble Questioner was not present when called for. However the same deemed to have been disposed of )

বিষয় - **২য় শিক্ষক নিয়োগৰ ব্যৱস্থা ঃ**

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

* ১০১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

★ Speech not Corrected

(ক) নতুনকৈ ১৯৯১-৯২ চনত চৰকাৰীকৰণ কৰা প্ৰাথমিক বিদ্যালয়ত কাম কৰি থকা ২য় শিক্ষক সকলক নিয়োগ কৰাৰ ব্যৱস্থা লোৱা হৈছেনে ?

(খ) যদি হোৱা নাই ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(গ) যদি নকৰে তাৰ কাৰণ কি ?

* শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ব্যৱস্থা লোৱা হোৱা নাই ।

(খ) পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব ।

(গ) প্ৰশ্ন নুঠে ।

বিষয় :— চৰকাৰীকৰণ কৰা স্কুলৰ শিক্ষক পদ মঞ্জুৰীৰ ব্যৱস্থা :

শ্ৰীনজমুল হকে সুধিছে :

* ১০২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত কিমানখন মুঠ বে-চৰকাৰী প্ৰাথমিক বিদ্যালয় আছে ?

(খ) বৰ্ত্তমান বিত্তীয় বছৰত মুঠ কিমানখন প্ৰাথমিক বিদ্যালয় চৰকাৰী-কৰণ হব আৰু কি ভিত্তিত কৰা হব ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৮৯৫৯ ( আঠ হাজাৰ নশ উনষাঠি ) খন ।

(খ) ১৯৯২—৯৩ বিত্তিয় বছৰত কোনো প্ৰাথমিক বিদ্যালয় চৰকাৰী-কৰণৰ সিদ্ধান্ত লোৱা হোৱা নাই ।

* শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আগতে কৈছিল যে তিনি হেজাৰ বিদ্যালয় কৰা হৈছে, ডেৰ হেজাৰ হৈছে, বাকী ডেৰ হেজাৰ হোৱা নাই । আজি মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে, এই বিত্তিয় বছৰত কোনো স্কুল চৰকাৰীকৰণ কৰা নহব । অসমৰ বিভিন্ন ঠাইৰ পৰা শিক্ষক সকলে ধৰ্মঘট কৰিছে আৰু হস্পিতেলাইজ হৈছে । এইটো বৰ লাজৰ কথা । লৱাৰ আসামত ব্যাপক পৰিমাণৰ ভেনচাৰ স্কুল আছে, সেই বিলাক স্পেচিয়েল কেচ হিচাবে লোৱাৰ ব্যৱস্থা কৰিব নেকি ?

---

★ Speech not corrected.

★ শ্ৰীগৌতম বৰা ( ৰাজিক মন্ত্ৰী ) : অধ্যক্ষ মহোদয়ঃ আচলতে ১৯৯১-৯২ চনত তিনি হেজাৰ স্কুল প্ৰাদেশীকৰণ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। তাৰ পিচত লোৱা হোৱা নাই। মাননীয় সদস্যগৰাকীয়ে কোৱাৰ দৰে যদি গোৱালপাৰাত আছে, তেতিয়া হলে বিবেচনা কৰা হব।

★ শ্ৰীমুনিন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে ১৯৯১-৯২ চনত যি তিনি হেজাৰ স্কুল লোৱাৰ কথা কৈছিল সেই হিচাবে ভিত্তিত সমষ্টি ১২ খনকৈ স্কুল দিয়া হৈছে। প্ৰত্যেক বিধায়কক দিয়াৰ পিচত কিমান দিয়া হ'ল, সমষ্টি হিচাবে কোনোবা সমষ্টি বঢ়োৱা হৈছে নেকি, প্ৰাদেশীকৰণ বাকী বিলাক কেতিয়া কৰা হব মন্ত্ৰী মহোদয়ে জনাব নেকি ?

★ শ্ৰীগৌতম ৰৰা ( ৰাজ্যিক মন্ত্ৰী ) : অধ্যক্ষ, মহোদয়, মাননীয় সদস্য গৰাকীয়ে সমষ্টি বা জিলা ভিত্তিত তথ্য বিচাৰিছে, সেইটো মোৰ হাতত বৰ্ত্তমান নাই। পিচত দিব পৰা হব। যিখিনি স্কুল লবলৈ বাকী আছে, পৰ্য্যায় ক্ৰমে লোৱা হব।

★ শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয় চৰকাৰে কৈছে যে তিনি হেজাৰ স্কুল প্ৰাদেশীকৰণ কৰা হব। প্ৰাদেশীকৰণ কৰা স্কুলৰ প্ৰথম শিক্ষক জনক দৰমহা দিয়া হৈছে, কিন্তু দ্বিতীয় জনক দৰমহা দিয়া হোৱা নাই। প্ৰাদেশীকৰণ কৰা শিক্ষকৰ নিৰ্দ্দিষ্ট নিয়ম অনুসাৰে দৰমহা পাব লাগে, সেই দৰমহা দিবনে নিদিয়ে ?

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, অমঞ্জুৰীপ্ৰাপ্ত শিক্ষক সন্থাৰ লগত ইতিমধ্যে আমাৰ আলোচনা হৈছে, তেখেত সকলৰ লগত বুজা বুজি হৈ গৈছে। তেখেত সকল বুজা বুজিত আহিছে, এইটো ব্যৱস্থা লোৱা হব।

★ শ্ৰীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১-৯২ চনত চৰকাৰে ৩ হেজাৰ স্কুল চৰকাৰীকৰণ কৰাৰ কথা আছিল। তাৰ ভিতৰত যিখিনি স্কুল কৰা হল, কিমানখিনি কৰা হল আৰু কিমান স্কুল বাকী

---

★ Speech not corrected.

আছে, ইয়াৰ সংখ্যাটো স্পষ্টকৈ জনাব লাগে আৰু কিমান দিনৰ ভিতৰত কি ভিত্তিত প্ৰাদেশীকৰণ কৰিব জনাব লাগে। দ্বিতীয় কথাটো হল অমঞ্জুৰী প্ৰাপ্ত বিদ্যালয়ৰ শিক্ষক সকলৰ লগত বুজা বুজি হৈছে, এই বুজা বুজি কি ভিত্তিত হৈছে। এইটো সদনক জনাব লাগে।

মাননীয় অধ্যক্ষ : প্ৰশ্নৰ লগত এইটোৰ সম্বন্ধ নাই। এইটো বেলেগকৈ কব লাগে।

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১-৯২ চনত ৩ হেজাৰ প্ৰাথমিক বিদ্যালয় লোৱাৰ সিদ্ধান্ত হৈছিল। তাৰ ভিতৰত ১৬০০ প্ৰাদেশীকৰণ কৰা হৈছে বাকী খিনিৰ কাম হৈ আছে। ইট ইজ আণ্ডাৰ প্ৰচেছ। তাৰ পিচত প্ৰাদেশীকৰণ কৰা হব।

* শ্ৰীমিহুন ৰঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয়, বাকী যিখিনি লোৱা হব সেইখিনি সমানে ভগাই দিব নেকি ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় জেষ্ঠতাৰ ভিত্তিত আৰু আৱশ্যক অনুযায়ী দিয়া হব।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, অসম-অৰুণাচল, অসম মেঘালয় অসম নাগালেণ্ড আদি যি সীমান্ত অঞ্চলৰ স্কুল আছে সেই বিলাক প্ৰাদেশীকৰণ কৰা হোৱা নাই। সেই বিলাকক অগ্ৰাধিকাৰ ভিত্তিত প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰিব নেকি ? এই ক্ষেত্ৰত অৰুণাচল, নাগালেণ্ড আদিৰ চৰকাৰে ডেভেলপ কৰিছে আৰু তেওঁলোকৰ প্ৰতি তাৰ মানুহ বিলাকৰ সেই চৰকাৰৰ প্ৰতি মৰম ভাব সোমাইছে। তাত বিশেষ ভাবে ব্যৱস্থা লব নেকি ? এল পি স্কুলৰ শিক্ষক সকলে কিমান দৰমহা পাইছে তেওঁলোকৰ স্কেল কিমান ? ১৬ শ স্কুলৰ শিক্ষকৰ কিমানক দৰমহা দিয়া হৈছে ? ৩১ মাৰ্চৰ ভিতৰত প্ৰাদেশীকৰণৰ ব্যৱস্থা কৰিব নেকি ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শইকীয়ে সীমান্ত অঞ্চলৰ যিটো কথা কৈছে, সেইটোৰ নিশ্চয় আমি ব্যৱস্থা কৰিম। প্ৰাদেশীকৰণ কৰা স্কুলৰ শিক্ষকক মাহে ৯০০ টকা

ষ্টাইফেন দিয়া হৈছে। বাকীখিনিৰ বিবেচনা কৰি থকা হৈছে তাৰ ব্যৱস্থা লোৱা হব।

Mr. Speaker : Now starred question No 103 Hon'ble Member Shri Alauddin Sarkar.

Re : Capital Investment Subsidy.

Shri Alauddin Sarkar asked :

* 103. will the Minister of Industries be pleased to state :

a) How many applications for Capital Investment subsidy pending in the District Industries Centre at Gauripur for the last ten years ?

b) How long Government will take to make payment of Capital Investment Subsidy on disposal of the long pending applications ?

c) Whether Govt is aware of the fact that unesual delay in payment of Subsidies has made and adverse impact on the growth of small Industries ?

Shri Bijit Saikia ( Minister )

Repiled :

a) There are 33 nos of applications pending in the District Industries Centre, at Gauripur.

b) The disbursement of Subsidy amounts depend on availibility of required fund.

c) The growth of the small Industries does not depend entirely on payment of Capital Investment Subsidy. It is a fact that the payment of Subsidy is delayed due to shortage of fund.

---

★ Speech not corrected.

* শ্ৰীআলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, সকলো আছে, কামান আছে বাৰুদ নাই। কথাটো হল ৰাজ্যখনৰ উদ্যোগৰ ক্ষেত্ৰত 'এনকাৰেজ' দিয়াৰ ক্ষেত্ৰত ঘোষণা কৰা হৈছে। তেখেতে কোৱা মতে ১০ বছৰৰ ভিতৰত ৩০ খন — — ইংৰাজী — ইয়াৰ ওপৰত নিৰ্ভৰ কৰিছে। এই উদ্যোগ বিলাক বঢ়োৱাৰ বিবেচনা কৰিবনে নকৰে ?

* শ্ৰীবিজিত শইকীয়া (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে নিশ্চয় বিবেচনা কৰে। 'কেপিটেল ইনভেষ্টমেন্ট চাবচিডি' ৩০/৯/৮৮ তাৰিখে কেন্দ্ৰীয় চৰকাৰে দিছিল তাৰ পিচত ৰাজ্য চৰকাৰে ১/১০/৮৮ তাৰিখে — ইংৰাজী —। সেই ধনৰ সুবিধা থাকে, তেতিয়া লোৱা হৈছে। চৰকাৰে উদ্যোগৰ উদ্যোগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিছে।

* শ্ৰীগিয়াছুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, কথাটো হল ধুবুৰীৰ ডি আই চি ত কিমান দৰ্খাস্ত পৰি আছে সেইটো কব লাগে। কেতিয়াবা এই দৰ্খাস্ত বিলাক বহু দিন ধৰি, বহু বছৰ ধৰি বহু শতাব্দি ধৰি দৰ্খাস্তবোৰ পৰি থাকিব সেইটো মন্ত্ৰী মহোদয়ে কব লাগে ?

* শ্ৰীবিজিত শইকীয়া (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত শতাব্দিৰ কথা নাহে, যিহেতু ১/৯/৮৮ ১/১০/৮৮ তাৰিখে স্কিমটো লোৱা হৈছে। কাৰণ ৩৩ টা উদ্যোগৰ দৰ্খাস্ত পোৱা হৈছিল তাৰ ২৮ খনক জিলা ভিত্তি অনুমোদন জনোৱা হৈছে। বাকী ৫ খন ৰাজ্য পৰ্য্যায়ত আছে।

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয় মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি, কিমান চাব ডিভিজন হিচাবে দিব তাৰ কাৰণে স্কিম থাকে নে নেথাকে ?

★ শ্ৰীবিজিত শইকীয়া (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় এই বিষয়ত বেলেগ প্ৰশ্ন হলে ভাল হয়। জিলা ভিত্তিত অনুমোদন হৈ থাকে।

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয় সংশ্লিষ্ট জিলাত কিমান টকা নিৰ্দ্ধাৰিত কৰা হৈছিল। সেই টকা দিয়া হলনে নাই ? যোৱা বছৰ 'চৰপ্লাচ' দেখুৱাইছে। এই গোটেইখিনি কথা আলোচনা হলনে নাই ?

★ শ্ৰীবিজিত শইকীয়া (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে উদ্যোগৰ ক্ষেত্ৰত নেশ্যনেল ক্ৰথ মিলক দিয়া হৈছে।

Mr. Speaker Now Starred Question No 104.

---

★ Speech not corrected.

## ৰিষয় : বস্ত্ৰ উদ্যোগ

পানীৰাম ৰাভাই সুধিছে :

১০৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ বস্ত্ৰ উদ্যোগ সমূহ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ বাবে যাতৰি কাকত যোগে নিবিদা আহ্বান কৰাতো সচাঁ নেকি ?

খ) যদি সচাঁ, অসম চিনটেক্স লিমিটেড (২ নং নাথকুছি) উদ্যোগটো ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিব বিচাৰিছে নেকি ?

শ্ৰীবিজিত শইকীয়া (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, সচাঁ।

খ) হয়, ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিব বিচৰা হৈছে।

শ্ৰীপানীৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, মই চাপ্লিমেণ্টৰী কুৱেচন কৰাৰ আগতে মাননীয় সদস্য জয়নাথ শৰ্মাই কৈছে হয়, কিন্তু মোৰ কথা হৈছে— অসমৰ গোটেই উদ্যোগ সমূহ অসম চৰকাৰে ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিব বিচাৰিছে। তাৰোপৰি অসমৰ বস্ত্ৰ উদ্যোগ সমূহ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ, কাৰণ কি মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব লাগে। লগতে নাথকুছি চিনটেক্স লিমিটেডকো হস্তান্তৰ কৰিব বিচাৰিছে নেকি ? অসমখনকে ব্যক্তিগত খণ্ডত দিব নেকি ?

শ্ৰীবিজিত শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে বঙাইগাওঁ ৰিফাইনেৰী আৰু পেট্ৰ'কেমিকেলৰ উৎপাদিত পলিয়েষ্টাৰ ষ্টেপল ফাইবাৰ নামৰ কেচাঁ সামগ্ৰীৰ ব্যৱহাৰ উপযোগী হোৱাকৈ বিভিন্ন সময়ত তিনিটা স্পিনিং মিলচ্ স্থাপন কৰাৰ আচনি কৰে। সৰ্বপ্ৰথমে ১৯৮০ চনত অসম ষ্টেট টেক্সটাইল কৰপোৰেচন নামৰ কোম্পানীটোৰ জন্ম হয়। তেওঁলোকৰ স্পিনিং মিলচ্‌টোৰ উত্‌পাদন ১৯৮৬ চনত নোৱাপাৰাত আৰম্ভ হয়। দ্বিতীয় মিলটো অসম পলিটেক্স নামৰ কোম্পানীৰ তলত ১৯৮২ চনত জাগীৰোডত স্থাপিত হয় আৰু ১৯৮৭ চনত তাৰ উত্‌পাদন আৰম্ভ হয়। তৃতীয় কোম্পানীটো অসম চিনটেক্স নামে ১৯৮১ চনতে স্থাপিত হয় আৰু ইয়াৰ নাথকুছিত থকা স্পিনিং মিলচ্‌টো উত্‌পাদন ১৯৮৬ চনৰ পৰাই আৰম্ভ হয়। স্পিনিং মিলচ্-কেইটাৰ উত্‌পাদিত পলিয়েস্টাৰ সূতাৰ ৰাজ্যখনৰ ভিতৰতে ব্যৱহাৰ উপযোগী হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে ২ টাকৈ উইভিং কমপ্লেক্স আৰু প্ৰচেচ হাউচ স্থাপন কৰাৰ আচনি কৰে। ইয়াৰ ফলস্বৰূপে ১৯৯০ চনত অসম ষ্টেট টেক্সটাইল কৰপোৰেচনৰ অধীনত নোৱাপাৰাত এটা উইভিং কমপ্লেক্স আৰু ১৯৯১ চনত এটা প্ৰচেচ হাউচ স্থাপন কৰা হয়। ইয়াৰ ওপৰি অসম ষ্টেট উইভিং এণ্ড মেনোফেক্‌চাৰিং কোম্পানী নামৰ এটা নতুন কোম্পানী গঠন কৰি তাৰ অধীনত বাটিমাৰীত ১৯৯১ চনত এটা উইভিং কমপ্লেক্স

স্থাপন কৰা হয়। ইয়াৰোপৰি এই কোম্পানীটোৰ অধীনত এটা প্ৰ
হাউচ নলবাৰী জিলাৰ জবকুচিত স্থাপন কৰিবলৈ লোৱা হৈছে অ
এই মাহতে ( মাৰ্চ '৯৩) ইয়াৰ উৎপাদন কাম আৰম্ভ কৰাৰ আশা ক
হৈছে। কিন্তু নানা আসোৱাহৰ কাৰণে ওপৰত উল্লেখ কৰা স্পিনিং
কেইটা'ই আশা কৰা লাভ কৰিব নোৱাৰিলে বৰঞ্চ কোটি কোটি
লোকচানহে ভৰিব লগীয়া হয়। পোন প্ৰথমে ৰাজ্য চৰকাৰে এই
কেইটাৰ লোকচানৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ পৰিস্থিতি উন্নত কৰা কা
নানাধৰণৰ বিত্তীয় সাহাৰ্য্য আগবঢ়ায়। কিন্তু পৰিস্থিতি একো সাল স
নোহোৱাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ উপায় উলিয়াবলৈ নানা কমিটি অ
গঠন কৰি দিয়ে আৰু নিট্ৰা নামৰ অনুস্থানটোৰ দ্বাৰাও পৰীক্ষা কৰোৱা
তেওঁলোকে অনুসন্ধান কৰি সকলো দিশ বিবেচনা কৰি ৰাজ্য চৰকাৰক
বিলাক ব্যক্তিগত হাতলৈ নিবলৈ উপদেশ আগবঢ়ায়।

★ শ্ৰীজয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, তিনিওটা মিলতেই লোক
হয় নে ?

★ শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহো
কৈছে যে ৩টা মিলত বহুত লোকচান হৈছে। ইয়াত এটা কথা ও
পৰিছে যে কোনো অনুসন্ধান বা পৰীক্ষা নিৰীক্ষা নকৰাকৈ এটা ভুল
লৈ ইণ্ডাষ্ট্ৰি খোলা হৈছে। দ্বিতীয়তে আমাৰ অসমত পাব্লিক চে
আছে। কিছুমান উদ্যোগত কম দৰমহা দি সেই মানুহৰ হতুৱাই উদে
পৰিচালনা কৰিবলৈ দিয়াৰ কাৰণে গোটেই মিল বিলাকৰ এনে অৱস্থা হৈ
কেন্দ্ৰীয় চৰকাৰৰ প্লেন এচটমেট বিলাক পুঙ্খানুপুঙ্খকৈ পৰীক্ষা নিৰী
কৰাৰ পিচত অসম চৰকাৰে নিজৰ উদ্যোগ বিলাক চলোৱাৰ ব্যৱস্থা ক
নে নকৰে। অসম চৰকাৰে পুনৰবাৰ বিবেচনা কৰি এই শিল্প উদ্যো
বিলাক চৰকাৰৰ হাতত ৰাখিব নে ?

★ শ্ৰীবিজিত শইকীয়া ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স
গৰাকীয়ে আগবঢ়োৱা পৰামৰ্শমতে আমি নিশ্চয় চাম।

---

★ Speech not Corrected.

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, স্পিনিং মিলত যিখিনি প্ৰডাক্সন হয় সেই উৎপাদিত সামগ্ৰীৰে গোটেই ভাৰততে আমি বিক্ৰি কৰিব পাৰো । আনকি ৰপ্তানিও কৰিব পাৰি । বি, আৰ, পি, এলত থকা কেচা সামগ্ৰী সমুহ অসমৰ বাহিৰত বেছি দামত পঠিয়াইছে । যাৰ কাৰণে লোকচান ভৰিব লগীয়া হৈছে । উদ্যোগ কেইটা ব্যক্তিগত খণ্ডলৈ নিদি পাৰস্পিক চেষ্টৰতে চলোৱাৰ ব্যৱস্থা কৰিব লাগে ।

★ বিজিত শইকীয়া ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে কেইটামান আসোঁৱাহৰ কাৰণে লোকচান ভৰিব-লগীয়া হৈছে — সেইকেইটা হৈছে কেঁচা সামগ্ৰীৰ অভাৱ । লাগতিয়াল বিজুলি শক্তিৰ অভাৱ । উচ্চ মানৰ বাণিজ্যিক পৰিচালনাৰ জ্ঞানৰ অভাৱ ও নিষ্ঠাৰ অভাৱ । কৰ্ম্মী সকলৰ উচ্চ হাৰত চাকৰিৰ পৰা অনুপস্থিত থকা, কৰ্মী আন্দোলন । সঠিক বজাৰ মুলৰ প্ৰতি থকা লক্ষ্যৰ অভাৱ ।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, বি আৰ পি এলৰ আৰু চিনটেক্সৰ বিষয়াবৰ্গৰ বুজাবুজিৰ ফলত কেচা সামগ্ৰী সমূহ অসমৰ বাহিৰলৈ বেছি দামত বিক্ৰি কৰাৰ অভিযোগ মোৰ হাতত আছে । সেই কথা মন্ত্ৰী মহোদয়ে জানে নে নাই ? যদি জানে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে ?

শ্ৰীবিজিত শইকীয়া ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বিআৰপিএলৰ পৰা যিবোৰ কেচা সামগ্ৰী দিচপোজ কৰা হয় সেইবোৰ সামগ্ৰী সময়মতে উদ্যোগবোৰে নোপোৱাৰ কাৰণেও লোকচান হয়

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰয়োজনীয় কেচা সামগ্ৰী সমূহ স্পিনিং মিলে নোপোৱাৰ বাবেই মিলটোৰ আজি এই দুৰৱস্থা ।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, ভিচকোচ আছে । আপোনালোকে পইচা দিব পৰা নাই কাৰণে কোম্পানী বিলাক যোগান বন্ধ কৰিছে, ফলত মিল চলা নাই । এইটো আপোনালোকে স্বীকাৰ কৰিব লাগিব । আপোনালোকে ব্যক্তিগত খণ্ডলৈ দিয়াৰ আগতে কৰ্মচাৰী সকলক সোধক, তেওঁলোকে চলাব পাৰিব নে নোৱাৰে । তেওঁলোকৰ সমবায় ভিত্তিত প্ৰথমতে চলাবলৈ দিয়ক । যদি নোৱাৰে তেতিয়াহে ব্যক্তিগত খণ্ডক দিয়াৰ চিন্তা কৰিব পাৰে ।

---

★ Speech not Corrected.

★ শ্ৰীবিজিত শইকীয়া ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে অনুসন্ধান কৰি জনোৱা হব।

* শ্ৰীজয়নাথ শৰ্মা : যি কেইটা কাৰণত ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিব খুজিছে সেই কাৰণ কেইটা দৃষ্টি গোচৰ হোৱাৰ পিচত এই কাৰণ সমূহ আতৰাবৰ কাৰণে মন্ত্ৰী মহোদয়ে কি কি ব্যৱস্থা লৈছে ?

* শ্ৰীবিজিত শইকীয়া ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে পিচত জনাম।

শ্ৰীপানীৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই বিষয়ে সদনত এটা বিবৃতি দিব লাগে।

মাননীয় অধ্যক্ষ : পিচত দিব। এতিয়া প্ৰশ্ন নং ১০৫।

বিষয় : বৈজ্ঞানিক ভিত্তিত বান নিয়ন্ত্ৰন।

শ্ৰীহিতেন্দ্ৰনাথ গোস্বামীয়ে সুধিছে :

* ১০৫। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বান নিয়ন্ত্ৰন বিভাগে এই বছৰত বানপানীৰ সম্ভাৱনীয়তা সম্পৰ্কে বৈজ্ঞানিক ভিত্তিত বিশ্লেষণ কৰিছে নেকি ? আৰু যদি কৰিছে এই সম্পৰ্কে চমু ব্যাখ্যা সদনৰ মেজত ৰাখিব নে ?

খ) যোৰহাটৰ নিমাতীঘাট অঞ্চলত ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰন কৰাৰ বাবে তৈয়াৰ কৰা আঁচনি খনৰ 'মডেল টেষ্ট' ৰ কাম কেতিয়া আৰম্ভ কৰিছে আৰু এই কাম শেষ হলনে ?

গ) যদি হল উক্ত টেষ্টৰ ৰিপৰ্ট কেন্দ্ৰীয় জল আয়োগলৈ পঠালেনে আৰু এই সম্পৰ্কে আয়োগে কি সিদ্ধান্ত গ্ৰহণ কৰিছে ?

ঘ) আগন্তুক বাৰিষাৰ আগেয়ে নিমাতী অঞ্চলত বৰ্ত্তমানে থকা মথাউৰী সমূহ মেৰামতী কৰাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে আৰু ইয়াৰ বাবে কিমান পৰিমানৰ পুঁজি আবণ্টন দিয়া হৈছে ?

---

★ Speech not crre ted

শ্ৰীহৰেন ভুমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) বান নিয়ন্ত্ৰন বিভাগৰ দ্বাৰা বান পানীৰ এই বছৰত সম্ভাৱনীয়তা সম্পৰ্কে বৈজ্ঞানিক ভিত্তিত বিশ্লেষণ কৰা হোৱা নাই।

খ) 'মডেলটেষ্ট'ৰ প্ৰাথমিক পৰ্য্যায়ৰ কাম যোৱা বছৰ নবেম্বৰ মাহৰ পৰা আৰম্ভ কৰা হৈছে আৰু এই কাম চলি আছে।

গ) খ' প্ৰশ্নোত্তৰৰ সাপেক্ষে এই প্ৰশ্ন নুঠে।

ঘ) নিমাতী অঞ্চলত অৱস্থিত ব্ৰহ্মপুত্ৰ নদীৰ মথাউৰী সমূহ যেনে কমিচনাৰ ৰোড মথাউৰী, বৰ আলি মথাউৰী জাজীমুখ নিমাতী ব্ৰহ্মপুত্ৰ মথাউৰী মেলেং মথাউৰী আদিত ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনৰ বান বিধস্ত মেৰামতি শিতানত চিগা অংশ বোৰৰ লগতে সাধাৰণ মেৰামতিৰ কাম সম্পূৰ্ণ হৈছে আৰু বৰ্ত্তমান মথাউৰী সমূহ কাৰ্য্যক্ষম অৱস্থাত আছে। গতিকে বৰ্ত্তমান বিত্তীয় সংকটৰ পৰিপ্ৰেক্ষিতত উক্ত মথাউৰী সমূহ মেৰামতি কৰিবৰ কাৰনে কোনো নতুন আচনি হাতত লোৱা হোৱা নাই। উক্ত মথাউৰী সমূহত প্ৰায় ৬১.২৪ লাখ টকাৰ মেৰামতিৰ কাম কৰা হয়। তাৰে বৰ্ত্তমানলৈ ঠিকাদাৰ সকলৰ ২১.৫০ লাখ আদায় দিয়া হৈছে।

• শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই চাপলিমেনটেৰী একেলগে কৰিম আটাইকেইটাৰ উত্তৰ একেলগে দিব। আমাৰ এটা প্ৰবাদ আছে 'আমে বান কঠালে ধান'। এই বছৰ ইমান আম হৈছে যে বানপানী হোৱাটো অনিবাৰ্য্য। এই বানপানী ৰোধ কৰাৰ কাৰণে বৈজ্ঞানিক ভাবে নিয়ন্ত্ৰণ কৰিবৰ কাৰণে কিয়া ব্যৱস্থা কৰিছে নেকি? আমি জনাত এইটো কৰা হোৱা নাই। অথচ আগিবলগীয়া বানপানীৰ কাৰণে আপোনালোকে কিয় আগতীয়াকৈ 'ফৰকাষ্ট' কৰিব পৰা নাই। প্ৰশ্নোত্তৰৰ ২ নম্বৰ 'খ'ত সেই একেই উত্তৰ যোৱাবাৰ বিধান সভাত দিছিল ১৯৯২ চনৰ ২৪ মাৰ্চত। ১৯৯১ চনৰ ৩১ আগষ্ট আঁচনি খন অনুমোদনৰ কাৰণে পঠিওৱা হল। দিল্লীয়ে ১৯৯১ চনৰ নৱেম্বৰ মাহত 'মডেল টেষ্ট' কৰিবৰ কাৰণে অনুমোদন দিছে। অৰ্থাৎ এই আঁচনিখন এবছৰ পেলাই থৈছে। এই এবছৰ দিন পেলাই থোৱাৰ কাৰণে এতিয়া দেখা গৈছে নদীয়ে গতি সলনি কৰিব। আঁচনিখনৰ কাম কিয় কৰা নাই সেইটো জনাব লাগে। আপুনি ডিচেম্বৰ মাহত যোৰহাটৰ এখন মিটিংত ৩০ কোটি টকা ইয়াৰ কাৰণে আবন্টন দিয়া হৈছিল বুলি কৈছিল। এই মডেল টেষ্ট নকৰাকৈ কেনেকৈ এই বিভাগে কাম আৰম্ভ কৰিছে এই তিনিওটা কথা মোক একেলগে জনাব লাগে।

Shri Haren Bhumij ( Minister ) : Sir, ocurrence of floods in Assam is not at all a news but recurrence of flood is measurable. ( then in Assamese ). I would like to apprise the House that Central Water Commission has established a Circle ( a field unit ) at Guwahati whose function is to issue of flood forecasts during monsoon period ( 15th May to 15th October ) as per the rend of rivers whether it is rising or falling ) upstream of forecasting station. The forecast is generally made after observing the water levels in the rivers at 2 or 3 places upstream of forecasting station.

The method adopted is "short range forecast" which is 12-40 hours advance warning.

Along range ( Noise ) forcast is done ( interruption )

শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, সময় আমাৰ লিমিটেড। তেথেতে বহুত সময় লৈছে। কোনখন আঁচনি 'মডেল টেষ্ট'ৰ কাৰণে পঠিয়াইছে এই মডেল টেষ্টৰ কাম খিনি ৰাজ্যিক চৰকাৰে কিমান দিন ধৰি পেলাই থৈ দিছে তাৰ উত্তৰ দিয়ক।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলে এটা এটাকৈ প্ৰশ্ন কৰিলে ভাল হয়। একেলগে ৩/৪ টা কৰিলে উত্তৰ দিয়াটো অলপ অসুবিধা হয়। চাপলিমেনটেৰী এটাকৈ কৰ লাগে।

Shri Hitendra Nath Goswami : Even if presently there is no scientific examination steps should be taken for a general forecast The Central Water commission asked for 'model test' in November 1991 but nothing was done by the Government till November 1992. to conduct 'model test' for the Neemati embankment, why ?

শ্ৰীহৰেন ভূমিজ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে তিনিটা প্ৰশ্ন কৰিছে প্ৰথমটো মই পঢ়ি দিছো। ১৯৯১ চনৰ বাৰিষাৰ আগে আগে যোৰহাট মথাউৰি আৰু নলা প্ৰথা সংমণ্ডলৰ দ্বাৰা সম্পন্ন কৰা হয়। কিন্তু ১৯৯১ চনৰ বাৰিষাৰ পাছত নদীৰ পৰা, চৰ আৰু আকাৰৰ বহু পৰিবৰ্তন পৰিলক্ষিত হয়। গতিকে ১৯৯১ চনৰ বাৰিষাৰ পাছত পুনৰ জৰীপৰ তথ্যপাতিৰ আৱশ্যক হয়। এই তথ্য সমূহ সংশ্লিষ্ট সংমণ্ডলৰ পৰা যোৱা বছৰ আগষ্ট মাহত পোৱা হয়। তাৰ পাছতেই উক্ত জৰীপৰ

★ Speech not Corrected

তথ্য সমূহ মডেল'ৰ জোখলৈ যাৱতীয় ৰূপান্তৰৰ কাম হাতত লোৱা হয় আৰু বৰ্ত্তমানলৈ এই কাম পূৰ্ণোদ্যমে চলি আছে।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : এই কাম কেতিয়া সম্পূৰ্ণ হব ? নহলে নদীয়ে গতি সলনি কৰিব ?

শ্ৰীহৰেন ভূমিজ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয় আপোনালোকে জানে যে এই বিত্তীয় বছৰটোত ১৯৯২-৯৩ চনত কেন্দ্ৰীয় ঋণৰ সাহাৰ্য্য এক পইচাও দিয়া নাই।

Shri Hitendra Nath Goswami : Sir, I am not interested in all these details, but I am very much concerned on what concrete steps Govt. has taken so far. to conduct the model test.

শ্ৰীহৰেন ভূমিজ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বিত্তীয় পৰিস্থিতিতো ইয়াৰ প্ৰগ্ৰেছ আৰু এই মডেল টেষ্টৰ প্ৰগ্ৰেছ হৈছে। বিত্তীয় পৰিস্থিতিৰ স্বচ্ছলতাৰ ওপৰতে নিৰ্ভৰ কৰে। মই আশা ৰাখিছো দুই মাহৰ ভিতৰত মডেল টেষ্ট সম্পূৰ্ণ কৰা হব।

Shri Hitendra Nath Goswami : Thank you sir, but I want an assurance from the Hon'ble Flood control Minister to the effect within the stipulated time 'Model test' would be completed.

মাননীয় অধ্যক্ষ মহোদয়, যোৰহাট বান বিধ্বস্ত হোৱাৰ সম্ভাৱনাই দেখা দিছে। যিহেতু যোৰহাট মোৰ সমষ্টিত গতিকে তাত মোৰ স্বাৰ্থ জৰিত আছে। ৰাইজে আমাক সেই বিলাক কাৰণতে ইয়ালৈ পঠিয়াইছে। মোৰ নিজৰ সমষ্টিৰ চহৰ খন যাতে ব্ৰহ্মপুত্ৰই উটাই নিব নোৱাৰে তাৰ পৰিপ্ৰেক্ষিতত মাননীয় মন্ত্ৰী মহোদয়ে কিবা এটা কৰিব লাগে। যাতে দুই মাহৰ ভিতৰত কাম কৰে তাৰ বাবে অনুৰোধ কৰিলো।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই ইয়াত মডেল টেষ্টৰ কথা কৈছে। যোৱা বান পানীত কিমানটা মঠাউৰি চিগিল, কিমানটা বন্ধা হ'ল ? আৰু যোৱা বছৰত বিভাগে কিমানখিনি কাম কৰিলে ? আমাৰ তাত দুজন মন্ত্ৰী আছে। যোৱা কালিৰ বৰষুণত এতিয়া বানপানী হোৱাৰ উপক্ৰম হৈছে। ইয়াত চুমনি মঠাউৰিৰ কথা কৈছে। মাননীয় মন্ত্ৰী মহোদয়, আমাৰ বিৰোধী পক্ষৰ সমষ্টিত থকা ঠাইৰ মঠাউৰি বিলাক নাবান্ধে নেকি ? আজি লিখিত প্ৰশ্নৰ উত্তৰত কোৱা হৈছে বান নিয়ন্ত্ৰণৰ কাৰণে ৩৯'৪৯ টকাৰ আচনি লোৱা হৈছে। এই আচনিত কিমান

---

★ Speech not Corrected

ভাগ চেনেল বেলেগে লোৱা হৈছে ? বছৰি এই আচনিত কিমান চেনেল লোৱা হব জনাবনে ? যোৱাবাৰ সদনত কৈছিল আৰু এতিয়াও ইয়াত কৈছে আৱণ্টন দিয়া হোৱা নাই। ধেমাজী মহকুমাত ৭২ খন গাওঁ জিয়া ভবলু নদীয়ে দুই এজাক বৰষুণতে বুৰাই পেলাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে এই বিষয়ে কি ব্যৱস্থা লব ?

Shri Haren Bhumij ( *M*inister ) : Sir, so far as I remember as many as 190 Nos of breaches and cuts occurred during the last floods and most of these breaches and cuts have been repaired, the rest would be taken up in a phased maanner. Regarding the third part of the Question ( interruption )

শ্ৰীবুবুল দাস : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২ চনত সদন কমিটিৰ জৰিয়তে মৰিগাওঁ জিলাৰ লাহৰি আদি ঠাইলৈ সদন কমিটি গৈছিল আৰু যেতিয়া সেই কমিটিৰ ৰিপোৰ্ট দিছিল তেতিয়া তাৰ পিছত ৬ কিলোমিটাৰ মঠাউৰি আৰম্ভ কৰিছিল। এক কিলো মিটাৰ তেতিয়া স্থগীত ৰখা হৈছিল আৰু এতিয়াও সেইখিনি সম্পূৰ্ণ কৰিবলৈ বাকী আছে। মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই যিটো কৈছে যে এইবাৰ আম লগাৰ সংখ্যা বাঢ়িছে গতিকে নিশ্চয় বানপানী হবই। এই ক্ষেত্ৰত মৰিগাওঁত কি ব্যৱস্থা লৈছে। সদন কমিটি যি ৰিপোৰ্ট দাখিল কৰিছে সদনত সেই ৰিপোৰ্ট উত্থাপন কৰিবনে ?

Mr. Speaker : Now Starred Question No 106 Hon'ble member Shri Gahin Ch. Das

## বিষয় . কলং নদীৰ মঠাউৰী

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে : মাননীয় বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) নগাওঁ জিলাৰ অন্তৰ্গত কলং নদীৰ উত্তৰ পাৰে অৱস্থিত মথাউৰিটো বিগত ৫ বছৰৰ ভিতৰত কিমানবাৰ মেৰামতি কৰিছে ?

খ) প্ৰত্যেক বাৰৰ মেৰামতিৰ খৰছৰ পৰিমাণ কিমান ?
( ফুলগুৰিৰ পৰা মোলান কাটালৈ )

গ) যদি কৰা নাই, কিয় কৰা নাই ?

★ Speech not corrected.

শ্ৰীহৰেন ভূমিজ মন্ত্ৰীয়ে উত্তৰ দিছে ।

ক) উক্ত বান্ধটো বিগত ৫ বছৰত অংশ বিশেষে প্ৰতি বছৰে মেৰামতি কৰা হৈছে ।

খ) উক্ত বান্ধটোৰ মেৰামতি খৰছৰ পৰিমাণ এনে ধৰণৰ ।

| | |
|---|---|
| ১৯৮৮-৮৯ চনত | ১৭, ১৬, ২৮১'০০ টকা |
| ১৯৮৯-৯০ চনত | ১৯, ৩০, ৩৯৫'০০ টকা |
| ১৯৯০-৯১ চনত | ৪, ৪৯, ৮৪৮'০০ টকা |
| ১৯৯১-৯২ চনত | ১, ১৮, ২০, ১'০০ টকা |
| ১৯৯২-৯৩ চনত | বৰ্ত্তমানলৈকে খৰছ হোৱা নাই । |

গ) ~~খ~~ প্ৰশ্নৰ উত্তৰ সাপেক্ষে প্ৰশ্ন নুঠে ।

* শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো ৰাস্তা মেৰামতি কৰা মানে কি ? ৰাস্তা মেৰামতি মানে বাৰিষাৰ দিনত মঠাউৰিটোত অলপ মাটি দিয়া নে চাপৰ হলে সেই বিলাক ওখ কৰা ? মেৰামতি মানে কি মন্ত্ৰী মহোদয়ে উত্তৰ দিবনে ?

* শ্ৰীহৰেন ভূমিজ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয় মেৰামতি মানে মঠাউৰিত গাত হলে সেইবিলাক বন্ধ কৰি দিয়া হয় । অৱশ্যে পিছত মঠা-উৰিত পৃষ্ঠভাগ ওখ কৰা হয় । এনেকুৱা হিচাবে কাম কৰা হয় ।

* শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে ১৯৮৮ চনৰ পৰা ১৯৯২ চনলৈ ইয়াত যিখিনি টকা আৱণ্টন দেখুৱাইছে বা খৰচ কৰা দেখুৱাইছে সেইবিলাক ঠিকমতে কামত আহিছে নে নাই সেইটো পৰীক্ষা কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে এখন কমিটি গঠন কৰি বা নিজে গৈ চাই আহিবনে ? এই পাচ বছৰত খৰছ কৰা টকাৰ কি ব্যৱস্থা হৈছে ? মন্ত্ৰী মহোদয়ে আজি সদনত কবনে মন্ত্ৰী মহোদয়ে নিজে গৈ বা সদন কমিটি পঠাই এই টকাখিনিৰ সৎ ব্যৱহাৰ হৈছে নে নাই সেইটো পৰীক্ষা কৰিব ।

* শ্ৰীহৰেন ভূমিজ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বিচৰা মতে মই নিজে গৈ সেই মঠাউৰিটো পৰিদৰ্শন কৰিম ।

★ Speech not Corrected.

* শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো মন্ত্ৰী মহোদয়ে কবনে এই মঠাউৰি নিৰ্ম্মাণ কৰোতে কিমান ব্যয় কৰা হৈছিল ? মেৰামতিৰ বাবদ কিমান ব্যয় কৰা হৈছিল ? আৰু এতিয়া মেৰামতিৰ বাবে কিমান টকা ব্যয় কৰা হব ? মন্ত্ৰী মহোদয়ে ইয়াৰ এটা হিচাপ দিবনে ?

* শ্ৰীহৰেন ভূমিজ ( মন্ত্ৰী ) আচনিটোৰ এষ্টিমেট বৰ্ত্তমান মোৰ হাতত নাই। মেৰামতিৰ হিচাব এটা দি দিছো।

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ লিখিত প্ৰশ্নৰ উত্তৰৰ তালিকাখন যোগ কৰি পালো যে ৪৩ লাখ টকা লাগে। অৰ্থাৎ মেৰামতিৰ বাবদ লাগে ৪৩ লাখ টকা। কিন্তু মঠাউৰি নিৰ্মাণ কৰাত ইমান টকা লগা নাই। গতিকে এই বিষয়ে তদন্ত কৰি এই সদনত ৰিপোৰ্ট দাখিল কৰিব নে ? ইয়াত দেখিছো এ-জি-পিৰ আচনিৰ কথাও দেখুৱাইছে। আমাৰ দিনত যদি বেয়া কাম হৈছে তেতিয়া হলে ইয়াৰো তদন্ত হব লাগে। যদি আপোনালোকৰ সাহস আছে হাউচ কমিটি গঠন কৰি ইয়াৰ প্ৰতিবেদন সদনত দাখিল কৰিব লাগে। ৪৩ লাখ টকা ১৯৮৮ চনৰ পৰা ১৯৯২ চনলৈ মেৰামতিৰ বাবদ দেখুৱা হৈছে গতিকে এই মেজৰ বেয়া কামৰ তথ্য বিতংভাবে দাখিল কৰিব লাগিব।

* শ্ৰীহৰেণ ভূমিজ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়াই দিম। ১৯৮৮-৮৯ চনত কলং নদীৰ সোঁপাৰে ফুলগুৰিৰ পৰা মোলান কটালৈ আৰু বহাৰ পৰা চাপৰ মুখলৈ থকা মঠাউৰিৰ শিকলি নং ৩৭৭০ মিটাৰ শিকলি নং ১৫৪৭ মিটাৰ শিকলি নং ১০,২৮৭ মিটাৰ শিকলি নং ১১,১৪৫ মিটাৰ, শিকলি নং ১১,৫০০ মিটাৰ, অংশ মেৰামতি আৰু পৃষ্ঠভাগ মেৰামতি কামত হোৱা ব্যয় ১৭; ২৬, ২৮৯'০০ টকা। ১৯৮৯-৯০ চনত কলং নদীৰ সোঁপাৰে ফুলগুৰিৰ পৰা মোলান কাটালৈ আৰু বহাৰ পৰা চাপৰ মুখলৈ থকা মঠাউৰিৰ শিকলি নং ৪,০০০ মিটাৰ আৰু শিকলি নং ১৫,০০০ মিটাৰ চিঙা অংশৰ মেৰামতি আৰু পৃষ্ঠভাগ মেৰামতি ইত্যাদি কামত হোৱা ব্যয় ১৯৩,০,০৯৪'০০ টকা। ১৯৯০-৯১ চন কলং নদীৰ সোঁপাৰে ফুলগুৰিৰ পৰা মোলান

★ Speech not Corrected

কাটাৰ্লৈ আৰু ৰহাৰ প্ৰৰা চাপৰ মুখলৈ থকা মথাউৰিৰ মেৰামতিৰ ব্যয় ৪, ৪৯, ৮৪৮·০০ টকা।

* শ্ৰীগহীন চন্দ্ৰ দাস : ব্যয়খিনি যাতে ভাল কামত হয়। ইয়াৰ এটা পেচিফিক লাগে।

* শ্ৰীজয়নাথ শৰ্ম্মা : প্ৰকৃততে আচল ঠাইত কাম হৈছে নে নাই আমাক উত্তৰ দিব লাগে। মন্ত্ৰী মহোদয়ে ফাইলত থকা কাৰণেহে পঢ়ি দিছে। টকাখিনি সৎকামত খৰছ হৈছে নাই এইটো পৰীক্ষা কৰিব লাগে।

* শ্ৰীহৰেণ ভূমিজ ( মন্ত্ৰী ) : পৰীক্ষা কৰা হব।

মাননীয় অধ্যক্ষ : তেন্তে উত্তৰ দিছে নহয়। এতিয়া প্ৰশ্ন নং ১০৭। মাননীয় সদস্য শ্ৰীযতীন মালি।

## বিষয় : হাইস্কুলৰ শিক্ষক বাচনি সমিতি

শ্ৰীযতীন মালীয়ে সুধিছে :

★ ১০৭ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) জিলা ভিত্তিত গঠন কৰা হাইস্কুল শিক্ষক বাচনি কমিটি সমূহত সাধাৰণতে কিমানজন সদস্য অন্তৰ্ভুক্ত কৰা হৈছে ?

খ) কমিটিৰ সদস্য সমূহ বাচনি কৰাৰ আধাৰ কি কি ?

গ) হাইস্কুলৰ কোনো শিক্ষক বাচনি কমিটিৰ একে পৰ্য্যায়ৰ সহকাৰী শিক্ষক ( হাইস্কুলৰ ) ৰাখিছে নেকি ?

ঘ) কমিটি সমূহত ৰখিছে সহকাৰী শিক্ষক আছে তেন্তে বিভাগৰ স্বাৰ্থৰ খাতিৰত অনতিপলমে অব্যাহতি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগৌতম ৰয় ( ৰাজিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) কমিটি সমূহত পাচজনকৈ সদস্যৰে গঠন কৰা হয়।

খ) যোগ্যতাৰ ভিত্তিত সদস্য সমূহ বাচনি কৰা হৈছে।

---

★ Speech not Corrected

গ) সহকাৰী শিক্ষক কোনো কোনো ঠাইত বাচনি কমিটিত নোহোৱা নহয়।
ঘ) চৰকাৰে তেনে চিন্তা কৰা নাই।

★ শ্ৰীযতীন মালি : মাননীয় অধ্যক্ষ মহোদয়, যি ব্যৱস্থা লম বুলি কৈছে, এই কথা বিশ্বাস কৰিবলৈ টান হৈছে। কামৰূপ জিলাৰ বাচনি কমিটি হৈছে, তাত কেইবাজনো মানুহ আছে। তেখেত সকলে তাত কি কাম কৰি আছে চাব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, ব্যৱস্থা লোৱা কথাষাৰ বিশ্বাস কৰিবলৈ টান পাইছো এই কাৰণেই যে সদনৰ মজিয়াত এইটো আলোচনা হৈছিল আগৰ শিক্ষা মন্ত্ৰীয়েও ব্যৱস্থা লম বুলি কৈছিল, ৰাজ্যৰ মুখ্যমন্ত্ৰী মহোদয়েও লম বুলি কৈছিল, কিন্তু ব্যৱস্থা লোৱা নহল। এই বিষয়ে স্পেচিফিক হব লাগে।

★ শ্ৰীগৌতম ৰয় ( ৰাজ্যিক মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, নিশ্চয় ব্যৱস্থা লোৱা হব।

★ শ্ৰীযতীন মালি : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আকৌ প্ৰশ্ন কৰিছে। কামৰূপ জিলাৰ কিকেইজন মানুহ আছে, তেওঁলোকৰ নাম কব লাগে। তেওঁলোকে তাত কি কাম কৰি আছে।

★ শ্ৰীগৌতম ৰয় ( ৰাজ্যিক মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকৰ প্ৰশ্ন ইয়াৰ লগত নাছিল। জিলা ভিত্তিত বাচনি কমিটি থাকিব পাৰে। মোৰ হাতত নাই প্ৰয়োজন হলে পাচত দিব পাৰিম।

★ শ্ৰীনজমুল হক : এই উপদেষ্টা কমিটি বিলাক যে কৰা হৈছে, এই সমস্ত হাই-স্কুলৰে হওঁক বা প্ৰাইমেৰী স্কুলৰে হওঁক বা মিড়ুল স্কুলৰে হওঁক তাত তেওঁলোকে হাজাৰ হাজাৰ টকা চাকৰি দিম বুলি লৈ আছে কিন্তু কাকো চাকৰি আজি-লৈকে দিব পৰা নাই। মোৰ গোৱালপাৰা জিলাতেই বহুতৰ পৰা চাকৰি দিম বুলি টকা লৈছে, কিন্তু চাকৰি দিব পৰা নাই। গতিকে সেই টকা বিলাক ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিব নে?

★ শ্ৰীশশকমল সন্দিকৈ : মন্ত্ৰী মহোদয়ে গ) প্ৰশ্নৰ উত্তৰত কৈছে এই হাইস্কুলৰ শিক্ষক বাচনি কমিটি একে পৰ্য্যায়ৰ সহকাৰী শিক্ষক আছে। আনহাতে

★ Speech not Corrected

কৈছে যোগ্যতাৰ ভিত্তিত সদস্য সমূহ বাচনি কৰা হৈছে। কিন্তু এজন সহকাৰী শিক্ষকে হাইস্কুলৰ নিয়োগৰ ক্ষেত্ৰত হস্তক্ষেপ কৰিব পাৰে নেকি ? তেনেহলে যোগ্যতাৰ ভিত্তি কত গ'ল।

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) : মই আগতেই কৈছো যে শিক্ষাবিদহে লোৱা হয়। হাইস্কুল, বা এল. পি ৰ নিযুক্তিৰ ক্ষেত্ৰত এনেকুৱা হস্তক্ষেপ হৈছে চোৱা হ'ব।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : চাকৰিৰ ক্ষেত্ৰত টকা পইচা খৰছ কৰিলে, যিবিলাকে গৰু বিক্ৰি কৰি টকা দিছে সেই টকা বিলাক ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিবনে ? মোৰ সমষ্টিত মাটিবাৰী বিক্ৰি কৰি এল, পি স্কুলৰ শিক্ষকৰ কাৰণে জুকলা হৈ পৰিছে অথচ সেই সকলে আজিলৈকে চাকৰি নাপালে। সেই সকলক টকা পইছাখিনি ঘূৰাই দিয়াৰ ব্যৱস্থা লব নেকি ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) : এইটো যদি স্পেচিফিক কেছ হিচাবে প্ৰমাণিত কৰিব পাৰে, তেতিয়া হলে নিশ্চয় চোৱা হব।

শ্ৰীযতীন মালি : পলাশবাৰীত এখন গুৰুত্বপূৰ্ণ সভা বহিছিল। শিক্ষা বিভাগৰ এজন লোকক প্ৰহাৰ কৰিছিল টকা পইছা ঘূৰাই দিব নোৱাৰাৰ কাৰণে।

Mr. Speaker : Now Deforred Starred Question No 49,

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

## বিষয় : জলসিঞ্চন সামগ্ৰীৰ মূল্য বৃদ্ধি

৪৯ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) শ্ৰমিকৰ মজুৰী বা সামগ্ৰীৰ দাম বৃদ্ধিৰ কাৰণে ( দৰ্শাই ) জলসিঞ্চন বিভাগে যোৱা ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত কোনোবা ঠিকাদাৰৰ কিবা টকা আদায় দিছে নেকি ?

খ) যদি দিছে কাক কাক দিছে কিমান কিমান দিছে আৰু কি কি কামৰ বাবদ দিছে ? ( তথ্য সদনৰ মেজত দাখিল কৰিব )

গ) সামগ্ৰী সমূহৰ মূল্যবৃদ্ধিৰ ক্ষেত্ৰত কি কি সামগ্ৰীৰ কি ভিত্তিত মূল্যবৃদ্ধিৰ হাৰ নিৰ্ণয় কৰা হৈছে ?

---

✤ Speech not Corrected.

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰীয়ে ) উত্তৰ দিছে :

ক) হয় দিছে।

খ) তথ্য সদনৰ মেজত দাখিল কৰা হ'ল।

( See the Annexure – I )

গ) তথ্য সমূহ সদনৰ মেজত দাখিল কৰা হ'ল।

( See the Annexure – I )

● শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া অসমৰ বিত্তীয় সংকট চলি থকা বুলি কৈছিল, তেতিয়া কিছুমান সামগ্ৰীৰ দাম বৃদ্ধি হোৱা বুলি কৈ প্ৰায় ২৭ কোটি টকা এই বিভাগক দিছে। কিন্তু নতুনকৈ কাম কৰিবলৈ দিয়া হোৱা নাই। এই প্ৰায় ২৭ কোটি টকা যে আদায় দিছে, কি কি সামগ্ৰী কি কি ৰেটত দিছে অৰ্থাৎ কি কি বস্তুৰ মূল্য বৃদ্ধি হৈছে, এই গোটেই বিষয়টোৰ ওপৰত বিতং তথ্য দিব লাগে। সামগ্ৰী ওৱাইজ কণ্ট্ৰেকটৰৰ ৰেট আৰু কি কি বস্তুৰ মূল্য বৃদ্ধি হৈছে এই বিষয়ে বিতং তথ্য সদনত দিব লাগে।

※ শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) : মই এতিয়াই দিব পাৰো।

★ শ্ৰীজয়নাথ শৰ্ম্মা : যিহেতুকে মই বিছৰাটো তেখেতে দিব পৰা নাই, সেয়ে এতিয়াই দিব নালাগে। সকলো তথ্য সদনৰ মেজত ৰাখিলেও হব।

❀ শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) : কোনটো ডেটত কিমান দিয়া হৈছে, সম্পূৰ্ণ তথ্যৰ সৈতে এই সদনত দাখিল কৰিম।

( Starred Question Nos 108 to 120 could not be taken up for disposal on the question hour was over. However the said questions with its replies deemed to have been laid on the table as follows )

**বিষয়– প্ৰাক্তন উপ–পৰিদৰ্শকৰ দুৰ্নীতি :**

শ্ৰীপ্ৰনব কুমাৰ নাথে জিজ্ঞাসা কৰিছেন :

---

★ Speech not corrected.

* ১০৮ মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি—

ক) করিমগঞ্জ জিলা প্রাথমিক শিক্ষা বিভাগের প্রাক্তন উপ-পরিদর্শক ( I/C D. I. of Schools UDC ) প্রত্যক্ষ ভাবে দূর্নীতি ও অবৈধ কাজে জড়িত থাকার ব্যাপারে সরকার অবহিত হয়েছেন কি ?

খ) বিগত ২২/১২/৯২ ইং তারিখের প্রশ্নের উত্তরের মর্ম্মানুযায়ী ExI/C.D.I বিরুদ্ধে কি কি বিভাগের ব্যবস্থা নিয়ে কার্য্যকরী করা হয়েছেন ?

শ্রীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) কৰিমগঞ্জৰ প্ৰাক্তন উপ- পৰিদৰ্শক ( I/C D. I. ) জনৰ কাৰ্য্যকালত হোৱা নিযুক্তিৰ বিষয়ে জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ পৰা জানিব পৰা হৈছে।

খ) বৰ্ত্তমান বিষয়টো তদন্তাধীন হৈ আছে।

**বিষয়— প্ৰাথমিক শিক্ষা সঞ্চালকৰ কাৰ্য্যকাল বৃদ্ধি :**

ডাঃ কমলা কলিতাই সুধিছে :

** ১০৯ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰ্ত্তমানৰ প্ৰাথমিক শিক্ষা সঞ্চালক গৰাকীক অৱসৰৰ পিছত ২ বছৰৰ বাবে পুনৰ নিযুক্তি দিয়াটো সঁচানে ?

খ) যদি সঁচা হয় তেন্তে ইয়াৰ কাৰণ কি ?

গ) ইয়াৰ ফলত কিমানজন উচ্চ পৰ্য্যায়ৰ বিষয়াৰ পদোন্নতিত বাধা দিছে ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সঁচা।

খ) ৰাজহুৱা স্বাৰ্থৰ খাতিৰত দিয়া হৈছে।

---

★ Speech not Corrected.

গ) সঞ্চালক পদটো পদোন্নতিৰে পূৰণ কৰা পদ নহয়। ১৯৮২ চনৰ "অসম শিক্ষা সেৱা আইন" অনুসৰি উক্ত পদটো প্ৰত্যক্ষ নিযুক্তিৰে ( Direct Recruitment ) পূৰণ কৰা হয়। গতিকে সঞ্চালক নিযুক্তিত পদোন্নতিত কোনো বাধা নপৰে।

বিষয়— সাহিত্য সভাৰ অধিবেশনলৈ আৰ্থিক মঞ্জুৰী :

শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে :

* ১১০ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম সাহিত্য সভাৰ ৫৯তম শিৱসাগৰ অধিবেশনলৈ ৰাজ্য চৰকাৰে কিমান টকা আৰ্থিক মঞ্জুৰী দিলে ?

খ) বড়ো সাহিত্য সভাৰ ৩২তম টংলাৰ অধিবেশনলৈ কিমান টকা আগবঢ়ালে ?

শ্ৰীগোলোক ৰাজবংশী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) আৰ্থিক মঞ্জুৰী দিয়া নাই।

খ) আগবঢ়োৱা নাই।

বিষয় - বুঢ়ী, দিহিং নদীৰ মথাউৰী :

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

* ১১১ মাননীয় বান নিঃয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ডিব্ৰুগড় জিলাৰ বান নিয়ন্ত্ৰণ বিভাগৰ বুঢ়ী দিহিং নদীৰ মথাউৰী নিৰ্মাণৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ মূল্য দিয়া হোৱা নাই, এই তথ্য সত্যনে ?

খ যদি সত্য হয়, তেন্তে এই মূল্য মাটিৰ মালিক সকলক কেতিয়াকৈ আদায় দিব ?

শ্ৰীহৰেন ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) বুঢ়ী দিহিং নদীৰ দুয়োপাৰে মথাউৰী নিৰ্ম্মাণৰ বাবে মাটি অধিগ্ৰহণ কৰাৰ বাবদ দিব লগা মাটিৰ মুল্য পৰিশোধ সম্পূৰ্ণ নোহোৱাটো সঁচা।

খ) বাকী থকা মাটি অধিগ্ৰহণৰ মুল্য আদায় দিবৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

Re. – Appointment of L. P. School teacher.

Shri Samarendra Nath Sen asked :

* 112. Will the Minister of Education be pleased to state,

a) Whether it is a faet that 415 number of L. P. School Teachers have been appointed under D. I. of Schools, Silchar upto 1st February, 1993 ?

b) Whether it is fact that about 50 appointments are made directly by the D. E, E. Assam ?

Shri Gautam Bora ( Minister of State ) replied :

a) Yes

b) No, only 9 ( nine ) numbers of stipendiary teachers in old Govt. Schools were appointed by the D. E. E., in respect of which D. E. E. himself is appointing authority.

বিষয়– শিক্ষক নিযুক্তি ঃ

শ্ৰীকমল ব্ৰহ্মাই সুধিছে :

★ ১১৩ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯২-৯৩ চনত প্ৰাদেশীকৃত বড়ো মেডিয়াম এম-ই স্কুলবোৰত বড়ো ভাষা শিক্ষক নিযুক্তি নিদিয়া কথাটো সঁচানে ?

খ) বৰ্ত্তমান চৰকাৰে এই ভাষা শিক্ষক পদটো উঠাই লোৱাৰ ব্যৱস্থা লৈছে নেকি ?

গ) যদি উঠাই নলয়, কেতিয়া পদবোৰ নিযুক্তি দিয়াৰ ব্যৱস্থা লোৱা হব ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সচা ।

খ) নাই লোৱা ।

গ) পুঁজি সাপেক্ষে ভাষা-শিক্ষকৰ পদ অনুমোদন কৰি ষড়ো মাধ্যমৰ মধ্য ইংৰাজী বিদ্যালয় বোৰত দিয়াৰ ব্যৱস্থা কৰা হব ।

## বিষয় : আজ্ঞাঠুৰীৰ পৰা গুৱালকুছিলৈ ব্ৰহ্মপুত্ৰৰ বান্ধ ।

শ্ৰীভৃগু কুমাৰ ফুকনে সুধিছে :

১১৪ মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) আজ্ঞাঠুৰীৰ পৰা গন্ধমৌ হৈ গুৱালকুছিলৈ ব্ৰহ্মপুত্ৰৰ কাষত বান্ধ দিয়াৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

খ) যদি জেনে আঁচনি চৰকাৰৰ আছে কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হব ? আৰু যদি নাই চৰকাৰে এই দিশত ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

শ্ৰীহৰেণ ভুমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) আজ্ঞাঠুৰীৰ পৰা গন্ধমৌ হৈ গুৱালকুছিলৈ ব্ৰহ্মপুত্ৰৰ কাষত বান্ধ দিয়াৰ আঁচনি চৰকাৰে গ্ৰহণ কৰা নাই ।

খ) 'ক' প্ৰশ্নৰ উত্তৰ সাপেক্ষে 'খ' প্ৰশ্নৰ উত্তৰ নুঠে ।

## বিষয় : অসম্পূৰ্ণ মথাউৰী

শ্ৰীসুনীন মহন্তই সুধিছে :

১১৫ মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) মৰিগাওঁ জিলাত ঘন শিমলুৰ পৰা হিলৈথুন্দালৈকে ব্ৰহ্মপুত্ৰৰ মথাউৰীৰ নিৰ্মাণ অসম্পূৰ্ণ অৱস্থাত থাকি যোৱাটো সত্য নেকি ?

খ) যদি সত্য হয়, এই অসম্পূৰ্ণ হৈ থকা এলেকা সমূহ কি কি আৰু দৈৰ্ঘ্য কিমান ?

গ) মথাউৰী অসম্পূৰ্ণ হৈ থকাৰ কাৰণ সমূহ কি কি ?

ঘ) অসম্পূৰ্ণ এই মথাউৰী নিৰ্মাণ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীহৰেন ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) মৰিগাওঁ জিলাৰ ঘন শিমলুৰ পৰা হিলৈখুন্দালৈকে ব্ৰহ্মপুত্ৰৰ পাৰত কোনো মথাউৰী নাই, গতিকে এই অঞ্চলত মথাউৰী নিৰ্মাণ অসম্পূৰ্ণ অৱস্থাত থাকি যোৱা সঁচা নহয় ।

খ) প্ৰশ্নোত্তৰ 'ক'ৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে ।

গ) প্ৰশ্নোত্তৰ 'ক'ৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে ।

ঘ) প্ৰশ্নোত্তৰ 'ক'ৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে ।

## বিষয় : কাৰবি আংলং জিলাৰ হাইস্কুল হায়াৰ চেকেণ্ডাৰীলৈ উন্নতিকৰণ ।

শ্ৰীদীপেন্দ্ৰ ৰংপিয়ে সুধিছে :

১১৬ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) যোৱা বছৰ আৰু চলিত বিত্তীয় বছৰৰ ভিতৰত কাৰবি আংলং জিলাৰ High School সমূহক Higher Secondary লৈ উন্নতি কৰা হৈছে নে ?

খ) যদি হৈছে কিমান খন High School ক Higher Secondary লৈ উন্নীতকৰণ কৰা হৈছে ?

গ) কেতিয়াৰ পৰা উক্ত Higher Secondary ৰ শ্ৰেণী আৰম্ভ কৰিবলৈ চৰকাৰে অনুমতি দিব ?

শ্ৰীগৌতম ৰয় ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হোৱা নাই ।

খ)
গ) } প্ৰশ্ন নুঠে

## বিষয় : ষ্টেটফেডৰ খুচুৰা বিক্ৰী কেন্দ্ৰ

ডাঃ কৃষ্ণকান্ত লহকৰে সুধিছে :

১১৭ মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত বৰ্ত্তমান ষ্টেটফেডৰ কিমান খুচুৰা বিক্ৰী কেন্দ্ৰ আছে ?

খ) বৰ্ত্তমান ষ্টেটফেডে কৰি থকা মুখ্য ব্যৱসায় সমূহ কি ?
গ) চৰকাৰে “অসামৰিক যোগান নিগম” খোলাৰ বিষয়ে কিবা ব্যৱস্থা কৰিছে নে ?
ঘ) যদি কৰিছে ইয়াৰ কাৰণ কি ?

শ্ৰীনগেন নেওঁগ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১১৩টা।

খ) ১) বানিজ্যিক ভিত্তিত চাউল, দাইল ও দাইল জাতীয় সামগ্ৰী, মিঠাতেল, নিমখ, অন্যান্য আৰশ্যকীয় খাদ্য সামগ্ৰী, টিনপাত, বহী-কাগজ ইত্যাদি। ইয়াৰোপৰি

২) ৰাজ্যৰ উপায়ুক্ত ও মহকুমাধিপতিৰ আবন্টন অনুযায়ী ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ( পি-ডি এচ ) সামগ্ৰী যোগান।

৩) ৰাজ্য চৰকাৰৰ বিশেষ আচনি অনুযায়ী দৰিদ্ৰ সীমাৰেখাৰ লোকক ২, টকা ( দুই টকা ) প্ৰতি কিলো মূল্যত চাউলৰ যোগান।

৪) প্ৰাকৃতিক দুৰ্যোগ/পুনৰ সংস্থাপন বিষয়ত ৰাজ্যৰ উপায়ুক্ত ও মহকুমাধিপতিৰ নিৰ্দ্দেশানুযায়ী খাদ্য ও অন্যান্য সামগ্ৰী যোগান।

৫) কৃষি বিভাগৰ নিৰ্দ্দেশানুযায়ী কৃষকলৈ ৰাসায়নিক সাৰৰ যোগান, আৰু

৬) ৰাজ্য চৰকাৰৰ সমাজ কল্যান, শিক্ষা গৃহবিভাগ আদিৰ সময়ে সময়ে নিৰ্দ্দেশানুযায়ী বিভিন্ন সামগ্ৰীৰ যোগান।

গ) বিষয়টোৰ উত্তৰ খাদ্য ও অসামৰিক যোগান বিভাগৰ পৰা বিচৰা হৈছে। উক্ত বিভাগে বিষয়টোৰ ওপৰত প্ৰাৰম্ভিক পৰীক্ষা নীৰিক্ষা চলাই আছে বুলি জনাইছে।

ঘ) প্ৰশ্ন নুঠে।

## বিষয় : গ্ৰাম্য বৈদ্যুতিকৰণৰ সংযোগ বিছিন্ন।

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে :

১১৮ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰপেটা জিলাৰ পাঠশালা সংমণ্ডলৰ পাঠশালা গ্ৰাম্য বৈদ্যুতিকৰণ অভিকৰণ আচনিৰ অধীনত গধূলি গাওঁ ৰাজহ পাৰৰ পৰা গোলা গাওঁ ৰাজহ পাৰলৈ প্ৰায় ১০ কিঃ মিঃ দূৰত্ব বৈদ্যুতিকৰণৰ সংযোগ বিচ্ছিন্ন হৈ থকা কথাটো সচানে ?

খ) যদি সচা তাৰ কাৰন কি ?

গ) ৰাইজৰ অসুবিধাৰ প্ৰতি লক্ষ্য কৰি অতি সোনকালে বিদ্যুৎ সংযোগ স্থাপনৰ ব্যৱস্থা গ্ৰহন কৰিবনে ?

শ্ৰীগোপীনাথ দাস ( বাণিজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

উত্তৰ (ক) আৰু (খ :

১৯৯২ চনৰ এপ্ৰিল মাহত হোৱা ধুমুহা বতাহত গধূলি গাওঁ আৰু গোলা গাওঁ সংযোগকাৰী ১১ কে: ভিঃ লাইনটো ক্ষতিগ্ৰস্ত হয় আৰু তেতিয়াৰ পৰাই এই লাইনটো বিচ্ছিন্ন হৈ আছে। পুঁজিৰ অভাৱত যাৱতীয় সামগ্ৰী যোগান কৰি বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই।

গ) আৱশ্যকীয় পুঁজিৰ যোগান হলেই বিচ্ছিন্ন হৈ থকা লাইনটো পুনৰ বিদ্যুৎ সৰবৰাহৰ ব্যৱস্থা কৰিব পৰা হব।

## বিষয় : ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ বোৰ্ড

শ্ৰীজীউৰাম বড়োই সুধিছে :

১১৯ মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

ক) ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ বোৰ্ডে বান্ধ দোং নিৰ্মাণ কৰে নেকি আৰু যদি কৰে, কেনে ধৰণৰ বান্ধ দোং নিৰ্মাণ কৰে ?

খ) অসমত এতিয়ালৈ এই বোৰ্ডৰ তত্বাৱধানত কিমান বান্ধ দোং নিৰ্মাণ কৰিছে ?

গ) দৰং জিলাৰ মাজেৰে বৈ যোৱা নোৱা নদীৰ ওপৰত এই বিভাগে বান্ধ নিৰ্মাণ কৰাৰ আচনি আছে নেকি ?

ঘ) যদি আছে, বান্ধ নিৰ্মাণৰ কাম কেতিয়াকৈ আৰম্ভ কৰিব ?

শ্ৰীহৰেন ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ বোৰ্ড নামৰ কোনো বিভাগ নাই। অৱশ্যে ব্ৰহ্মপুত্ৰ বোৰ্ড নামৰ এখন বোৰ্ড আছে। এই বোৰ্ড কেন্দ্ৰীয় চৰকাৰৰ অধীনত পৰে। এই ব্ৰহ্মপুত্ৰ বোৰ্ডে বান্ধ দোং নিৰ্মাণ কৰা নাই।

'ক' প্ৰশ্নৰ উত্তৰ সাপেক্ষে 'খ', 'গ' আৰু 'ঘ' প্ৰশ্ন নুঠে।

## বিষয় : ব্ৰহ্মপুত্ৰ বান্ধ খহনীয়া

শ্ৰীকোযেশ্বৰ বৰুৱাই সুধিছে :

১২০ মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গহপুৰ সমষ্টিৰ খাৰৈমুখ পৰ্য্যন্ত থকা ব্ৰহ্মপুত্ৰৰ বান্ধৰ ৩৯/৪০ কিলো মিটাৰৰ খহনীয়া সম্বন্ধে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত চৰকাৰে কিবা জৰুৰী ব্যৱস্থা লৈছেনে ?

উত্তৰ :

শ্ৰীহৰেন ভূমিজ ( মন্ত্ৰী ) যে উত্তৰ দিছে :

ক) হয়, চৰকাৰ অৱগত ।

খ) ব্ৰহ্মপুত্ৰ বান্ধৰ ৩৭ কিলো মিটাৰত চলি থকা গড়া-খহনীয়া প্ৰতিৰোধৰ বাবে এটা বিকল্প বান্ধ ( Retirement ) আৰু শিলৰ গাঁঠনিৰ ব্যৱস্থাৰে এখন আঁচনিৰ আংশিক ভাবে ৰূপায়ন কৰা হৈছে যদিও বিত্তীয় নাটনিৰ পৰিপ্ৰেক্ষিতত নদ্যহতে এই আচনিৰ বাকীখিনি কাম হাতত লব পৰা হোৱা নাই ।

## বিষয় – প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৰণ :

শ্ৰীবদন বৰুৱাই সুধিছে :

২২৩ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চৰকাৰে চলিত বিত্তীয় বছৰত ৩০০০ খন প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৃত কৰিবলৈ লোৱাৰ প্ৰস্তাৱ আছে নেকি ? যদি আছে এতিয়ালৈ কিমানখন প্ৰাদেশীকৃত কৰা হৈছে ?

খ) প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৃত কৰাৰ ক্ষেত্ৰত কোন কোন বিদ্যালয়ক অগ্ৰাধিকাৰ দিয়া হয় সেই সম্পৰ্কে কোনো চৰকাৰী নিৰ্দ্দেশনা আছেনে ?

গ) কামৰূপ জিলাৰ চাংজো ৰাজহ চক্ৰৰ অন্তৰ্গত আৰু অনুসূচীত জাতি অধ্যুষিত ৰাজহ গাওঁ হৈনাদিত কেইখন প্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয় আছে ?

ঘ) যদি নাই ৰাজহ গাওঁ হৈনাদিত থকা প্ৰাথমিক বিদ্যালয় এখন এপ্ৰিল মাহৰ আগতে প্ৰাদেশীকৃত কৰিবনে ?

শ্ৰীগৌতম বৰায়ে উত্তৰ দিছে :

ক নাই ।

খ) প্ৰয়োজনৰ ভিত্তিত ( need based ) দিয়া হয় ।

গ) প্ৰাপ্ত তথ্য মতে প্ৰাদেশীকৃত বিদ্যালয় নাই ।

ঘ) পুঁজি সাপেক্ষে বিবেচনা কৰা হব ।

## বিষয় – প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৰণ :

শ্ৰীহিতেশ ডেকাই সুধিছে :

২২৪ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণৰ পৰা আজি পৰ্য্যন্ত কিমানখন প্ৰাথমিক বিদ্যালয় আৰু মাধ্যমিক বিদ্যালয় প্ৰাদেশীকৰণ কৰিলে ?

( জিলা ভিত্তিত তথ্য সদনৰ মেজত দাখিল কৰিব )

খ) প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয় শিক্ষক পদটি আৰু মাধ্যমিক বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ পদটি কেতিয়া চৰকাৰীকৰণ কৰা হব ।

গ) আৰু অধিক প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৰণ কৰিবলৈ চৰকাৰে চিন্তা-চৰ্চা কৰিছে নেকি ?

ঘ) যদি কৰিছে- কেতিয়া কাৰ্য্যকৰী কৰা হব ?

শ্ৰীগৌতম বৰা (বাণিজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৬৩৮ খন প্ৰাথমিক বিদ্যালয় ।

১২৫৫ খন মজলীয়া বিদ্যালয় ( এম. ই. স্কুল )

— ... ... তথ্য সদনত দাখিল কৰা হ'ল )

( see the Annexure-II )

খ) পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব ।

গ) পুঁজিৰ ওপৰত নিৰ্ভৰ কৰিব ।

ঘ) প্ৰশ্ন নুঠে ।

বিষয় : কাছাড় সুগাৰ মিল ।

শ্ৰীরামপ্যারে রবিদাসে জিজ্ঞাসা করছেন :

২২৫ মাননীয় শিল্প বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি :

ক) করিমগঞ্জ জিলার একমাত্র শিল্প প্রতিষ্ঠান "কাছাড় সুগার মিল" গত কয়েক বৎসর ধরে বন্ধ হওয়ার দরন ঐ মিল এ কর্মরত হাজার হাজার কর্মী ও শ্রমিক অনাহারে এবং অর্দ্ধহারে দীন যাপন করিতেছেন, এই ব্যাপারে সরকার অবগত আছেন কি ?

খ) যদি অবগত আছেন তবে উক্ত মিলকে সরকারী অথবা ব্যক্তিগত মালিকনাধীন এর ক্ষেত্রে সত্বর চালু করার ব্যাপারে সরকার কি প্রয়োজনীয় পদক্ষেপ গ্রহণ করছেন ।

শ্ৰীবিজিৎ শইকীয়া (মন্ত্ৰীয়ে) উত্তর দিছেন :

ক) এবং খ) কাছাড় চিনি কল যে গত কয়েক বৎসর থেকে বন্ধ আছে তা সরকার জানেন । প্রায় ১৪০ জন কর্ম্মী এখনও মিলটির বেতন তালিকায়

আছেন ও ওদের বেতন দেওয়া হচ্ছে। মিলটি পুনরায় চালু করার জন্য সরকার প্রয়োজনীয় সমস্ত ব্যবস্থা নিচ্ছেন। এই ব্যবস্থাবলীর মধ্যে বেসরকারী ব্যবস্থাপনায় মিলটি চালু করার কথাও আছে।

## বিষয় — শিক্ষক নিযুক্তি

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

২২৬ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) উত্তৰ শালমাৰা মহকুমাত প্ৰাথমিক বিদ্যালয় সমূহত ১৯৯১-৯২ চনত সৰ্ব্বমুঠ কিমান জনক শিক্ষক পদত নিযুক্তি দিয়া হৈছে ?

খ) ১৯৯১-৯২ চনত বঙ্গাইগাওঁ জিলাত উচ্চ. উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত সৰ্ব্বমুঠ কিমান ব্যক্তিক নিযুক্তি দিয়া হৈছে ?

(তালিকা সদনৰ মেজত দাখিল কৰিব)

মহোদয় শ্ৰীগৌতম বৰাই (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) খ) তথ্য বিচৰা হৈছে। তথ্য সমূহ পোৱাৰ লগে লগেই সদনত দাখিল কৰা হব।

## বিষয় : আদালতৰ নিৰ্দ্দেশ

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে :

২২৭ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰ্ত্তমানৰ চৰকাৰে দায়িত্ব লোৱাৰ পূৰ্ব্বে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদ পূৰণৰ প্ৰস্তুত কৰা তালিকাৰ প্ৰাৰ্থী সকলক খালি পদত নিয়োগ কৰিবলৈ আদালতৰ নিৰ্দ্দেশৰ বিষয়ে চৰকাৰ অৱগত নে ?

খ) উল্লেখিত তালিকাৰ প্ৰাৰ্থীক নিয়োগ নকৰাকৈ চৰকাৰে নতুন প্ৰাৰ্থীক নিয়োগ কৰিছে নেকি ?

উত্তৰ :

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) অৱগত।

খ হয়। ১৯৮৬-৮৮ চনৰ কালছোৱাত খালী থকা পদৰ বিপৰীতে ১৯৮৬ চনৰ তালিকাৰ পৰা মেধা ( merit ) ভিত্তিত নিযুক্তি দিবলৈ মাননীয় উচ্চতম ন্যায়ালয়ে নিৰ্দ্দেশ

দিছে। সেই অনুক্রমে ব্যৱস্থা লোৱা হৈছে। ১।১।৮৯ তাৰিখৰ পৰা খালীহোৱা পদৰ বিপৰীতে নতুন তালিকা যুগুত কৰি প্ৰাৰ্থীক নিযুক্তি দিবলৈও উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশ অনুসৰিয়েই ব্যৱস্থা লোৱা হৈছে।

## বিষয় : ভগা মথাউৰী নিৰ্মাণ।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

২২৮ মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) তিনিমুখীয়া বেলৰে লাইনৰ পৰা জীয়াঢলৈ দায়েকৰ বান্ধিৰ ধৰা মথাউৰী ( phase (I) আৰু phase (II) বাওঁপাৰত চাৰি কিলো মিটাৰ মথাউৰী বান্ধিবৰ বাবে আঁচনি প্ৰস্তুত কৰাটো সচানে ?

খ) যদি সচা, এই আঁচনিৰ বাবে কিমান কোটি টকা আবণ্টন দিয়া হৈছে ?

গ) অন্য বছৰৰ দৰে হৈ থকা বানপানী চলিত বছৰতও হোৱাৰ আশংকাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কিবা আঁচনি কাৰ্য্যকৰী হোৱাকৈ গ্ৰহণ কৰিছে নেকি ?

উত্তৰ :

শ্ৰীহৰেন ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয় সচা।

খ) কোনো আবণ্টন দিয়া হোৱা নাই।

গ) অন্য বছৰত হৈ থকা বানপানী চলিত বছৰতো হোৱাৰ আশংকাৰ প্ৰতি লক্ষ্য ৰাখি জীয়াঢল নদীৰ গতিপথ পূৰ্বৰ সুঁতিলৈ আংশিক ভাবে হলেও পৰিবৰ্ত্তনৰ বাবে উজনিত ' F. D. R. to Jiadhal L/B embankment at Tekjuri Village No. 2 for 1992-93" নামেৰে প্ৰায় ৩৯.৪৫ লাখ টকাৰ এখন আঁচনি প্ৰস্তুত কৰা হৈছে। ইয়াৰ উপৰিও গড়াখহনীয়াৰ দ্বাৰা আক্ৰান্ত বৰ মথাউৰী গাওঁখন ৰক্ষা কৰাৰ বাবে "F. D. R. to Flood Protection of Dhemaji area for 1993-94"— নামেৰে প্ৰায় ১.৫৩ লাখ টকাৰ অন্য এখন আচনি প্ৰস্তুত কৰা হৈছে। আৰ্থিক সচ্ছলতাৰ ওপৰতেই উপৰোক্ত আঁচনি দুখনৰ কাৰ্য্যকৰণ নিৰ্ভৰ কৰিছে।

Re : Civil Rule No. 2160 / 90

★ Shri Giasuddin Ahmed asked :

229. Will the Minister of Education be pleased to state :

a) Whether it is a fact that Hon'ble High Court in its judgement in Civil Rule No. 2160/90 directed the Government to appoint about two thousand candidates as L P. teachers as per selection list of 1986.

b) If so, whether the said direction of the Hon'ble High Court has been complied with ?

c) If not, why ?

উত্তৰ

শ্ৰীগৌতম বৰা, ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়। তদনীন্তন উপদেষ্টা সমিতিয়ে ১৯৮৬ চনৰ নিৰ্বাচিত প্ৰাৰ্থী, তালিকাভুক্ত প্ৰাৰ্থী সকলক মাননীয় উচ্চ ন্যায়ালয়ে নিযুক্তি দিবলৈ আদেশ দিয়ে।

খ) "ক" প্ৰশ্নত উল্লেখিত উচ্চ-ন্যায়ালয়ৰ আদেশৰ বিপৰীতে উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনোৱা হয় আৰু উচ্চতম ন্যায়ালয়ে অন্তৰ্বৰ্তীকালীন নিৰ্দ্দেশ ক্ৰমে ১৯৮৬ চনৰ পৰা ১৯৮৮ চনৰ ভিতৰত খালি থকা পদত মেধা ভিত্তিত শুদ্ধ প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰি তদৰ্থ ভিত্তিত নিযুক্তি দিবলৈ নিৰ্দ্দেশ দিয়ে।

গ) অনুসন্ধান কৰি দেখা গ'ল, ধুবুৰী মহকুমাত মুঠ ১৩ টা আৰু মাজুলী মহকুমাত ১৪ টা পদ খালি আছে আৰু সেই অনুসৰি নিযুক্তিৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

বিষয় : হাইলাকান্দিৰ গ্ৰামে ও চা-বাগানে বিদ্যুৎ সৰবৰাহ।

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰে জিজ্ঞাসা কৰছেন :

২৩০ মাননীয় শক্তি বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

ক) হাইলাকান্দি জেলায় যে সবগ্রামে ও চা বাগানে এখনো বিদ্যুৎ সরবরাহ করা হয় নাই, সেই সব গ্রামে ও চা–বাগানে কবে পর্য্যন্ত বিদ্যুৎ সরবরাহ করা হবে ?

শ্রীগোপীনাথ দাস (রাজ্যিক মন্ত্রী) উত্তর দিছেন :

ক) হাইলাকান্দি জেলায় যে সব গ্রামে এখনিও বিদ্যুৎ সর বরাহ করা হয় নাই, ঐ সব গ্রাম গুলিতে বিত্তীয় অনুদান প্রাপ্তি সাপেক্ষে পর্য্যায় ক্রমে বৈদ্যুতিকরণ করা হবে এবং বাকী থকা চাবাগান গুলিতে Deposit work র বিপরীতে বৈদ্যুতিকরণ করা হবে।

বিষয় : **ঘিলামৰাত ৬৬ কে. ভি উপ ষ্টেচন নিৰ্মাণ।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

২৩১ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ঘিলামৰাত (ঢকুৱাখানা) ৬৬ কে, ভি উপ-ষ্টেচন এটা নিৰ্মাণ কৰি থকাটো সচাঁনে ?

খ) যদি সচাঁ, উক্ত উপ–ষ্টেচনৰ নিৰ্মাণৰ কাম বৰ্ত্তমান কি পৰ্যায়ত আছে ?

গ) উপ-ষ্টেচনটোৰ নিৰ্ম্মাণ কাৰ্য্য কেতিয়া সম্পূৰ্ণ হব ?

শ্ৰীদেৱানন্দ কোৰ্বঁ (মন্ত্ৰীয়ে) উত্তৰ দিছে :

ক) হয় সচাঁ।

খ) কেবল (Cable) অৰ কাম আৰ্থিং (Earthing) (equipment) টেষ্টিং (Testing) আৰু চাৰ্জিং (Charging) অৰ বাহিৰে আন কামবোৰ সম্পূৰ্ণ হৈছে।

গ চাৰষ্টেচনটোৰ নিৰ্মাণ Erection ) কাৰ্য্য, ১৯৯৩ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত সম্পুৰ্ণ হোৱাৰ আশা আছে যদিও ধেমাজীৰ পৰা বিলাসিপাৰ ৬৬ কে, ভি লাইনৰ কাম সম্পুৰ্ণ হৈ নুঠা পৰ্য্যন্ত বিদ্যুৎ যোগান ধৰিব পৰা নাযাব।

Re : District Library at Sibsagar.

Shri Promod Gogoi asked :

232. Will the Minister of Education be pleased to State.

a) Whether land have been alloted for construction of District Library at Sibsagar town ?

b) If so, action taken for construction of the said Library building ?

Shri Golok Rajbanshi ( Minister replied.

a) Yes, land has been alloted. Possession handed over on 19th March. 1993.

b) P. W. Deptt. has already been requested to prepare the plan and Estimate for construction of the said Library building

বিষয় – ষ্টাইপেন্দাৰী প্ৰাথমিক শিক্ষকৰ পদ।

শ্ৰীমিলন বড়োই সুধিছে :

২৩৩ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰপেটা জিলাৰ বজালি মহকুমাৰ বাবে কিমানটা Stipendiary প্ৰাথমিক শিক্ষকৰ পদ চলিত ১৯৯২-৯৩ বছৰটোৰ বাবে সৃষ্টি কৰা হ'ল।

খ) উক্ত পদ কেইটাৰ ভিতৰত বড়ো মাধ্যমৰ বাবে কিমানটা পদ আছুতীয়াকৈ সৃষ্টি কৰা হৈছে ?

গ) উক্ত Stipendiary প্ৰাথমিক শিক্ষক পদৰ বাবে কি ধৰণে নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে ?

ঘ) ইতিমধ্যে কিমানজন প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ল ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে।

ক) ১৯৯২–৯৩ চনৰ বাবে কোনো পদ সৃষ্টি কৰা হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

ঘ) প্ৰশ্ন নুঠে।

## বিষয়– প্ৰাথমিক মজলীয়া বিদ্যালয় গৃহ নিৰ্মাণ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

২৩৪ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) তিনিচুকীয়া জিলাত ১৯৮৯-৯০, ৯০-৯১ আৰু ১৯৯১-৯২ বছৰত কিমানখন প্ৰাথমিক/মজলীয়া বিদ্যালয়ত গৃহ নিৰ্মান মঞ্জুৰী আবন্টন দিয়া হৈছিল ? ( খন্দ অনুযায়ী মঞ্জুৰীৰ পৰিমাণ সহ তালিকা সদনৰ মেজত দাখিল দিব ) ।

খ) একাংশ বিদ্যালয়ৰ গৃহ নিৰ্মান কাৰ্য্য এতিয়াও আধৰুৱা হৈ থকা কথা সচানে ?

গ) যদি সচা হয় এনে বিদ্যালয়ৰ সংখ্যা কিমান আৰু কেনে পৰিস্থিতিৰ বাবে কাম সম্পুৰ্ণ কৰিব পৰা নহ'ল ?

ঘ) গৃহ নিৰ্মান তদাৰক কৰা বিষয়াৰ পৰা ( খন্দ প্ৰাথমিক শিক্ষা বিষয়া/ বিদ্যালয়ৰ উপ-পৰিদৰ্শক ) এই সংক্ৰান্তত প্ৰতিবেদন বিচৰা হৈছে নেকি ?

ঙ) আধৰুৱা কাম সম্পুৰ্ণ কৰা আঁচনি চৰকাৰে যুগুতাইছে নেকি ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) (১) ১৯৮৯-৯০ চনৰ বাবে নৱম বিত্তীয় আয়োগৰ অধীনত তিনিচুকীয়া

জিলাত ৩১ খন বিদ্যালয়ক ৬০,০০০/- টকাকৈ গৃহ নিৰ্মাণ অনুদান দিয়া হয়। সমষ্টি অনুযায়ী বিদ্যালয়ৰ নামৰ তালিকা পৰিশিষ্ট 'ক' ত দিয়া হ'ল। ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনত এই আঁচনিত গৃহ নিৰ্মাণৰ অনুদান দিয়া হোৱা নাই।

( see the Annexure - III )

(২) তিনিচুকীয়া মহকুমাত ১৯৮৯-৯০ চনৰ বাবে অনুসূচীত জাতি পৰিকল্পনা আঁচনিত ৬ খন বিদ্যালয়ক ৬১০৬৫/- টকাকৈ অনুদান দিয়া হয়। বিদ্যালয় সমূহৰ তালিকা ক্ষেত্ৰ বিষয়াৰ পৰা বিচৰা হৈছে। ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনৰ বাবে উক্ত আঁচনিত গৃহ-নিৰ্মাণ অনুদান দিয়া হোৱা নাই।

(৩) অনুসূচীত জন-জাতি উপ পৰিকল্পনা আঁচনিত তিনিচুকীয়া মহকুমাত ১৯৮৯-৯০ চনৰ বাবে ৩ (তিনি) খন বিদ্যালয়ক ৬১০৬৫/ টকাকৈ গৃহ নিৰ্মাণ অনুদান দিয়া হয়। তালিকা ক্ষেত্ৰ বিষয়াৰ পৰা বিচৰা হৈছে। ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনৰ বাবে টকা দিয়া হোৱা নাই।

খ) সচাঁ।

গ) এখন। বিদ্যালয়খনৰ মাটিৰ অসুবিধাৰ বাবে বিদ্যালয় গৃহ সম্পূৰ্ণ কৰিব পৰা হোৱা নাই।

ঘ) হয়।

ঙ) ব্যৱস্থা লোৱা হব।

## বিষয় : সমবায় সমিতিৰ কৰ্মচাৰীৰ চাকৰী চৰকাৰীকৰণ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

২৩৫ মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) সমবায় সমিতিৰ কৰ্ম্মচাৰী সকলৰ চাকৰী যোৱা ২ অক্টোবৰ ১৯৯২ তাৰিখত চৰকাৰীকৰণ কৰা কথাটো সচানে ?

খ) যদি সচাঁ কৰ্ম্মচাৰীসকলৰ দৰ্মহা নিয়মীয়াকৈ দিয়া হৈছে নে ?

গ যদি হোৱা নাই নিয়মীয়া কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীনগেন নেওগ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সচাঁ নহয় ।

খ প্ৰশ্ন নুঠে ।

গ) বৰ্ত্তমানে কোনো প্ৰস্তাব হাতত নাই ।

বিষয় : **গুৱাহাটীত প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ।**

শ্ৰীহিতেশ ডেকাই সুধিছে :

২৩৬ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গুৱাহাটী মহানগৰীত মুঠতে চৰকাৰী প্ৰাক্-প্ৰাথমিক আৰু প্ৰাথমিক পৰ্য্যায়ৰ ( I ) ইংৰাজী আৰু ( II ) অসমীয়া মাধ্যমৰ মুঠতে কিমানখন শিক্ষানুষ্ঠান আছে ?
( সুকীয়া সুকীয়া তালিকা সদনৰ মেজত দাখিল কৰিব )

খ) প্ৰতিটো মাধ্যমৰ প্ৰতিটো পৰ্য্যায়ত থকা মুঠ শিক্ষাৰ্থীৰ সংখ্যা কিমান ?

গ) প্ৰতিটো মাধ্যমত একোজন শিক্ষাৰ্থীয়ে গড়ে কিমানকৈ— ( I ) ভৰ্ত্তি মাচুল আৰু ( II ) মাহিলী মাচুল আদায় দিব লাগে ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক }
খ } সবিশেষ তথ্য বিচৰা হৈছে ।
গ }

বিষয়— **প্ৰাথমিক স্কুলত বড়ো মাধ্যম ।**

শ্ৰীকমল ব্ৰহ্মাই সুধিছে :

২৩৭ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গোলাঘাট জিলাত কিমানখন প্ৰাদেশীকৃত প্ৰাইমাৰী স্কুলত বড়ো মাধ্যম প্ৰচলন কৰা হ'ল ?

খ) উক্ত জিলাৰ প্ৰাদেশীকৃত প্ৰাইমাৰী স্কুল সমূহৰ বড়ো মাধ্যমৰ বাবে শিক্ষক নিযুক্তি দিয়া হল নে ?

গ) যদি নিযুক্তি দিয়া নাই, চৰকাৰে এই ক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰিছে ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) গোলাঘাট জিলাত কোনো প্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয়ত বড়ো মাধ্যম প্ৰচলন কৰা হোৱা নাই ।

খ) প্ৰশ্ন নুঠে ।

গ. প্ৰশ্ন নুঠে ।

বিষয় : শিক্ষকৰ পদৰ সৃষ্টি ।

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

২৩৮ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯১–৯২, ১৯৯২–৯৩ ইং চনত কিমানটা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ পদ সৃষ্টি কৰা হৈছিল আৰু তাৰে কিমান TSP & SCCP ৰ বাবে সংৰক্ষণ কৰা হৈছিল ?

খ নলবাৰী জিলাত TSP ৰ পদ কিমানটা দিয়া হৈছিল ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৯১-৯২ চনত মুঠতে ১০৬০৬ টা ।
ইয়াৰ ভিতৰত TSP ৰ বাবে ১৮৮২ টা SCCP ৰ বাবে ৬৯১ টা
১৯৯২-৯৩ চনৰ বাবে সম্প্ৰতি পদ সৃষ্টি কৰা হোৱা নাই ।

খ) ১৯৯১-৯২ চনত ১৪৭ টা ।

বিষয় : বৃত্তিমুখী শিক্ষকৰ সংখ্যা

শ্রীহিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে :

২৩৯ মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) অসমৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত বৃত্তিধাৰী বিভাগত কাম কৰা অংশকালীন শিক্ষকৰ বৰ্ত্তমান মুঠ সংখ্যা কিমান ?

খ) এই শিক্ষক সকলে বৰ্ত্তমানে পাই থকা মাহিলী বেতনৰ পৰিমান কি ?

গ) এই শিক্ষক সকলৰ চাকৰি নিয়মীয়া কৰা সম্পৰ্কে চৰকাৰে বৰ্ত্তমান কি ব্যৱস্থা হাতত লৈছে ?

শ্রীগৌতম বৰা ( ৰাজ্যিক মন্ত্রী ) য়ে উত্তৰ দিছে :

ক) বৃত্তিমুখী বিভাগত কাম কৰি থকা অংশকালীন শিক্ষকৰ মুঠ সংখ্যা বৰ্ত্তমান ১৮৮ ।

খ) অংশকালীন শিক্ষক সকলৰ মাহিলী নিৰ্দ্ধাৰিত পাৰিতোষিক ৭৫০ টকা।

গ) প্রয়োজনীয় শিক্ষাগত অহৰ্তা সম্পন্ন তথা যোগ্যতাৰ ভিত্তিত অংশকালীন শিক্ষক সকলৰ চাকৰি ৰাজ্যিক বাচনি পৰিষদৰ জৰীয়তে নিয়মীয়া কৰণৰ ব্যৱস্থা আছে ।

বিষয় ; সিংলা নদীর ভংগনেরফলে বিপদের সম্মুখীন ।

শ্রীরামপ্যারি রবিদাসে জিজ্ঞাসা করছেন :

২৪০ মাননীয় বন্যানিয়ন্ত্রন মন্ত্রী মহোদয়ে অনুগ্রহ করি জানাবেন কি ?

ক গত কয়েক বৎসরের বন্যায় রাতা বাড়ী সমষ্টির নিভিয়া বাজার, তুর্ল্ভছড়া বাজার এবং আনিপুর বাজার সিংলা নদীর তীর ভাংগনের ফলে কয়েক হাজার পরিবার বিপদের সন্মুখীন এই ব্যাপারে সরকার অবগত আছেন কি ?

খ) যদি অবগত থাকেন তবে উক্ত জায়গা গুলোর বন্যায় ভাংগা রোধ করার ব্যাপারে সরকার কি পদক্ষেপ গ্রহণ করছেন ?

শ্রীহরেন ভূমিজ ( মন্ত্রী ) য়ে উত্তর দিছেন :

ক) হাঁ সরকার অবগত ।

খ) বর্ত্তমান বিত্তীয় অভাবের জন্য প্রতিরোধ ব্যবস্থা গ্রহণ করা সম্ভব হয় নাই ।

## বিষয়— নিয়ম বহিৰ্ভূত বিলৰ টকা মকুব কৰাৰ ব্যৱস্থা।

শ্ৰীনজমুল হকে সুধিছে :

২৪১ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বিদ্যুত পৰিষদে গাওঁ অঞ্চলত বৈদ্যুতিক বিল Point System ৰ পৰিবৰ্ত্তে মিটাৰ System ৰ ব্যৱস্থা কৰা হবনে ?

**উত্তৰ :**

শ্ৰীগোপী নাথ দাস ( ৰাজিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) কোনো এখন গাঁৱত বিদ্যুত গ্ৰাহকৰ সংখ্যা ৩০০ ৰ অধিক নহলে গ্ৰাহকৰ ঘৰত মিটাৰ যোগান ধৰাটো আৰ্থিক দিশৰ পৰা গ্ৰহনযোগ্য নহয়। তথাপিও নতুনকৈ বিদ্যুত সংযোগ কৰোতে গাঁৱৰ বিদ্যুত গ্ৰাহকৰ ঘৰত Point System ৰ পৰিবৰ্ত্তে মিটাৰ System প্ৰৱৰ্ত্তন কৰা বিষয়টো পৰিষদৰ বিবেচনাধীন হৈ আছে।

## বিষয় : শিক্ষা প্ৰতিষ্ঠানৰ কমিটি।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

২৪২ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

বিধান সভা সমষ্টি পৰ্য্যায়ত বিভিন্ন স্তৰৰ শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্য্যবাহী সমিতি সমূহ গঠণ কৰাৰ ক্ষেত্ৰত মন্ত্ৰী বা বিধায়ক সকলক কিবা ক্ষমতা প্ৰদান কৰা হৈছে নেকি ?

শ্ৰীগৌতম বৰা ( ৰাজিক মন্ত্ৰী ) য়ে উত্তৰ দিছে।

হোৱা নাই।

## বিষয় : পকী দলং— গাৰুখুন্দা বান্ধ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

২৪৩ মাননীয় বানানিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) নগাওঁ জিলাৰ অন্তৰ্গত কপিলি নদীৰ দক্ষিণ পাৰে অৱস্থিত কামপুৰ পকী দলংৰ পৰা গাৰুখুন্দালৈ থকা বান্ধটোৰ কিমান ঠাইত গৰাখহনীয়া হৈ আছে চৰকাৰে জানেনে ?

খ) যদি জানে বৰ্ত্তমান চৰকাৰে খহনীয়াৰ প্ৰতিৰোধৰ কি ব্যৱস্থা লৈছে ?

**উত্তৰ**

শ্ৰীহৰেণ ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, জানে। প্ৰধানকৈ তিনি ঠাইত গৰাখহনীয়া হৈ আছে।

খ) কেন্দ্ৰীয় জল আয়োগৰ বিধি অনুসৰি খহনীয়া প্ৰতিৰোধ আঁচনি প্ৰস্তুত কৰি থকা হৈছে।

**ৰিষয় : বিদ্যুত পৰিষদক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰিত কৰণ।**

শ্ৰীযতীন মালীয়ে সুধিছে :

২৪৪ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গুৱাহাটীৰ গ্ৰাহক সুৰক্ষা সংস্থাই বিদ্যুৎ পৰিষদক ব্যক্তিগত খন্দলৈ হস্তান্তৰিত কৰা সম্পৰ্কত এক বিস্তৃত ৰাজহুৱা বিতৰ্কৰ প্ৰয়োজন আছে বুলি চৰকাৰক পৰামৰ্শ দিয়াতো সচাঁনে ?

খ) যদি সচাঁ, চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে ?

গ) বিদ্যুৎ পৰিষদক জাপানৰ এটা ব্যক্তিগত প্ৰতিষ্ঠানৰ হাতত তুলি দিয়াৰ সিদ্ধান্ত লৈ কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা বুলি ওলোৱা কথাটো সচাঁনে ?

শ্ৰীদেৱানন্দ কোৱঁৰ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সচাঁ নহয়।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

বিষয় : Recognition of Venture M. E. School.

শ্ৰীপ্ৰণব কুমাৰ নাথে জিজ্ঞাসা করছেন :

২৪৫ মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

১৯৯১-৯২ বিত্তীয় বছরে সমগ্র আসামে সর্ব্বমোট কয়টি Venture M. E. School recognition দিয়েছেন এবং কয়টি প্রাদেশীকরণ করেছেন ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৯৯১-৯২ বিত্তীয় বছৰত স্বীকৃতি পোৱা মধ্য ইংৰাজী বিদ্যালয় / মাদ্ৰাছা ৫১৫ খন। উক্ত বিত্তীয় বছৰত ১২৫৫ খন মধ্য ইংৰাজী বিদ্যালয় / মাদ্ৰাছা প্ৰাদেশীকৰণ কৰা হয়।

Re- Erosion of Burideihing River.

Shri Sashakamal Handique asked.

246 Will the Minister of Flood Control be pleased to state.

a) Whether the Government is aware of the fact that there are severe erosion in the bank of Buridehing at Uriumguri and Amguri village of Dibrugarh District ?

b) If so what steps have been taken by the Government to prevent the erosion ?

Shri Haren Bhumij ( Minister ) replied :

a) Yes, Government are aware of the problem,

b) One project report for protection of Uriumguri against erosion of Buridehing at an estimate cost of Rs. 342·00 ( Rupees three hundred & forty two ) lakhs only has already been prepared and submitted to Central water Commission for their recommendation to planning Commission, Government of India,

Anti erosion works at Amguri at an estimated cost of Rs. 56·02 ( Rupees fifty six lakhs & two thousand ) only have already been taken up and the works are in progress.

Re : Allotment of Paraffin wax.

Shri Samarendra Nath Sen. asked :

247. Will the Minister of Industries be pleased to state :

a) Whether there was any inquiry held in 1990-91 for irregularities in the allotment of paraffin wax under D. I. C. Silchar ?

b) If so who was the inquiring Officer ?

c) What is the result of the said inquiry ?

Shri Bijit Saikia ( Minister ) replied :

a) No inquiry for irregularities in the allotment of paraffin wax under District Industries Centre, Silchar was held,

b) Does not arise.

c) Does not arise,

বিষয় : ৰহা জ্বালী বান্ধ।

শ্ৰীমুনিন মহন্তই সুধিছে :

২৪৮ মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) মৰিগাওঁ জিলাৰ অন্তৰ্গত কলঙৰ বানপানীৰ পৰা ৰক্ষা কৰি থকা ৰহা জ্বালী বান্ধটোৰ দুৰৱস্থা সম্পৰ্কে চৰকাৰ অৱগতনে ?

খ) উক্ত বান্ধটো নিৰ্মাণৰ পৰা 'জমি থকা পানী উলিয়াই দিবৰ বাবে' কিমানবাৰ বৰ্ত্তমানলৈকে কাটি দিব লগা হৈছে ?

গ) উক্ত কটা অংশ সমূহ মেৰামতিৰ বাবে বৰ্ত্তমানলৈকে কিমান টকা খৰছ কৰা হৈছে ? (হিচাবটো বছৰ হিচাবত সদনৰ মেজত দাখিল কৰিব)

ঘ) কলঙৰ দক্ষিণ পাৰে উক্ত বান্ধটো নিৰ্মাণ নকৰাৰ কাৰণ কি কি ?

ঙ) কলঙৰ দক্ষিণ পাৰৰ ৰাইজৰ সুবিধাৰ্থে বান্ধটো নিৰ্মাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয় চৰকাৰ অৱগত।

খ) জমি থকা পানী উলিয়াই দিবলৈ প্ৰত্যেক বছৰে বিভিন্ন অংশত স্থানীয় ৰাইজে মুঠ ২২ বাৰ কাটি দিয়ে।

গ) উক্ত কটা অংশ সমূহত মেৰামতিৰ বাবে হোৱা খৰছৰ এখন খতিয়ান লগত গাঠি দিয়া হ'ল।

( See the Annexure IV )

ঘ) ১৯৭৭ চনত কৰা হিচাব মতে ব্যয়ৰ তুলনাত লাভৰ পৰিমান অতি নগন্য হোৱা বাবে আঁচনিখন লব পৰা হোৱা নাছিল।

ঙ) আৰ্থিক অৱস্থা উন্নত হলে চৰকাৰে ব্যৱস্থা লবলৈ চিন্তা কৰি চাব।

বিষয় : ডিফু চৰকাৰী মহাবিদ্যালয়ত চৰকাৰী অনুদান

শ্ৰীদীপেন্দ্ৰ বংপিয়ে সুধিছে :

২৪৯ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ডিফু চৰকাৰী মহাবিদ্যালয়খন উন্নয়নৰ বাবে চৰকাৰে অনুদান দিয়াৰ প্ৰতিশ্ৰুতি দিয়াৰ কথাটো সত্য নে ?

খ) যদি হয়, কিমান পৰিমানৰ অনুদান দিয়াৰ কথা আছিল ?

গ) আৰু কোনটো বিত্তীয় বছৰৰ পৰা ধন আদায় দিয়া হব ?

উত্তৰ

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

ক) সত্য ।

খ মুঠ ৫১,১৬,৫০০'০০ টকা ।

গ) ১৯৯২-৯৩ বাৰ্ষিক বছৰত ৬ লাখ টকাৰ অনুদান দিয়া হৈছে ।

## বিষয় : নিম্ন মহাবিদ্যালয়

শ্ৰীসুৰেন্দ্ৰ স্বৰ্গীয়াৰীয়ে সুধিছে :

২৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) নলবাৰী জিলাৰ উত্তৰ প্ৰান্তত পিচপৰা জনজাতি অঞ্চলত স্থাপিত "জ্ঞানপীঠ মহাবিদ্যালয়" নিকাচী খনকো চৰকাৰীকৰণৰ বাবে চৰকাৰৰ ওচৰত আবেদন কৰাটো সচানে ?

খ) যদিহে সচা, আবেদন মৰ্মে পিচপৰা জনজাতিয় অঞ্চলৰ মহাবিদ্যালয় হিচাবে চৰকাৰীকৰণ কৰাত অগ্ৰাধিকাৰদি চৰকাৰীকৰণ কৰিবনে ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সচা ।

খ) এনে কোনো আচনি লোৱা হোৱা নাই ।

## বিষয় : কলেজ শিক্ষক সন্থাৰ দাবী

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে :

২৫১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৮৬ চনৰ পাছত অসমৰ কলেজ শিক্ষক সন্থাই উৎথাপন কৰা দাবী সমূহ কি আছিল আৰু ইয়াৰ কিমানটা দাবী পুৰণ কৰা হ'ল ।

খ) বৰ্ত্তমান উৎথাপন কৰা দাবী সমূহ কি কি আৰু এই দাবী সমূহ সমাধানৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ?

উত্তৰ

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৮৬ চনৰ পৰা সদৌ অসম কলেজ শিক্ষক সন্থাই উৎথাপন কৰি অহা মুল দাবী সমূহ তলত উল্লেখ কৰা হ'ল ।

১) ১৯৮৬ চনৰ জানুৱাৰী মাহৰ পৰা বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে প্ৰৱৰ্ত্তন কৰা কলেজ শিক্ষকৰ দৰমহা ৰূপায়ন কৰা ।

২) ১৯৮৬ চনৰ জানুৱাৰী মাহৰ পৰা বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে নিৰ্দ্ধাৰণ কৰা Senior scale আৰু Selection grade scale প্ৰৱৰ্ত্তন কৰা ।

৩) বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে পূৰ্ব্বতে নিৰ্দ্ধাৰণ কৰা অৰ্হতা প্ৰাপ্ত শিক্ষক সকলৰ নিযুক্তিৰ অনুমোদন দিয়া ।

৪) অতিৰিক্ত পদ সৃষ্টি কৰা ।

৫) দৰমহা নিয়মীয়া কৰা ।

৬। ৰাজ্যিক বাচনি পৰিষদৰ কাৰ্য্য ব্যৱস্থা বাহাল ৰখা ।

৭) বৰ্দ্ধিত হাৰত চিকিৎসা বানচ দিয়াৰ ব্যৱস্থা কৰা ।

৮) মহাবিদ্যালয় পৰিচালনা সমিতি গঠন ।

৯) অৱসৰ প্ৰাপ্ত শিক্ষক কৰ্ম্মচাৰীক Gratuity দিয়াৰ ব্যৱস্থা কৰা ।

১০) C: P. F. & Misc. provisions Act, 1952 ৰূপায়ন কৰা ।

১১) উপাধ্যক্ষ আৰু বিভাগীয় মুৰব্বী সকলৰ ভাট্টা বৃদ্ধিকৰণ ।

১২) Shift allowance বৃদ্ধি কৰা ।

১৩) শিক্ষক সকলৰ চাকৰীৰ ধাৰাবাহিকতা ৰক্ষা কৰা ।

১৪) Service Security Act. প্ৰৱৰ্ত্তন কৰা ।

১৫) Assam Medical Attendance Rule 1976 ৰূপায়ন কৰা ।

১৬) স্নাতক পৰ্য্যায়ৰ মহাবিদ্যালয়ৰ পৰা +২ পৰ্য্যায়ৰ পাঠ্যক্ৰম তথা শ্ৰেণী সমূহ পৃথকীকৰণ ।

১৭) উচ্চ শিক্ষাধিকৰ্ত্তা কাৰ্য্যালয়ক বিকেন্দ্ৰকৰণ কৰা ।

১৮। মহাবিদ্যালয় বোৰলৈ এককালীন মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰা ।

উক্ত দাবী সমূহৰ ওপৰত চৰকাৰে লোৱা কাৰ্য্য ব্যৱস্থা :

ওপৰোক্ত (ক) অংশত উল্লেখ কৰা দাবী সমূহৰ ভিতৰত চৰকাৰে ক্ৰমিক নং ১ৰ পৰা ৯ত সন্নিৱিষ্ট কৰা দাবী সমূহৰ ক্ষেত্ৰত মূলতঃ ইতিবাচক সিদ্ধান্ত লৈছে ।

Selection Grade Scale ৰ সম্পৰ্কত চৰকাৰে গঠন কৰি দিয়া Selection Committee ৰ দ্বাৰা অনুমোদিত শিক্ষকৰ তালিকাখন চৰকাৰে পাইছে আৰু শিক্ষক সকলৰ উপযুক্ততাৰ ভিত্তিত Selection Grade Seale লৈ পদোন্নতি দিয়াৰ ব্যৱস্থা পুঁজি সাপেক্ষে বিবেচনা কৰা হৈছে।

(ক) অংশত উল্লেখ কৰা ক্ৰমিক নং ১০ৰ পৰা ১৮ লৈ দাবী সমূহ চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

খ) সন্থাৰ বৰ্ত্তমান উৎথাপিত দাবী সমূহ হ'ল :

১) ১৯৮৬ চনৰ জানুৱাৰী মাহৰ পৰা ৰূপায়ন কৰিব লগা Selection Grade Scale ( Rs. 3700/- - 5,700/- )

২) C. P. F` & Misc Provision Act-1952.

৩) Service Security Rule প্ৰৱৰ্ত্তন কৰা।

৪) ১৯৮৭ চনৰ পৰা পাব লগা বকেয়া ধন আদায় দিয়া।

৫) সাহাৰ্য্য মঞ্জুৰী নিয়মিত ভাবে দিয়াৰ ব্যৱস্থা কৰা।

৬) গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় আইন সমূহ Amend কৰা। উক্ত দাবী সমূহৰ ভিতৰত ক্ৰমিক নং— ১ৰ পৰা ৩ লৈ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

৭) চৰকাৰৰ পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

৮) গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ কৰি বিশ্ববিদ্যালয় আইন সমূহ প্ৰয়োজন সাপেক্ষে সংশোধনৰ ব্যৱস্থা লোৱা হব।

## বিষয় : পৰিদৰ্শক কাৰ্য্যালয় স্থাপন

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

২৫২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ধেমাজি জিলাত বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্য্যালয় স্থাপনৰ ক্ষেত্ৰত চৰকাৰে কি সিদ্ধান্ত গ্ৰহণ কৰিছে ?

খ) বৰ্ত্তমানৰ চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত জিলাখনৰ জৰাজীৰ্ণ প্ৰাথমিক বিদ্যালয় মজলীয়া বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়, মাধ্যমিক বিদ্যালয় তথা মহাবিদ্যালয় সমূহ পকীকৰণৰ ক্ষেত্ৰত চৰকাৰে আচনি অনুসৰি কিমান টকা ব্যয় কৰিলে আৰু কিমানটা অনুষ্ঠানক বিত্তীয় সাহাৰ্য্য আগবঢ়ালে ?

গ) ধেমাজি জিলাৰ বিদ্যালয় সমূহ প্ৰাদেশীকৰণ কৰাৰ বাবে বৰ্ত্তমানৰ চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে ?

ঘ) জিলা সদৰৰ ল'ৰা আৰু ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় দুখন চৰকাৰে এই বিত্তীয় বছৰতে চৰকাৰীকৰণ কৰাৰ আচনি লৈছে নেকি ?

শ্ৰীগৌতম ৰয় ( বাণিজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) শিক্ষা বিভাগে পৰিদৰ্শকৰ কাৰ্য্যালয় ধেমাজীৰ পৰা কাৰ্য্য নিৰ্ব্বাহ কৰাৰ বাবে নিৰ্দ্দেশ দিছে ।

খ) ২৬ খন মজলীয়া আৰু প্ৰাথমিক বিদ্যালয়ক মুঠতে ১৫ লাখ ৬০ হাজাৰ টকা ।

গ) প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত ৩৮ খন প্ৰাইমাৰী আৰু ৪৭ খন মজলীয়া বিদ্যালয়ৰ শিক্ষকৰ পদ প্ৰাদেশীকৰণ কৰা হৈছে ।

উচ্চ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত ১৯৮৫ চনৰ পৰা ১৯৮৭ চনলৈ অসম মাধ্যমিক শিক্ষা পৰিষদৰ পৰা স্বীকৃতি পোৱা আটাইবোৰ বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীৰ চাকৰি প্ৰাদেশীকৰণ কৰা হৈছে ।

ঘ) বৰ্ত্তমানলৈকে কোনো আচনি লোৱা হোৱা নাই ।

## বিষয় : সাক্ষাৎকাৰ প্ৰাৰ্থীৰ সংখ্যা

শ্ৰীবদন বৰুৱাই সুধিছে :

২৫৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা ১৯৯২ চনত চৰকাৰৰ শিক্ষা বিভাগে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক বাছনিৰ বাবে কামৰূপ জিলাৰ ঠায়ে ঠায়ে লোৱা সাক্ষাৎকাৰত মুঠতে কিমান প্ৰাৰ্থীয়ে সাক্ষাৎকাৰ দিছিল ?

খ) সাক্ষাৎকাৰ লোৱা সকলক প্ৰাৰ্থী বাছনি কৰিবলৈ কিবা চৰকাৰী নিৰ্দ্দেশনা দিয়া আছিল নেকি ?

গ) যদি আছিল, সেই নিৰ্দ্দেশনা কি কি ?

ঘ) কামৰূপ জিলাত এতিয়ালৈ ( সাক্ষাৎকাৰ লোৱাৰ পাছত ) কিমান গৰাকীক নিযুক্তি দিয়া হ'ল ?

ঙ) নিযুক্তি দিয়া লোক সকলৰ কিমান গৰাকী হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত পাছ কৰা ।

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ২৬, ৯৯৭ জন ।

খ) আছিল ।

গ) নিৰ্দ্দেশনাৰ প্ৰতিলিপি গাঠি দিয়া হ'ল ।
( See the Annexure—V )

ঘ) ১৩৩ গৰাকীক ।

ঙ) এজনো নাই ।

Shri Promode Gogoi asked :

Re : Compensatory Allowance.

254. Will the Minister, Education be pleased to state :

a) Whether it is a fact that the Compensatory Allowance payable to the Employees of Aided Colleges under deficit system within Lakhimpur & Dhemaji Districts have not been paid since 1985 ?

b) If so, when the said allowance would be released ?

Shri Golok Rajbongshi ( Minister ) replied :

a) Yes.

b) It will depend on availability of funds.

Re : Soumar Vidyapeeth.

Sri Rameswar Dhanowar asked :

255 Will the Minister of Education be please to state :

a) Whether the Govt. is aware that Soumar Vidyapeeth is the only Assamese Medium H. S. School in Digboi Town ?

b) Whether it is a fact that Government has not taken any step to meet the requirement of additional teachers ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয় ।

খ, এইটো স'চা নহয় । অতিৰিক্ত পদৰ বাবে কোনো প্ৰস্তাৱ অদ্যপৰিমিত পোৱা নাই ।

## বিষয় ঃ ত্ৰৰাবিহীন প্ৰশ্ন নম্বৰ ৩৫২

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

২৫৬ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) যোৱা ২২/১২/৯২ তাৰিখত তৰাবিহীন প্ৰশ্ন নং—৩৫২ ৰ (গ) প্ৰশ্নৰ উত্তৰ "তদন্ত কৰি যোগ্যতা / অৰ্হতা সম্পন্ন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পৰা নিয়োগ কৰাৰ বাবে বিবেচনা কৰা হব" বুলি দিয়া আশ্বাসৰ পৰিপ্ৰেক্ষিতত চৰকাৰে কি ব্যৱস্থা লৈছে ?

খ) যদি এতিয়ালৈকে লোৱা হোৱা নাই তাৰ কাৰণ কি ?

গ) কিমান দিনৰ ভিতৰত ব্যৱস্থা কৰা হব ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) } তদন্ত কৰা হৈছে। উল্লেখ কৰা হ'ল যে নিয়োগৰ ব্যৱস্থা চৰকাৰে বন্ধ কৰি
খ) } থোৱাৰ কাৰণে দিব পৰা হোৱা নাছিল।

গ) সোনকালে ব্যৱস্থা লোৱা হব।

## বিষয় : গংগাধৰ নদীৰ গড়াখহনীয়া আঁচনিৰ মঞ্জুৰী সম্পৰ্কে

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

২৫৭ মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গোলোকগঞ্জ সমষ্টিৰ গংগাধৰ নৈৰ গড়াখহনীয়া ৰোধ কৰাৰ বাবে চৰকাৰে কিমানটা আঁচনি কাৰ্য্যকৰী কৰাৰ বাবে ধন মঞ্জুৰী দিছে ?

খ) ধন মঞ্জুৰী নোহোৱা বা আংশিককৈ পোৱা আঁচনিৰ সংখ্যা কিমান ?

গ) চলিত বছৰত গড়াখহনীয়া ৰোধ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

শ্ৰীহৰেন ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) গোলোকগঞ্জ সমষ্টিৰ গংগাধৰ নৈৰ গড়াখহনীয়া ৰোধ কৰাৰ বাবে চৰকাৰে আজিলৈকে ৮ ( আঠ ) টা আঁচনি মূল শিতানত ( Original Head ) ১৮ ( ওঠৰ ) টা আঁচনি বান বিধ্বস্ত মেৰামতি শিতানত ( F. D. R. Head ) মঞ্জুৰী দিছে আৰু উক্ত কামবোৰ সম্পূৰ্ণ কৰা হৈছে।

খ) ধন মঞ্জুৰী ( আৱন্টন ) নোপোৱা আঁচনিৰ সংখ্যা ( ৫ পাচ ) টা আৰু আংশিক ভাৱে পোৱা আঁচনিৰ সংখ্যা ১ ( এটা )।

গ) চলিত বছৰত ( ১৯৯২-৯৩ ) চনত বান বিধ্বস্ত মেৰামতি শিতানত ( F. D. R. Head ) ৩ ( তিনি ) টা আঁচনি হাতত লৈ কাম সম্পূৰ্ণ কৰা হৈছে। মূল শিতানত ( Original Head ) ১ ( এটা ) আঁচনি মঞ্জুৰ হৈছে। সেই আচনিৰ বাবে পোৱা আংশিক ধনৰ পৰিমাণৰ কাম সম্পূৰ্ণ হৈছে।

## বিষয় : দক্ষিন সৰুবংশৰ সমবায় সমিতি

শ্ৰীযতীন মালীয়ে সুধিছে :

২৫৮ মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত দক্ষিণ সৰুবংশৰ গাওঁ পঞ্চায়ত সমবায় সমিতিলৈ ১৯৯১ চনৰ ৯ আগষ্টৰ পৰা বৰ্ত্তমানলৈকে কি কি সামগ্ৰী জনসাধাৰণক দি আহিছে ?

খ) সমিতিখনে ৯ আগষ্ট ১৯৯১ ৰ পৰা বৰ্ত্তমানলৈ প্ৰতিমাহে আটা আৰু কেৰাচিন কিমানকৈ কিনিছে ?

গ) উক্ত সংগৃহীত আটা আৰু কেৰাচিন কোন কোন এলেকাত কোন কোন গ্ৰাহকক বিতৰণ কৰিছে ? ( বিতং তালিকা সদনৰ মেজত দাখিল কৰিব )

শ্ৰীনগেন নেওগ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সমিতিখনে নিয়ন্ত্ৰিত সামগ্ৰী যেনে চাউল, চেনী, আটা, কেৰাচিন তেল, শিশুখাদ্য আৰু জনতা কাপোৰ বিতৰণ কৰি আছে। তাৰোপৰি গ্ৰাহকৰ চাহিদা অনুযায়ী অন্যান্য সামগ্ৰী যেনে খোৱা তেল, দাইল, চাবোন, অনিয়ন্ত্ৰিত কাপোৰ আদিও বিক্ৰী কৰি আছে।

খ) সমিতিৰ নথি অনুসৰি সমিতিখনে উক্ত সময়ছোৱাত তলত উল্লেখ কৰা পৰিমাণৰ আটা আৰু কেৰাচিন কিনিছে—

| | | পৰিমাণ | মূল্য |
|---|---|---|---|
| ১) | আটা— | ৩৮০ বেগ | ১৫:৫১৬'০০ টকা |
| ২) | কেৰাচিন— | ৩,০৭ ৪০০ লিটাৰ | ৭,০৪,২১১'০০ টকা |

বিতং তালিকা নিচান 'ক' ত দিয়া হৈছে।

( See the Annexure— VI )

গ) সমিতিৰ এলেকাৰ আটাইকেইখন গাওঁত সমিতিৰ দ্বাৰা নিয়োজিত আৰু যোগান বিভাগৰ দ্বাৰা অনুজ্ঞাপত্ৰ পোৱা ৫০ জন এজেন্ট আৰু সমিতিৰ এটা খুচুৰা

বিক্ৰী কেন্দ্ৰৰ জৰিয়তে উক্ত সামগ্ৰী সমূহ বিতৰণ কৰি থকা হৈছে। বিতং বিৱৰণ তালিকাসহ নিচান 'খ'ত সন্নিবিষ্ট কৰা হৈছে।

( See the Annexure— VII )

বিষয় : Letter No. 58/3 dtd. 20th July 1992

শ্ৰীপ্ৰণৱ কুমাৰ নাথে জিজ্ঞাসা করচেন :

২৫৯। মাননীয় শিক্ষা বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়া জানাবেন কি ?

ক) D. I. of School, Karimganj কাৰ্য্যালয় থেকে Letter No. 5?/3 dtd, Karimganj, the 20 th July, 1992 ইং Dist. Elementary Education Officer, Karimganj কে প্ৰদত্ত পত্ৰের মৰ্মানুযায়ী D, E. E. O, Karimganj কি কি কাৰ্য্যকৰী পদক্ষেপ নিয়েছেন ?

খ) D, I. of Schools, Karimganj কাৰ্য্যালয় থেকে Letter No. 5764-68 dtd. Karimganj, 17th August, 1992 ইং। The Block Elementary Education officer ( All ) কে প্ৰদত্ত এবং Ref. No. 5400-421 dt. 28-7-92 অনুযায়ী কি কি কাৰ্য্যকরী পদক্ষেপ নেওয়া হয়েছে ?

গ) যদি নেওয়া না হয় তবে কেন ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) }
খ) } তথ্য বিচৰা হৈছে।

গ) তথ্য পালে সদনত দাখিল কৰা হব।

## বিষয় : শিক্ষক নিযুক্তি

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

২৬০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে :

১৯৯১-৯২ চনত প্ৰাথমিক শিক্ষা বিভাগত দিয়া শিক্ষক নিযুক্তিৰ মুঠ সংখ্যা কিমান ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

বিভাগীয় মহকুমা আৰু জিলা বিষয়া সকলৰ পৰা প্ৰকৃত তথ্য বিচৰা হৈছে। তথ্য পালে সদনত দাখিল কৰা হ'ব।

Re : Approval of Schemes for Cachar District.

Shri Samarendra Nath Sen, asked :

261. Will the Minister, Flood Control be pleased to state :

a) Whether it is a fact that 21 ( twenty one ) number of schemes have been approved by the Government after collapse of Dungripar in Cachar District ?

b) Whether it is a fact that unless those schemes are immediately implemented Cachar District would face serious flood in coming rainy season ?

c If so, when these schemes would start ?

শ্ৰীহৰেণ ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ডুংরিপারে বরাক নদী লঘু পরিসরে ( Short Circuit ) গতি করার ফলে উদ্ভব হতে পারা পরিস্থিতির মোকাবেলার জন্য সে জায়গার পশ্চাতে প্রয়োজনীয় ৩৩ ( তেত্রিশ টা স্কীম ( প্রশ্নেউল্লেখিত ২১ টা নয় ) কাছাড় কারিগরী উপদেষ্টা সমিতি ইহার ২৩ নং সভাই অনুমোদন দিয়েছে।

খ) এই স্কীম সমূহের কিছু সংখ্যক স্কীম রূপায়িত না হলে আগন্তক বণ্যায় কাছাড় জেলায় যথেষ্ট ক্ষতিগ্রস্ত হওয়ার সম্ভাবনা রয়েছে।

গ) স্কীম সমূহ রূপায়ন বিত্তীয় অবস্থার উপর নির্ভর করেছে।

বিষয় : উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ ঃ

শ্ৰীমুনিন মহন্তই সুধিছে :

২৬২ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰাজ্যখনত যোৱা বছৰত উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা বিদ্যালয়ৰ সংখ্যা কিমান ?

( জিলা ভিত্তিত লিষ্ট সদনৰ মেজত দাখিল কৰিব

খ এই বিদ্যালয় সমূহ নিৰ্বাচন কৰোতে কি নীতি গ্ৰহণ কৰা হৈছিল ?

শ্ৰীগৌতম ৰৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ১১৯ খন ।

( তালিকা দাখিল কৰা হ'ল )

( see the annexure—VIII )

খ) প্ৰয়োজনীয়তাৰ ভিত্তিত ।

SUB : P. G. CLASS AT DIPHU GOVT. COLLEGE :

Shri Dipendra Rongpi asked :

263 Will the Minister of Education be pleased to state :

a) Whether there was a proposal from Govt. of Assam to introduce P. G. Classes at Diphu Govt. College ?

b) If so, what steps have been taken so far by the Govt. to start the classes ?

Shri Golok Chandra Rajbongshi ( Minister ) replied :

a) Yes.

b) The matter is now with the Gauhati University for grant of permission.

বিষয় ঃ বিদ্যুৎ শক্তিৰ চাহিদা ঃ

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

২৬৪ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বৰ্ত্তমান অসমৰ গ্ৰাহক ৰাইজৰ বাবে কিমান বিদ্যুৎ শক্তিৰ প্ৰয়োজন ?

খ) অসমৰ কোন কোন জিলাৰ বিশেষকৈ ধেমাজি জিলাত কিমান মেগাৱাট শক্তিৰ প্ৰয়োজন আৰু বৰ্ত্তমান ধেমাজি জিলালৈ কিমান মেগাৱাট বিদ্যুৎ যোগান ধৰা হৈছে ?

শ্ৰীদেবানন্দ কোঁৱৰ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) শীৰ্ষ সময় ছোৱাত ৪০৭ মেগাৱাট আৰু বাকী সময়ত ২৮০ মেগাৱাট ।

খ) অসমত বিদ্যুৎ শক্তি অতিৰিক্ত উচ্চ ভল্টেজৰ লাইনৰ যোগেদি চাব ষ্টেচন সমূহলৈ প্ৰবাহিত কৰা হয়। চাব ষ্টেচন সমূহে অতিৰিক্ত উচ্চ ভল্টেজক ৩৩ কে, ভি আৰু ১১ কে, ভিলৈ ৰূপান্তৰিত কৰে। ৩৩ কে, ভি আৰু ১১ কেভি লাইনবোৰ একোখন জিলাৰ চাৰিসীমাৰ ভিতৰতে আবদ্ধ নাথাকে সেয়ে জিলা ভিত্তিত বিদ্যুতৰ চাহিদা উলিওৱাটো সম্ভৱ নহয়।

ধেমাজি জিলাত উত্তৰ লক্ষীমপুৰ ধেমাজি প্ৰবহন লাইনৰ পৰা ধেমাজি চাব ষ্টেচনৰ যোগেদি বিদ্যুৎ যোগান ধৰা হয়। ধেমাজি চাব ষ্টেচনৰ শীৰ্ষ সময়ৰ সৰ্ব্বোচ্চ চাহিদা হৈছে ২.২ মেগাৱাট। যোৱা সাদিনৰ যোগান ধৰা বিদ্যুৎ শক্তিৰ তালিকা পৰিশিষ্ট 'ক' ত গাঠি দিয়া হল।

( see the Annexure— IX )

বিষয়ঃ **স্বীকৃতি প্ৰাপ্ত কণিষ্ঠ মহাবিদ্যালয়ঃ**

শ্ৰীহিতেশ ডেকা } য়ে সুধিছেঃ
শ্ৰীবিনোদ গোৱালা }

২৬৫ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ৰাজ্যখনত চৰকাৰী স্বীকৃতি লাভ কৰা মুঠতে কিমানখন কণিষ্ঠ মহাবিদ্যালয় ( Junior College ) আছে ?

খ) কণিষ্ঠ মহাবিদ্যালয় সমূহ চৰকাৰে নিজৰ হাতলৈ আনিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে নেকি ?

গ) যদি কৰিছে মুঠতে কিমানখন মহাবিদ্যালয় চৰকাৰে নিজৰ হাতলৈ নিব আৰু কেতিয়াৰ পৰা ই কাৰ্য্যকৰী হব ?

ঘ) কি নীতিৰ আধাৰত এই মহাবিদ্যালয় সমূহ চৰকাৰে নিজৰ হাতলৈ নিব ?

ঙ) কণিষ্ঠ মহাবিদ্যালয়বোৰৰ ষ্টাফ পেটাৰ্ন কেনেকুৱা হব ?

শ্ৰীযুত গৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) যে উত্তৰ দিছে :

ক) ৩৭ খন ।

খ) কোনো সিদ্ধান্ত বৰ্ত্তমানে লোৱা হোৱা নাই ।

গ) প্ৰশ্ন নুঠে ।

ঘ) এই বিষয়ে কোনো নীতি নিৰ্দ্ধাৰণ কৰা হোৱা নাই ।

ঙ) অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধিনিয়ম অনুসাৰে হব লাগে ঃ

বিষয় : অনানুষ্ঠানিক শিক্ষা পৰিচালনা ঃ

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

২৬৬ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) তিনিচুকীয়া জিলাত জিলা পৰ্য্যায়ত/খণ্ড পৰ্য্যায়ত অনানুষ্ঠানিক শিক্ষা পৰিচালনা কৰা প্ৰশাসনিক গোট আছে নেকি আৰু যদি আছে এনে প্ৰশাসনীয় গোট সমূহৰ ঠিকনা অনুগ্ৰহ কৰি দিবনে ?

খ) যদি নাই খণ্ড পৰ্য্যায়ৰ অনানুষ্ঠানিক শিক্ষা চোৱা চিতা কৰাৰ কেনে ব্যৱস্থা চৰকাৰে কৰিছে ?

গ তিনিচুকীয়া জিলাত মুঠ কিমানটা অনানুষ্ঠানিক শিক্ষা কেন্দ্ৰ আছে আৰু কিমান ছাত্ৰ-ছাত্ৰী তেনেকেন্দ্ৰত অধ্যয়ন কৰি আছে ? (খণ্ড অনুযায়ী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সহ কেন্দ্ৰ সমূহৰ তালিকা এখন সদনৰ মেজত দিব )

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক তিনিচুকীয়া জিলাত অনানুষ্ঠানিক শিক্ষাৰ বাবে জিলা পৰ্য্যায়ত কোনো প্ৰশাসনিক গোট নাই । কিন্তু খণ্ড পৰ্য্যায়ত প্ৰশাসনিক গোট আছে । এই গোটসমূহ কাকপথাৰ, হাপজান আৰু মাৰ্ঘেৰিটাৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্য্যালয়ত সংলগ্ন হৈ আছে ।

খ) প্ৰশ্ন নুঠে ।

গ) তিনিচুকীয়া জিলাত বৰ্ত্তমান ৩০০ ( তিনিশ ) টা অনানুষ্ঠানিক শিক্ষা কেন্দ্ৰ আছে। এই কেন্দ্ৰ সমূহত ৮০১৩ জন ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। ( প্ৰশ্নত বিছৰা মতে তালিকা— Annexure-I II III আৰু IV ত সদসৰ মজিয়াত দাখিল কৰা হ'ল।

( See the Annexure – X )

বিষয় - হাইস্কুল হাইয়ার সেকেণ্ডারী রূপে উন্নতি করণ।

শ্ৰীরামপ্যারে রবিদাসে জিজ্ঞাসা করছেন :

২৬৭। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

ক গত বৎসর আসাম সরকার করিমগঞ্জ জিলার কয়েকটি হাইস্কুল কে হাইয়ার সেকেণ্ডারী রূপে উন্নীত করণের সময় রাতাবাড়ী সমষ্টির নারায়ন নাথ হাইস্কুল, আনিপুর কে হাইয়ার সেকেণ্ডারী রূপে উন্নীত করেছেন কি ?

খ) যদি করেছেন তবে উক্ত হাইয়ার সেকেণ্ডারী এর মঞ্জুরী এবং শিক্ষক নিয়োগের ব্যাপারে সরকার কি পদক্ষেপ নিয়েছেন ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ৰাতাবাৰী সমষ্টিত নাৰায়ন নাথ উচ্চ মাধ্যমিক বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখা খোলাৰ বাবে অনুমতি দিয়া হৈছে।

খ) পুঁজিৰ অভাৱত পদ দিব পৰা নাই।

বিষয় : প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থা

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

২৬৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯২-৯৩ চনত প্ৰশিক্ষণৰ বাবে প্ৰাথমিক বিদ্যালয়ৰ কিমান শিক্ষক নিয়োগ কৰা হৈছে ?

খ) নতুন কৈ প্ৰাদেশীকৰণ কৰা কিমান বৃত্তিধাৰী শিক্ষকক এই প্ৰশিক্ষণলৈ পঠোৱা হৈছে ? ( জিলা ভিত্তিত তথ্য সদনৰ মেজত দাখিল কৰিব )

গ) প্ৰশিক্ষণলৈ পঠোৱা শিক্ষকৰ খালী পদত শিক্ষাদানৰ কাৰণে অস্থায়ীভাবে শিক্ষক নিয়োগ কৰা হৈছে নে ?

ঘ) যদি হোৱা নাই তাৰ কাৰণ কি ?

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী, শ্ৰীগৌতম ৰয়-(ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ২১৩০ জন ।

খ) ৭৪৮ জনক প্ৰশিক্ষণলৈ পঠোৱা হৈছে । (জিলা ভিত্তিক তথ্য পৰিশিষ্ট A অত উল্লেখ কৰা হ'ল ।

( See the Annexure – XI )

গ) শিক্ষক নিয়োগৰ বাধা নিষেধ খুলি দিয়া হৈছে ।

ঘ) প্ৰশ্ন নুঠে ।

বিষয় : প্ৰাৰ্থীৰ সংখ্যা :

শ্ৰীযতীন মালীয়ে সুধিছে :

২৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯১-৯২ চনত হোৱা প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক পদৰ সাক্ষাৎকাৰত পলাশবাৰী সমষ্টিত সৰ্বমুঠ কিমান প্ৰাৰ্থী উপস্থিত আছিল ?

খ) সাক্ষাৎকাৰ হোৱাৰ পিছত কিমানজন প্ৰাৰ্থীৰ নাম ( L. P, M. E, M. Vৰ বাবে ) বাচনি তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে ? ( বাচনি তালিকা সদনৰ মেজত দাখিল কৰিব )

গ) বাচনি তালিকাত থকা প্ৰাৰ্থীৰ কিমানজনক L, P স্কুলত কিমানজনক M. E, M. V. স্কুলত উক্ত সমষ্টিটোৰ ভিতৰত নিয়োগ কৰিলে ? নিয়োগ কৰা প্ৰাৰ্থীৰ নাম, বিদ্যালয়ৰ নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব )

ঘ) বিজ্ঞান শিক্ষক ( অংকসহ ) পদৰ প্ৰাৰ্থী সমষ্টিটোত মুঠ কিমানজন আছিল ?

ঙ) তাৰ কিমানজনক ( B. Sc. with Maths ) বাচনি কৰা হ'ল ? ( নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব )

চ) কিমানজন বিজ্ঞান শিক্ষক ( অংক সহ ) নিয়োগ কৰিলে ? প্ৰাৰ্থীৰ নাম, বিদ্যালয়ৰ নাম সহ তালিকা সদনৰ মেজত দাখিল কৰিব )

শ্ৰীগৌতম ৰয় ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ৬৩০৬ জন ।

খ) উপদেষ্টা পৰিষদে বাচনি তালিকা এতিয়াও প্ৰস্তুত কৰা নাই ।

গ) প্ৰশ্ন নুঠে ।

ঘ) ৭২ জন।

ঙ) ২৪ জন (তালিকা পৰিশিষ্ট 'ক'ত সংলগ্ন কৰি দিয়া হ'ল)

(See the Annexure— XII)

চ) ১৯ জন। (তালিকা পৰিশিষ্ট 'খ'ত সংলগ্ন কৰি দিয়া হ'ল)।

(See the Annexure— XIII)

বিষয় ঃ কৰিমগঞ্জত বাননিয়ন্ত্রণ সংমণ্ডল

শ্ৰীপ্ৰণব কুমাৰ নাথে জিজ্ঞাসা করছেন :

২৭০। মাননীয় বন্যা নিয়ন্ত্রন মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জানাবেন কি :

ক) ১৯৯১-৯২, ১৯৯২-৯৩ অর্থ বছৰে কৰিমগঞ্জ Flood Control Division এর অন্তর্গত F. C, Sub Div. ভিত্তিক Scheme গুলিতে কোন কোন ঠিকাদারকে কত টাকার কাজ দেওয়া হয়েছিল এবং ঠিকাদারদেকে কত টাকার payment দেওয়া হয়েছিল ?
(F. C. Sub division এবং Investigation Divn./Sub-Divn সহ ঠিকাদারদের পূর্ণনাম, ঠিকানা Scheme এর বিশদ বিবরণ টাকার পরিমান, payment দেওয়ার তারিখ বিশদ বিবরণ সহ তালিকা সদনের মেজে দাখিল করিবেন)

শ্ৰীহরেন ভূমিজ (মন্ত্রী) য়ে উত্তর দিছে :

ক) ১৯৯১ ৯২ এবং ৯২-৯৩ অর্থবছরে করিমগঞ্জ বন্যানিয়ন্ত্রণ সংমণ্ডলের অধীনে (১) করিমগঞ্জ বন্যা নিয়ন্ত্রণ উপ মণ্ডলের বিভিন্ন প্রকল্পে যথাক্রমে মোট ৫২৯ জন এবং ১৬২ জন ঠিকাদারদের কাজ দেওয়া হইয়াছিল এবং মোট ১৩.৮৫ টাকা এবং লক্ষ ২২.৮৫ লক্ষ টাকা দেওয়া হইয়াছিল।

(প্রকল্প অনুযায়ী বিস্তারিত বিবরণী সংযুক্ত)

খ) করিমগঞ্জ বন্যা নিয়ন্ত্রন (অনুসন্ধান উপমণ্ডলে বিভিন্ন প্রকল্পে যথাক্রমে মোট ২৬৯ জন এবং ৪৮০ জন ঠিকাদারদের কাজ দেওয়া হইয়াছিল এবং মোট ১৬.৪৩ লক্ষ টাকা এবং ৪৬.৪৭ লক্ষ টাকা দেওয়া হইয়াছিল (প্রকল্প অনুযায়ী বিস্তারিত বিবরণী সংযুক্ত)

গ) পাথার কান্দি বন্যানিয়ন্ত্রন সংমণ্ডলে বিভিন্ন প্রকল্পে ১৯৯১-৯২ ইং এবং ১৯৯২-৯৩ ইংতে যথাক্রমে মোট ১৪০৩ জন এবং ৫২২ জন ঠিকাদারদের কাজ দেওয়া হইয়াইছিল এবং মোট ৩৫.৫০ লক্ষ টাকা এবং ৫.৭৭ লক্ষ টাকা দেওয়া হইয়াছিল।

( প্রকল্প অনুযায়ী বিস্তারিত বিবরণী সংযুক্ত )

বিঃ দ্রঃ বিস্তারিত বিবরণ সদনে দাখিল করা হল।

## বিষয় : মৰিগাওঁ জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ অব্যাহতি।

শ্ৰীমুনিন মহন্তই সুধিছে :

২৭১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) পূৰ্বৰ মৰিগাওঁ জিলা প্ৰাঃ শিক্ষা বিষয়া জনক চাকৰিৰ পৰা অব্যাহতি দিয়াটো সত্য নেকি ?

খ) যদি সত্য হয়, অব্যাহতি দিয়াৰ কাৰণ কি ?

গ) জিলা শিক্ষা বিষয়াৰ কাৰ্য্যালয়ত ( মৰিগাওঁত ) জ্যেষ্ঠ সহায়কজনৰো দুৰ্নীতি সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়লৈ দিয়া স্মাৰক পত্ৰ সম্পৰ্কে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল ?

ঘ) জিলা প্ৰাঃ শিক্ষা বিষয়াৰ কাৰ্য্যালয়টো নিকা কৰিবৰ কাৰণে উক্ত জ্যেষ্ঠ সহায়ক জনক আতৰাই বাদ পৰি থকা সকলক জ্যেষ্ঠতাৰ ভিত্তিত নিয়োগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

ঙ) শৈক্ষিক পৰিবেশ উন্নত কৰাৰ বাবে স্কুল সমূহ Inspection কৰাৰ বাবে জিলা প্ৰাঃ শিক্ষা বিষয়া আৰু স্কুল সমূহৰ Inspector ৰ কাৰ্য্যালয়ত গাড়ী দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সত্য।

খ) শিক্ষা বিষয়াজনৰ যাৱতীয় অৰ্হতা নথকা কথাযাৰ দৃষ্টিগোচৰ হোৱাত অব্যাহতি দিয়া হয় আৰু তাৰ পিছত অসম লোকসেৱা আয়োগৰ মনোনীত প্ৰাৰ্থীক নিযুক্তি দিয়া হয়।

গ)
ঘ) } অনুসন্ধান কৰি ব্যৱস্থা লোৱা হব।

ঙ) পুঁজিৰ অভাৱত বৰ্ত্তমান গাড়ী দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই।

বিষয় ঃ **শিক্ষক পদ সৃষ্টি ঃ**

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

২৭২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসম চৰকাৰে শিক্ষা দপ্তৰৰ আদেশমতে কিমান সংখ্যক শিক্ষকৰ পদ সৃষ্টি কৰা হৈছিল ?

খ) উক্ত পদ সমূহ কোন কোন মহকুমাত কি ভিত্তিত বিতৰণ কৰা হ'ল ?

গ) উক্ত আদেশৰ আবণ্টন দিয়া পদ এতিয়াও খালি হৈ আছে নেকি ?

ঘ) যদি আছে, ১৯৮৬ চনৰ পৰা ১৯৯২ চনলৈ পদ সমূহ কিয় পূৰ কৰিব পৰা নগল ।

ঙ) অবিভক্ত ডিব্ৰুগড় জিলাত এতিয়াও এনে পদত ১-৩-৯০ তাৰিখৰ পৰা কাৰ্য্যকৰী নিযুক্তি দিয়া তথ্য স'চানে ?

শ্রীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) প্ৰশ্ন পোনপটীয়া নোহোৱা বাবে উত্তৰ দিব পৰা নগল ।

খ) ঐ

গ) ঐ

ঘ) ঐ

ঙ) ঐ

## Discussion During Zero Hour

Mr. Speaker : Question Hour is over. Now Zero Hour I have received as many as 13 Zero Hour Notices for 23-3-93 in the name of the following Hon'ble Members :-

1 Shri Chandra Mohan Patowary

2. Shri Gohin Ch. Das

Shri Holiram Terang

3. Shri Hitendra Nath Goswami

4. Shri Nazmul Haque
   Shri Sashakamal Handique
   Shri Allauddin Sarkar
5. Shri Sashakamal Handique
6. Shri Nagen Sarma
7. Shri Hitendra Nath Goswami
8. Dr. Kamala Kalita
   Shri Chandra Mohan Patowary

   &

9. Shri Munin Mahanta
10. Shri Munin Mahanta
11. Shri Binode Gowala
12. Shri Ramendra Narayan Kalita
13. Shri Dewan Jainal Abedin

Out of these 13 Zero Hour Notices, as Rule permits. I have selected 3 ( three ) for raising before the House.

1. I now, call upon the Hon'ble Member Shri Chandra Mohan Patowary. He is absent.

So, I now, call upon the Hon'ble Members.

Shri Gohin Ch. Das.

Shri Holiram Terang

to raise their zero Hour motion which is published in 'Dainik Asom' dated 19-2-93 under the caption-

"ৰহা বৈঠালাংচু পথ নৰ্মাণ
আচনি কাৰ্য্যকৰী কৰাৰ দাবী

Shri Nazmul Haque : Hon'ble speaker sir, point of order....

Mr. Speaker : Please, please sit down.

## Discussing During Zero Hour

* শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, দৈনিক কাকতত ১৯/৩/৯৩ তাৰিখে নগাওঁ জিলাৰ ৰহা অঞ্চলৰ গড়কাপ্তানী বিভাগৰ পথৰ কথা লিখিছে। এই পথটি আচলতে জৰুৰী পথ। এই পথটিয়ে কেৱল যে দুখন জিলাকে সংযোগ কৰিছে এনে নহয় দুখন ৰাজ্যকো সংযোগ কৰিছে। অসম আৰু মেঘালয় সংযোগ কৰিছে এই পথটিয়ে। নগাঁও আৰু কাৰ্বিআংলংৰ এই পথটিয়েই হৈছে অতি ইম্পৰ্টেন্ট পথ। কিন্তু আজি প্ৰায় ৭ বছৰৰ পৰা এই পথটি যাতায়তৰ প্ৰায় অচল হৈ পৰিছে। ইয়াত কেইখনমান কাঠৰ দলঙ আছে। যোৱা পাঁচ বছৰৰ বানপানীয়ে সম্পূৰ্ণ ধ্বংস কৰি পেলাইছে। তথাপিও অলপ-অচৰপ মেৰামতি কৰি চলাই আছিল। কিন্তু আজি তিনি মাহৰ পৰা সম্পূৰ্ণ গাড়ী মটৰ যাব নোৱাৰা অৱস্থা হৈছে। সেই অঞ্চলটোত ৬০ হাজাৰ ভোটাৰ আছে। কিন্তু ইমান জনসংখ্যা থকা অঞ্চলটোৰ ৰাস্তা ঘাটৰ কথাটোৰ প্ৰতি কোনেও মনযোগ দিয়া নাই। বৈথালাংচু, নগাওঁ আৰু কাৰ্বিআংলংৰ অহা যোৱা পথ সম্পূৰ্ণ বিচ্ছিন্ন হোৱাৰ উপক্ৰম হৈছে। তাত থকা মানুহখিনিৰ অহা যোৱাৰ বাবে কষ্ট হৈছে। কিন্তু যোৱা ৫ বছৰত কোনো ধৰণৰ মেৰামতি কৰা নহল। মই বিগত সভাত ইয়াৰ আগতে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক এই বিষয়ে দৃষ্টিগোচৰ কৰিছিলো— তেতিয়া মন্ত্ৰী মহোদয়ে কৈছিল যে পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব। কিন্তু মই জানিব বিচাৰিছো যে পুঁজি সাপেক্ষে ব্যৱস্থা লোৱালৈ তাত থকা মানুহ খিনিয়ে অহা যোৱা কৰিব নালাগিব নেকি? মই আপোনাৰ জৰিয়তে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আৰু লগতে ইয়াৰ এটা স্পষ্টিকৰণ বিচাৰিছো যে এই পথৰ যাতায়তৰ সুবিধা কৰি দিব নে নিদিয়ে? যদি দিয়ে তেন্তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কেতিয়া দিব, আৰু তৎকালীন ব্যৱস্থা লোৱা হব নে নহয়।

Shri Holiram Terang : Sir, I do not know which Minister will reply to this question. Minister, Hill Areas or Minister, PWD Sir this road has already taken over by the Government. All these roads which connect Nagon

and Karbi Anglong Dist. Sir, have been taken by the NEC scheme starting from Jowai, Hamren, Baithalangshu, Kampur and Raha. The road have already been completed in between Hamren and Baithalangshu, But the road between Baithalangshu & Kampur is yet to be completed. so it is our appeal that Govt. will take up this with N.E.C. within this financial year This is to be taken up immediately. Otherwise people like minority community-Bengali Hindu etc. residing in that area are very much inaccessible. If the Government wants that those people are to remain in Nagaon Dist. these are to be completed without further delay.

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় মই এই বিষয়ে নটিচ পোৱা নাই। এই ৰাস্তাটো বেয়া হৈ থকাটো পুৰণি কথা। বৈঠালাংচুৰ পৰা হামৰেনলৈ এন, ই, চিয়ে লৈছে। কামপুৰৰ পৰা ৰহালৈ এন, ই, চিয়ে লোৱা নাই। ৰি-কনষ্ট্ৰাকচন কৰিব লাগিছিল কিয় লোৱা নাই সেই বিষয়ে যোগাযোগ কৰিব লাগিব।

Shri Holi Ram Terang : Sir bridge are constructed by the N.E.C. only So, who will take over the roads N E C. or Assam P. W. D.

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় এইটো যদি ৰোড স্কিম ভাল কথা আৰু যদি এইটো এন ই, চিয়ে লৈছে সেইটো মোৰ অবগত নহয়।

* শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, যদি মন্ত্ৰী মহোদয়ে নাজানে যে এন, ই, চিয়ে ৰাস্তা লৈছে নে দলং লৈছে তেন্তে আমি জানিম কেনেকৈ?

---

★ Speech not corrected

শ্রীগোবিন্দ চন্দ্র লাংথাচা ( মন্ত্রী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো মই চাব লাগিব । যোৱা ১০ তাৰিখে মই এই বিভাগৰ মন্ত্রী হৈছোহে । গতিকে এইটো মই চাব লাগিব ।

## Discussion During Zero Hour

Mr. Speaker : Now Item No. 3 I now call upon Hon'ble Member Shri Dewan Joynal Abedin to raise his Zero Hour Notice published in North Eastern Observer dated 23-3-93 regarding inclusion of Bishnupriya Manipuri Language as a medium of instruction in the primary stage of education in Cachar District,

Shri Dewan Joynal Abedin : Mr Speaker Sir, as it has come out in the press, perhaps all of us know that the Bishnupriya Manipuri Students' Union has launched a 36 hour hunger strike in front of the Assam Legislative Assembly demanding introduction of Bishnupriya Manipuri language as a medium of instruction in the primary schools of Barak Valley, Sir these Bishnupriya Manipuris have been demanding recognition and introduction of their language in the primary stage in the Barak Valley for the last 30 years, It is very strange, Sir, that during these 30 years Government of Assam has taken a decision to introduce the language as medium of instruction in the primary Schools in Barak Valley 3 times, Again Sir, the Government has stopped this decision three times. This time Methei Manipuri language has been included in the Sixth Schedule of the Constitution of India as Manipuri language and we are satisfied for that, but Sir, this time, these Bishnupriya Manipuri people have taken a more desparate stand and they have taken a do or die attitude.

Sir, according, to the linguistic survey of India published by George Grierson this Bishnupriya Manipuri language has been accepted as a completely separate language. According to the constitution of India, Article 350, under the special directives as provided. Proper facilities should be given for introduction of the mother tongue as the medium of instruction in the primary schools. Article 350 (B) of the Constitution of India has provided an officer namely, Commissioner for Linguistic Minorities. This Commissioner of Linguistic Minorities has also recommended that Bishuupriya Manipuri language be introduced in the state of Assam in the primary schools.

Sir, Govt. of Assam, by a notification published in Assam Gazettee dated 14th November, 1983 has approved the inclusion of Bishnupriya Manipuri Language as a medium of instruction in the primary stage of education in Cachar District, in modification of their earlier notification No. EMI, 169/714/137 dated 291,177 This was ordered but subsequently, Government has stayed that by another order dated 9th November 1989 This order stays the previous order of introducing the Bishnupriya Manipuri language as a medium of instruction in the primary schools of Barak Valley.

Now Sir, this Bishnupriya Manipuri is a completely separate language, they are a separate linguistic minority having their separate identity and according to the linguistic survey in Assam, their number is 22,500. There are various documents which show that Bishnupriya Manipuri are linguistic minority of Assam, Although they are sca-

ttered in different places particularly in Barak Valley, this Bishnupriya Manipuri language is a separate and completely different. one which deserves recognition by the Government and the Government should also take a decision to allow the different linguistic minorities to have their children educated through their mother tongue.

So Sir, the demand of the Bishnupriya Manipur is to educate their children at the primary stage through their mother tongue 'Bishnupriya Manipur' is a very genuine one. And as such, I would like to request the Hon'ble Chief Minister through you to make a clear and positive declaration here in this House while recognising Bishnupriya Manipuri as a language of this Bishnupriya Manipuri minority community for educating thier children through their mother tongue. I also request the hon'ble Chief Minister to lift the stay order which has been imposed on introduction of this Bishnupriya Manipuri as a medium of instruction in the primary schools in Barak Valley. I want a categorical assurance from the Chief Minister.

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, বিষ্ণুপ্ৰিয়া মনিপুৰী সকলৰ আজি যিহেতু আন্দোলন ৩৬ ঘন্টা চলি আছে সেই কাৰ্য্যসূচীৰ প্ৰতি সন্মান জনাই আৰু আমাৰ মাননীয় দেৱান জয়নাল আবেদিন ডাঙৰীয়াই যিখিনি কৈছে তাৰ প্ৰতি লক্ষ্য ৰাখি আৰু সংবিধানৰ ২৯ আৰু ৩০ ধাৰা অনুযায়ী ভাষা সংস্কৃতি কলা-কৃষ্টি বিকাশৰ বাবে যিখিনি সুবিধা আছে তাৰ লগতে শেহতীয়াকৈ মাননীয় মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা অনুসৰি ৰাজ্যৰ ভাষা, সংস্কৃতিৰ ৰক্ষণা-বেক্ষণ দিয়া হব সেই কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ

অসুবিধা সমূহ যাতে দূৰ কৰে আৰু বিষ্ণুপ্ৰিয়া মণিপুৰী সকলে যাতে পঢ়া-শুনাত একো অসুবিধা নাপায় তাৰ বাবে মই চৰকাৰক অনুৰোধ কৰিলো৷ আৰু লগতে কোনো বাহিৰা শক্তিৰ হেচাত যাতে এইটো বন্ধ নহয় তাৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* শ্ৰীমিশন ৰঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয় একথা সবার জানা আছে যে বরাক উপত্যকায় যথেষ্ট সংখ্যক মনিপুরি পপুলেশন রয়েছে। বিশেষ করে কাছাড় এবং হাইলাকান্দিতে বিষ্ণুপ্রিয়া মনিপুরিভাষী লোক রয়েছেন। তারা দীর্ঘদিন ধরে এল পি স্কুলে বিষ্ণুপ্রিয়া মনিপুরি ভাষা চালু করার জন্য দাবী জানিয়ে আসছে। এই ব্যাপারে আমরাও বিভিন্ন সময় শিক্ষা বিভাগের সঙ্গে এবং মুখ্যমন্ত্রীর সঙ্গেও এদের দাবী পুরণের জন্য অনুরোধ করে আসছি। এই ব্যাপারে বিগত বিধান ২৬ আমার একটা অতারাংকিত প্রশ্নের উত্তরে সরকার বলেছিলেন যে "বিষয়টা বিবেচনাধীন।" সুতরাং আমি মনে করি যে তাদের দাবী যুক্তিসংগত এবং এটা যেন সহানুভূতির সঙ্গে সরকার বিবেচনা করেন ও তাদের দাবী পুরন করেন।

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো ৰৰ পুৰণি বিষয়। ১৯৭৮ চনতে মই যেতিয়া শিক্ষা মন্ত্ৰী আছিলো তেতিয়া এই লেংগুৱেজটো স্বীকৃতি দিছিলো, তেওঁলোকে মাতৃভাষাত শিক্ষা লোৱাতো বিচাৰে। ইয়াত থকা মেইটি সকলে মনিপুৰি লেংগুৱেজটো থকাতো আপত্তি কৰে। এই বিষয়টো লৈ এটা ভয়াবহ অশান্তিয়ো হৈ গৈছে। অসমত থকা মেইটি সকলে বাৰ বাৰ আপত্তি কৰি আছে। আচলতে এই শব্দটোৰ কাৰণে অসুবিধা হৈছে, মই নিজেই এই শব্দটোৰ এটা সু-সিদ্ধান্ত কৰিব পাৰিনেকি তাৰ কাৰণে চেষ্টা চলাইছিলো। শব্দটোৰ কাৰণে আন্দোলনো হৈছে, শব্দটোৰ কাৰণেই এই অসুবিধা বিলাক বেচি হৈছে।

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, আমি ভাবো চৰকাৰ, মণিপুৰী আৰু বিষ্ণুপুৰীয়া এই তিনিওটা দলক লৈ ত্ৰিপাক্ষীক আলোচনা এটা কৰি সিদ্ধান্ত ললে ভাল হব।

Shri Dewan Joynal Abedin : Mr Speaker Sir, Bishnu-priya Manipuri has been included in the 8th Schedule of

★ Speech not corrected

the Constitution of India as Manipuri and we have no question to that. Again Bishnupriya as a language has also got some history. Why these people are demanding the nomenclature of Bishnupriya Manipuri for the language because it has something to do with the past history. So Sir, whatever is the nomenclature. I think debating of this question of nomenclature we should not deprive a linguistic minority from (well) having their education ( well ) in the primary school level. So Sir, I again request the Government that under some extreneous pressure or internal pressure the Government should not deprive the Bishnupriya Manipuri for their legitimate right,

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : এই বিষয়টো লৈ অসুবিধা হৈ আছে আৰু কেন্দ্ৰীয় চৰকাৰৰ হোম মিনিষ্ট্ৰীয়ে এই বিষয়টো চাই আছে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, জিৰো আওৱাৰচত মোৰ এটা মেটাৰ চিলেকশ্যন হৈ আছে, Doctor is there, Doctor will tell you. মোৰ অসুখ হৈ আছে ডাক্তৰৰ লগত পৰামৰ্শ কৰিছো, অসুখৰ মাজেদিয়েই মই সদনলৈ আহিছো এই অতি গুৰুত্বপূৰ্ণ বিষয়টো লৈ। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ সহায় হব আৰু তেখেতৰ জিলাতে ঘটনাটো ঘটিছে, গতিকে অধ্যক্ষ মহোদয়, It relates to public interest, very urgent matter মই অনুৰোধ কৰিছো, মোৰ অলপ পলম হ'ল, যিহেতু মেটাৰটো চিলেকশ্যন হৈ আছে considering my medical point মোৰ মেটাৰটো ৰেইজ কৰিবলৈ দিব লাগে।

মাননীয় অধ্যক্ষ : মেটাৰটো ৰেইজ কৰিবলৈ দিব পাৰি কিন্তু এইটো আগলৈ প্ৰিচিডেন্ট হব নালাগে, কিয়নো পিছত প্ৰত্যেকেই পলমকৈ আহি কব তেওঁৰ মেটাৰটো ৰেইজ কৰিব লাগে, গতিকে সেইটোও আমি চাব লাগে।

* শ্ৰীজয়নাথ শৰ্মা : কথাটো সেইটো নহয়, অকল মাননীয় সদস্য পাটোৱাৰীৰে নহয় গুৰুত্বপূৰ্ণ বিষয় হলে আমাকো দিব লাগিব, এতিয়া পাটোৱাৰী ডাঙৰীয়াক ৰেইজ কৰিব দিব লাগে।

মাননীয় অধ্যক্ষ : অৱশ্যে এইটো স্পিচিয়েল কেচ হিচাবে দিব পাৰি, কিন্তু এইটো চিচটেম হব দিব নালাগে।

---

* Speech not corrected

Discussion During Zero Hour

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মেটাৰটো ৰেইজ কৰিবলৈ দিয়াৰ কাৰণে সদনৰ সৌজন্যতা ৰক্ষা কৰি মই প্ৰথমেই আপোনাক ধন্যবাদ জনাইছো। এন, ই বাতৰি কাকতত এটা বাতৰি ওলাইছে, মই গোটেইটো নপঢ়ো মাত্ৰ চমুকৈ কম নহলে আধাঘন্টা মান সময় লব, মই কেৱল পলিচিৰ কথ'টোহে কম। কথাটো ভেটেৰিনাৰী ডিপাৰ্টমেণ্টৰ কথা, ভেটেৰি- নাৰী ডিপাৰ্টমেণ্টৰ পেচেণ্ট বিলাকে মাত মাতিব নোৱাৰে, গ'তকে তেওঁলোকৰ হৈ তেওঁলোকৰ এক্সপ্ৰেশ্যনখিনি আমাক জনাবলৈ দিব লাগে। এন, ই টাইমচত এই সম্পৰ্কত ভয়াবহ কথাটো ওলাইছে। আমি দুখ পাইছো আজি ৰাজ্যখনত ফাইনেন্সিয়েল অৱস্থাটোৰ এনে এটা পৰ্য্যায়লৈ লৈ গৈছে Refer the Daily News paper 'North East Times' when states Money goes to few pockets -

এই ক্ষেত্ৰত কব বিচাৰিছো ১৯৯১ – ৯২ চনৰ বাজেটত, ভেটিৰিনাৰী হেডত ৰোমান ২২ (২) ত চালে সেইটো বাজেটত দেখিব।

As per provision of the budget for 1991 page XX-II there was 10 crores 20 lakhs as Plan money and Non-plan money was Rs. 20 crores 77 lakhs. This is the nutshell of the budget. The Demow ICDP Block drawn Rs. 25, 11, 22, 425/- from September 1991 to 31st March 1992 and for salary Rs. 2·90 crores Again from September 21, 1991 they spent Rs 8·50 crores and November 25 1991 again 9·61 lakhs. Again in total they draw Rs. 25,11,22 425/- প্লেনত ১০ কৌটি ২০ লাখ টকা আৰু নন প্লেনত ২২ কৌটি ৭৭ লাখ টকা।

অধ্যক্ষ মহোদয়, এই পইচাখিনিৰ এটা ডাঙৰ ৰহস্য আছে। প্লেনমানি ১০ কৌটি ২০ লাখ টকাৰ ভিতৰত ২ কৌটি ৯০ লাখ টকা দৰমহা দিব লাগিব। মাষ্টাৰ ৰুলকো দৰমহা দিব লাগিব। ১০ কৌটি ২০ লাখ টকাৰ পৰা যদি ২ কৌটি ৯০ লাখ টকা যায়, তেনেহলে প্ৰায় ৭ কৌটি টকাহে থাকিব। এতিয়া এতিয়া ৭ কৌটি টকাহে ধৰিব লাগে। প্লেন মানি ২০ কৌটি ৭৭ লাখ টকা আছে তাৰে ১৮ কৌটি টকা দৰমহা দিব লাগে আৰু বাকীখিনি মেইনটেনেন্স, মেদিচিন আদিত দিব লাগে। অধ্যক্ষ মহোদয়, এতিয়া মই আচল কথাটোলৈ আহো। ডিমৌৰ আই, চি, দি, পিত ১৯৯১ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ১৯৯২ চনৰ ৩১ মাৰ্চলৈকে এমাউণ্ট ড্ৰ কৰিছে ২৫ কৌটি ১১ লাখ ২২ হাজাৰ

★ Speech not corrected

৪২৫ টকা। কিন্তু অল অভাৰ আসাম টকা আছিল প্লেন মানি ১০ কৌটি ২০ লাখ টকা। তাৰ পৰা ২ কৌটি ৯০ লাখ টকা দৰমহা দিয়া হয়। ৭ কৌটি টকা গোটেই অসমৰ কাৰণে থাকে। কিন্তু কি সাহসত অফিচাৰে ডিমৌৰ আই, চি, দি পিৰ বাবে ইমান টকা ড্ৰ কৰিলে সেইটোহে মই মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। যেতিয়া ৭ কৌটি টকা ষ্টেট প্লেনত আছিল তেতিয়া ডিমৌ আই, চি, দি, পি য়ে ১৯৯১ চনৰ চেপ্তেম্বৰৰ পৰা ১৯৯২ চনৰ ৩১ মাৰ্চলৈকে ২৫ কৌটি ১১ লাখ ২২ হেজাৰ ৪২৫ টকা ড্ৰ কৰিছে। গতিকে প্ৰশ্ন হৈছে ৯ কৌটি টকাৰ যত প্লেন কৰিছে তাত ২৫ কৌটি টকা ড্ৰ কৰিছে। আকৌ ১৯৯১ চনৰ চেপ্টেম্বৰ মাহৰ ১২ তাৰিখে ডিমৌ আই, চি, দি, পি য়ে ড্ৰ কৰিছে ৮ কৌটি ৫০ লাখ টকা। তাৰ পিচত ১৯৯১ চনতে নবেম্বৰ মাহৰ ২৫ তাৰিখে ড্ৰ কৰিছে ৯ কৌটি ২২ লাখ ৪২৫ টকা। ১৯৯২ চনৰ মাৰ্চত আকৌ ড্ৰ কৰিলে ৭ কৌটি টকা। প্লেন মানি আছিল ১০ কৌটি ২০ লাখ টকা। ডিমৌৰ আই, চি, দি, পিয়ে সৰ্ব্বমুঠ ড্ৰ কৰিলে ২৫ কৌটি ১১ লাখ ২২ হেজাৰ ৪২৫ টকা আৰু গোটেই অসমৰ বাবে প্লেন মানি আছিল ১০ কৌটি ২০ লাখ টকা। ফলস্বৰূপে এতিয়া আমাৰ ৰাজ্যত বিত্তীয় সংকটে দেখা দিছে। এতিয়া কিছুমান মানুহে বস্তু চাপ্লাই দিও পইচা পোৱা নাই। যেতিয়া প্লেন মানি ১০ কৌটি ২০ লাখ টকা আছিল আৰু মইমতালী স্বভাৱৰ অফিচাৰে ২৫ কৌটি টকা ড্ৰ কৰিছে সেই অফিচাৰ সকলৰ ওপৰত কি ব্যৱস্থা লোৱা হৈছে ?

( ভইচঃ চাচপেন্দ কৰা হৈছে। )

✻ শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, চাচপেন্দ কৰিলে কি হব ? আকৌ ৰিইনষ্টেট কৰিব।

Mr. Speaker : Hon'ble Member is to raise to issue only.

✻ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যে প্লেনমানি ১০ কৌটি ২০ লাখ টকা থকাৰ পৰা দৰমহা আদি দিয়াৰ বাবে ২ কৌটি ৯০ লাখ বাদ দিয়াৰ পিচতো ডিমৌ আই, চি, দি, পিয়ে কেনেকৈ ২৫ কৌটি ১১ লাখ ২২ হেজাৰ ৪২৫ টকা কেনেকৈ ড্ৰ কৰিছে। আজি কিছুমান বিভাগে পইচা পোৱা নাই কাৰণ পইচা নাই বাবে দিব পৰা নাই। লৰা বিলাকে চাকৰি পোৱা নাই। মোৰ সমষ্টিতে বিভিন্ন ফাৰ্ম খুলি লৰা বিলাকক চাকৰি দিছিল সিদিনা সেই লৰা বিলাক আহি কৈছে যে চাকৰি নাই। যিহেতুকে সমষ্টিৰ লৰা সেই বিলাক লৰাক আজি আমি ২০/৩০ টকা কৰি দিবলৈ বাধ্য হৈছো। সেইখিনি লৰাক টকা দিয়াৰ বাবে মই বিত্ত মন্ত্ৰী মহোদয়লৈ চিঠি লিখিছিলো। মাননীয় বাইদেউৰ ওচৰতো অনুৰোধ কৰিছিলো।

Mr. Speaker : He is to raise the matter only because it is zero Hour.

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয় এইদৰে উদ্ভন্দালি চলাৰ বাবেই মই কথাখিনি

★ Speech not corrected

কৈছো। আপুনি গঠন কৰি দিয়া এষ্টিমেট কমিটিয়ে ভেটেৰিনাৰি বিভাগত খৰাৰ বাবে তেওঁলোকে পেমেণ্ট এতিয়া বন্ধ কৰি দিছে। অধ্যক্ষ মহোদয়; মই এতিয়া মাত্র দুটামান পইণ্ট কম।

(১) ২৫ কৌটি ইমান লাখ টকা যে দিছে— How it is given to only one block when there was total amount of Rs 10 crores for the whole Budget,

(২) এই যে টকাখিনি ড্র কৰিলে তাৰ বাবে চৰকাৰৰ চেংচন আৰু এল, অ, চি আছিলনে নাই ?

(৩) শিৱসাগৰৰ ট্রেজাৰী অফিচাৰে যেতিয়া বিল পাছ কৰিছে তেতিয়া চৰকাৰক জনাইছিলনে নাই।

(৪) যদি ট্রেজাৰী অফিচাৰে তেনে কোনো ইনটিমেচন দিয়া নাই তেতিয়া শিৱসাগৰ জিলাৰ ভেটেনাৰি অফিচাৰে বা সঞ্চালকালয়ত থকা অফিচাৰ সকলে চৰকাৰক জনাইছিলনে নাই ? এনে ধৰণৰ এটা ইলিগেল ঘটনা হৈ আছে।

(৫) নবেম্বৰ ১৯৯১ চনত। ভোগেশ্বৰ শইকীয়া –
In November 1991 one Mr, Bhogeswar Saikia who was the Deputy Secretary, Veterinary along with the Senior Financial Adviser of the Department went to Diphu but no out come

ডিফুলৈ গৈ এনকুৱাৰী কৰিছে, এলিগেচন আনিছে, সত্য অসত্য প্রমাণ দিছে। টকা অপব্যৱহাৰৰ প্রমাণ দিছে। আউট-কাম কিয় হোৱা নাই ?

শেষত It is learnt that the present Director Dr. Jugal Ch. Saikia and previous Director Shri P. B. Dutta exercising their power for according sanction of Rs 16 crores during 1991-92 and 1992-93.

এইটো সত্য কথা। ইয়াৰ ওপৰত ফাইনেন্স কমিচনাৰে গৱৰ্ণমেণ্টলৈ চিঠি লিখিছে। আমি দেখিছো যুগল শইকীয়া ডিৰেক্টৰ হৈ আছে

চুম ডিৰেক্টৰ হৈ আছে, দত্ত ডিৰেক্টৰ হৈ আছে। মানুহজনৰ লগত মোৰ ভাল। কিন্তু সেইটো কথা নহয়। দেশৰ পইচা মিচইউজ কৰিছে, ইয়াৰ ওপৰত ব্যৱস্থা লব লাগিব। এইটো চিৰিয়াচ মেটাৰ। বিষয়টোৰ প্ৰতি মুখমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। ভেটেৰীনেৰী মন্ত্ৰীয়ে কব এইটো দীঘলীয়া মেটাৰ। টেকনিকেল পইন্ট দেখুৱাই এভইদ কৰিব। This is very serious matter। ড্ৰাষ্টিক ব্যৱস্থা লাগে, উত্তৰ নালাগে। মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। দিল্লীৰ পৰা কিমান পইচা আনিব ? অফিচাৰে যদি এইটো কৰে। You should take drastic action against these people if they are found guilty. এইখিনি কৈ আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই সিদিনা ৰাজ্যপালৰ ভাষণৰ উত্তৰত এই কথা উল্লেখ কৰিছিলো। সিদিনা বোধকৰো শ্ৰীপাটোৱাৰী উপস্থিত নাছিল। ১৯৮৬ চনৰ পৰা ১৯৯২ চনলৈ সৰ্ব্বমুঠ ৪৫ কোটি টকা কৰিছে। এল, অ, চি আছিল ১ কোটি টকা। বিভিন্ন সময়ত ১ কোটি টকা এল, অ, চিৰ বিপৰীতে ৪৫ কোটি টকা ড্ৰ কৰিছে। এইটো ১৯৮৬ চনত আৰম্ভ হৈছিল। বিভিন্ন জিলাত, বিভিন্ন মহকুমাত ট্ৰেজাৰী বিলাকে যোৱা ৫ বছৰত এনেকুৱা ভুৱা এল, অ, চিত বহু কোটি টকা আদায় কৰিছে। ইয়াৰ পৰিমাণ দুশ কোটি টকাৰ অধিক হব পাৰে। সেয়েহে মই নিৰ্দ্দেশ দিছো প্ৰত্যেক ট্ৰেজাৰীয়ে যোৱা ৫ বছৰত কিমান টকা ড্ৰ কৰিছে, তাৰ চেক্ কৰিছে। যোৱা ১০ তাৰিখে চিফ চেক্ৰেটেৰীক নিৰ্দ্দেশ দিছো এই সকলক তৎকালীন ভাৱে বৰ্খাস্ত কৰিব লাগে।

* শ্ৰীপ্ৰমোদ গগৈ : এইটো কথা ৰাজ্যপালৰ ভাষণত কৈছে। এইটো স্বীকাৰ কৰিছে যে এক কোটি টকাৰ বিপৰীতে ৪৫ কোটি টকা ড্ৰ কৰিছে ডিমৌত। গোটেই অসমত ২ শ কোটি টকা হব পাৰে। এইটোৰ লগত বহুত কথা জড়িত আছে। চিকিউৰিটি স্কেণ্ডেলৰ দৰে এই স্কেণ্ডেলত বহুত লোক জড়িত আছে। মই জনাত অকল

★ Speech not corrected

অফিচাৰ নহয়, ইয়াৰ লগত অনেক ৰাজনৈতিক লোক জড়িত আছে। মূখ্যমন্ত্ৰীয়ে স্বীকাৰ কৰিছে যে দুশ কৌটী টকা ড্ৰ কৰিছে। এনেকুৱা এটা কেলেংকাৰী তদন্ত কৰাৰ বাবে সৰ্ব্বদলীয় হাউচ কমিটি দিব লাগে।

শ্ৰীঅতুল বৰা : এক কৌটি টকাৰ বিপৰীতে ৪৫ কৌটি ড্ৰ কৰিছে। ইয়াৰ পৰিমাণ ২শ কৌটি টকা হব পাৰে। ১৯৮৬ চনৰ পৰা ৯২ চনলৈ এই কালচোৰাৰ তদন্ত নকৰিলে আমি সন্দেহ কৰিম।

* শ্ৰীনগেন শৰ্মা : হাউচ কমিটি কৰি দিয়ক।

( গণ্ডগোল )

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : এইটো যদি গভীৰতম বুলি ভাৱো তেন্তে হাউচ কমিটিৰ প্ৰয়োজন হলে নিশ্চয় কৰিম।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : এই সম্পৰ্কত হাউচ কমিটি কৰিব নেকি ?

শ্ৰীনগেন শৰ্মা : এইটো ডাঙৰ স্কেণ্ডেল হৈছে।

Shri Holiram Terang : Sir, it is question of an involvment of Rs. 200 crores as our Hon'ble Chief Minister said: This is only one in particular Department there may be must more in other Departments. It is a very serious matter that in only one block 45 creres have been spent while there has been sanction of Rs. 1 crore only,

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : গোটেই অসমত দুশ কৌটী টকা হব পাৰে।

শ্ৰীঅতুল বৰা : সদন বাতিল কৰি ক্ৰিকেট খেলৈ যোৱা হৈছে। এইটো সদনৰ দিচিচন।

Mr. Speaker : It was an unanimous decision. Then the matter was raised.

Shri Holiram Terang : Yes it was a unanimous decision. Now Sir, the point is the Chief Minister has stated

★ Speech not corrected

that Rs: 25 crores has been drawn in a particular ICDP block. He also admitted that an amount of Rs. 200 crores has been involved in the Department. This may not be only in the veterinary Department but the scandel is there in the Treasury transaction for 200 crores of money. And since scandel of Rs. 200 crores has been brought to the notice of Chief Minister atleast there is some truth. Therefore if it is so serious to detect this scandel a House Committee is needed and it seems it is almost unanimous decision that we should go deep into this scandel and we request the Chief Minister to agree to let us work for a Joint House Committee.

মাননীয় অধ্যক্ষ ! এইটো ডিচ্কাচন্ বহুত হৈ গৈছে— গতিকে আৰু নালাগে আপুনি বহক। এতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৰলৈ ঠিয় হৈ আছে।

( গণ্ডগোল-গণ্ডগোল-শুনা নাযায় )

✱ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে — সেইদিনা মাননীয় মুখ্যমন্ত্ৰী সদনত উপস্থিত নাছিল, কিন্তু তেখেতে কৈছিল যে এনেকুৱাও হৈছে যে ৪৫ কোটি টকা কিবা হৈছে। মই এইটো কথা সদনৰ আগত ডাঙি ধৰিব বিচাৰিছো যে — মাননীয় সদস্য শ্ৰীটেৰাং আৰু শ্ৰীগগৈয়ে ভাইটেল পইন্টৰ কথা কৈছে। কিন্তু আমাৰ কথা হল যে- আজি পইচা নাই, ঘাটি বাজেট্ উত্থাপন কৰিছে। বাজেট্ বাহি হোৱা বাবেও দৰমহা দিবলৈ পইচা নোহোৱা হৈছে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে এই ক্ষেত্ৰত সদনৰ মতামতৰ আৱশ্যক আছে। এই ক্ষেত্ৰত মই ডিমৌ ব্লকত হোৱা এটা কাৰ্য্য মই নিজেই দেখিছো। তাত ভেটেৰিনেৰী বিভাগত কিছু টকা মঞ্জুৰী হৈছিল। পিপলীবাৰী ভেটেনেৰী হাস্পাতালৰ মঞ্জুৰী হোৱা টকাৰ দুৰ্নীতি চলিছিল। তাত এজন অফিচাৰ আছে— মই নাম নকওঁ— কিন্তু মোৰ আগতে ঠিকাদাৰে দি আছে। অফিচাৰ জনে

✱ Speech not corrected

টকাৰ ব্যৱসায় কৰি আছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিমান কঠোৰ হব লাগিছিল— সিমান নহয়। আপুনি হয়তো পোৱা নাই। তাত ঠিকাদাৰ আছি কলে— চাৰ মই পোৱা নাই। অফিচাৰে কলে— কেলকুলেটৰ উলিওৱাচোন— এটাৰ দাম ৪০ টকা হলে ১১ লাখত কিমান পাৰা। আন এটা ঠিকাদাৰ আছিল— তেওঁকো কলে এটাৰ দাম ইমান হলে ১২ লাখ টকাত কিমান পাৰা। কেলকুলেটৰৰ দ্বাৰা হিচাব উলিয়ালে— তাৰ পিচত এটা চুকলৈ গৈ টকা লোৱাৰ পিচত কলে— যে আপোনাৰ বিল নং এইটো— ইয়াত এনেকৈ চহী কৰিব আৰু মই চহী কৰি দিছো, বিলটো ড্ৰ কৰি লবা। এইদৰে ব্যৱসায় চলি আছে। অফিচাৰজনৰ ওপৰত মোৰ ইমান খং উঠিছিল যে- একেবাৰে ঘোচা দি বহুৱাই দিবৰ মন গৈছিল, কিন্তু এম, এল, এ হৈ এনেকাৰ্য্য কৰা বা ঘোচা মাৰাটো ঠিক নহয় কাৰনে দুঘোচামান নিদিলো। হয়তো মানুহে সন্মান নাইকীয়া এম, এল, এ বুলি কব কাৰণে একো নকৰি- তেওঁক কলো। ভগৱানৰ বিচাৰ আছে— নিশ্চয় এদিন বমি কৰিব লাগিব। মই আজি সদনতো কৈছো— নিশ্চয় এদিন বমি কৰিব লাগিব।

আজি আমাৰ মাননীয় সদস্য গগৈ ডাঙৰীয়াই কৈছে যে— হাউচ কমিটি লাগে। আপোনাৰ ডিচ্ক্ৰিয়েচনাৰী পাৱাৰ আছে যে— হাউচৰ লিডাৰৰ লগত আলোচনা নকৰাকৈ আপুনি হাউচ কমিটি দিব পাৰে। হাউচৰ লিডাৰৰ লগত আলোচনা কৰা নকৰা— সেইটো আপোনাৰ কথা। কিন্তু এই সদনৰ মজিয়াত এনে ধৰণৰ প্ৰিচিডেন্চ আছে যে, মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই জানিব যে— হাউচৰ লিডাৰৰ লগত আলোচনা নকৰাকৈয়ে দিব পাৰে। এতিয়া চৰকাৰৰ ঘৰত পইচা নাই। মাষ্টাৰ ৰোলত কাম কৰা লোকক দিবলৈ পইচা নাই। দৰ্মহা দিবলৈ পইচা নাই। সেই কাৰণে মই মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো আৰু খাইদেউকো অনুৰোধ কৰিছো যে... অন্ততঃ লৰাবিলাকৰ পাব লগীয়াখিনি দিয়ক। ল ৰা বিলাক এনেয়ে বহি আছে। নহলে লৰাবিলাকে এৰি দিব। চাকৰি কৰিছে কিন্তু দৰ্মহা দিবলৈ পইচা নাই- চৰকাৰে পইচা দিব পৰা নাই। এই ল'ৰাবিলাকে হয়তো

কোনোৰা দিনা গণ্ডগোল কৰি দিব। অধ্যক্ষ মহোদয়, এইৰিলাকত মাত্র দুই, তিনিজন মানুহহে লাভৱান হৈছে।

অধ্যক্ষ মহোদয়, আৰু এটা কথা শুনিছো এইটো হলে মই দেখা নাই-শুনিছোহে যে— ৬ ট্ৰাংক টকা ৩—৪ জন চতুৰ্থ শ্ৰেণীৰ লোকে ভৰিৰে গছকি গছকি টকা ভৰাইছো যি দুই এটা ১০০ টকীয়া বান্দোল ভৰাওঁতে পৰি গৈছিল— সেইখিনি তোমালোকে যি ইচ্ছা তাকে কৰা বুলি এৰি দিছে। এনেকৈ ৬ ট্ৰাংক টকা ভৰাই নিছে।

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, আপুনি মোক বাৰে বাৰে কৰলৈ নিদি বহিবলৈ দিয়ে। আপুনি মোক কিয় বহিবলৈ কৈ আছে ?

মাননীয় অধ্যক্ষ : আপুনি বহিব লাগিব, যথেষ্ট আলোচনা হৈছে, আপুনি বহক। It is a Zero Hour matter. I have given sufficient time for discussion and I have said that I shall look into it.

( গণ্ডগোল )

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপাটোৱাৰী ডাঙৰীয়াই যিটো কৈছে তেখেত সকলে সদনত দৃষ্টিগোচৰ কৰাৰ কিছু দিনৰ আগতেই মই একচন লবৰ কাৰণে ইনিচিয়েট্ কৰিছো। একচন যদি তেখেতসকলৰ মন:পূত নহয় তেতিয়াহলে তেখেতসকলে কি কয়— কৰিব লাগিব। এইটো আজি কিয় লাগে।

* শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে আৰু এইটো প্ৰমাণিত হৈছে যে— ১ কোটি টকাৰ এল, অ', চিৰ বিপৰীতে ৪৫ কোটি টকা ড্ৰ কৰিছে আৰু গোটেই অসমত ২০০ কোটি টকা ড্ৰ কৰিছে। অসমত এইটো এটা বিৰাট ফাইনেন্সিয়েল স্কেন্‌ডেল। অসমত আগতে এনেকুৱা ডাঙৰ স্কেন্‌ডেল হোৱা নাছিল। মই অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিছাৰিছো যে— ইমান ডাঙৰ ফাইনেন্‌চিয়েল স্কেন্‌ডেল হৈছে— আৰু ইফালে চৰকাৰৰ টকা নাই, ঠিকাদাৰক পেমেণ্ট দিব পৰা নাই, চাকৰিয়াল সকলে দৰমহা পোৱা নাই—ইমান এটা ডাঙৰ স্কেন্‌ডেল চি, বি. আইক অনুসন্ধান কৰিবলৈ দিছে—পাৰ্লিয়ামেণ্টৰী এনকুৱাৰী কমিটিক অনুসন্ধান কৰিবলৈ দিছে— গতিকে এই চিকিউৰিটী কামৰ বাবে এই সদনত এটা তদন্ত কমিটি গঠন কৰি দিয়াৰ কাৰণে চৰকাৰৰ মতামত নাই নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই যিটো কথা কৈছে- পাৰ্লিয়ামেণ্টত কি হৈছিল, পাৰ্লিয়ামেণ্টত সেই বিষয়টো চৰকাৰৰ

* Speech not corrected

দৃষ্টিগোচৰ কৰিছিল, চৰকাৰে বিষয়টো জনা নাছিল। কিন্তু আজিৰ এই বিষয়টো আমাৰ চৰকাৰে জানে। চৰকাৰে ইনিচিয়েট কৰিছে। শ্ৰীগগৈ ডাঙৰীয়াই ১৯৬৭ চনৰ পৰাই এম-এল-এ হৈ আহিছে আৰু মই ১৯৭২ চনৰ পৰাই আছো। অধ্যক্ষ মহোদয়, এই ঘটনা ১৯৮৬ চনৰ পৰাই ঘটিছে বুলি মই ভাবিছো। গতিকে ১৯৮৬ চনৰ পৰা যিটো হৈছে সেইটো বৰ্তমানে চৰকাৰে বন্ধ কৰাৰ ব্যৱস্থা কৰিছে। পাৰ্লিয়ামেণ্টত জে-পি-চি কৰিছে —আমি ইয়াত বিভাগীয় ভাৱে কৰিছো' ইনিচিয়েট লৈছো। মোৰ নিৰ্দ্দেশ মতেই বিষয়াই বিষয়টো তদন্ত কৰিছে। তদন্তৰ ৰিপোৰ্ট পালে দোষীৰ ওপৰত ব্যৱস্থা লোৱা হব।

( গণ্ডগোল, সদনত কেইবাজনো মাননীয় সদস্যই একেলগে কবলৈ ধৰাত কাৰো বক্তব্য লিপিবদ্ধ কৰিব পৰা নগল )

Mr. Speaker : If it is a pleasure of the House I can do it. Kindly allow me to follow the rules of the House.

* Shri Zoii Nath Sarma : One Shri Bhogeswar Saikia and the then Deputy Secretary of the Vety. Department along with Senior Financial Adviser of the Department committed corruption and allegation in this regard has been brought to the notice of the Govt- but no enquiry has been made till date.

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মই বাৰে বাৰে কবলৈ ঠিয় হও কিন্তু আপুনি কবলৈ নিদিয়ে।

মাননীয় অধ্যক্ষ : মই সকলোকে কবলৈ দিছো। ৫-৬ জন সদস্যই একেলগে ঠিয় হৈ কবলৈ ধৰিলে মই কাক কবলৈ দিও। তথাপি মই আপোনাক কবলৈ দিছো। যদি সদনে আপোনাক কবলৈ অনুমতি দিয়ে ময়ো দিম।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মোৰ পিচত শ্ৰীজয়নাথ শৰ্মাক দিব।

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, খানাপাৰাৰ আই-চি-ডি-পিৰ যিজন ডেপুটি ডাইৰেক্টৰ আছে শ্ৰীটি মোহন নামৰ বিষয়াজনে ৭৭ লাখ ৬৪ হেজাৰ টকাৰো অধিক দিশপুৰ ট্ৰেজাৰীৰ পৰা ড্ৰ কৰিছে ফলচ্‌লি। অথচ এই কথা জনাৰ পিচতো চৰকাৰে উক্ত বিষয়াজনক পদোন্নতি দিছে। কিয় পদোন্নতি দিছে? কিয় তেওঁৰ ওপৰত ব্যৱস্থা লোৱা হোৱা

* Speech not corrected

নাই। ৰাজহুৱা ধন ১ টকা আত্মসাৎ কৰিলেও মোৰ বুকু হমহমাই যায়-অথচ এই বিভাগত ২০০ কোটিৰ গণ্ডগোল। অথচ তদন্তৰ ব্যৱস্থা নাই।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, তদন্ত কৰা নাই বুলি কোনে কলে? বিভাগীয় ভাবে এনকুৱাৰী চলি আছে। বিভাগে বিষয়াজনক পদোন্নতি দিছে। এতিয়া ৫ বছৰৰ এল, অ', চি পৰীক্ষা কৰিবলৈ দিয়া হৈছে ট্ৰেজাৰীত। এনকুৱাৰী ৰিপোৰ্ট পালেই দোষী বিষয়া কৰ্মচাৰীৰ ওপৰত ব্যৱস্থা লোৱা হব। শ্ৰীমোহনো যদি দোষী হয় সাৰি যাব নোৱাৰে।

মাননীয় অধ্যক্ষ: আপোনালোকে ৰুল ফল' কৰক। জিৰ' আৱাৰৰ মেটাৰত এনেধৰণেৰে ডিচকাচন কৰে নেকি?

(সদনত গণ্ডগোল)

* Shri Holi Ram Terang : Point of order. Point of order Mr. Speaker Sir, if you allow any member of the House to raise the matter without your notice; you have already allowed it and Chief Minister has also replied it and so it has become a precident of the House and so I expect Hon'ble Speaker would allow me to raise a metter without notice during Zero Hour.

Mr. Speaker : I allowed the point of order, But he should draw the attention of the Chief Minister. Mr. Gowala is a new Member he should not raise. If the reply is effective and documents are available he will give reply and there will be no discussion. Further this will not be allowed.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: অধ্যক্ষ মহোদয় আৰু কেইটামান কথা কৈয়েই মই বহি যাম— শ্ৰীভোগেশ্বৰ বৰুৱা নামৰ ডেপুটি চেক্ৰেটৰী এজনে এনকুৱাৰী কৰি ৰিপোৰ্ট দিছে, ৰিপোৰ্ট এতিয়া ফাইনেনচিয়েল এডভাইচাৰলৈ গৈছে।

---

★ Speech not corrected

অধ্যক্ষ মহোদয়, এই কেচত পিয়ন, খালাচী চাচপেও হলেই নহব। গাড়ী ঘোড়া লৈ থকা কেইবাজনো বিষয়া এই ২২ কোটি টকাৰ লগত জড়িত আছে। দুজন ডাইৰেক্টৰ— শ্ৰীটি, এন, দত্ত আৰু শ্ৰীজে, চি, শইকীয়াই লগ লাগি এইবোৰ কৰিছে। খাল্ বন্ধ কৰিলে ভালদৰে বন্ধ কৰিব লাগিব।

* শ্ৰীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰৰ এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব খুজিছো— আজি সদৌ অসম অন্যান্য পিচপৰা জাতি সম্প্ৰদায়ৰ প্ৰতিনিধিয়ে জনতা ভৱনৰ সন্মুখত, তেওঁলোকৰ দীৰ্ঘদিনীয়া দাবী পূৰণ নোহোৱা কাৰণে ধৰ্ণা দিছে। ১৯৮৩ চনতে অ', বি, চিৰ কাৰণে চৰকাৰে শতকৰা ১৫ ভাগ চাকৰি আৰু শিক্ষানুষ্ঠান আদিৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থা কৰিছিল— কিন্তু এইটো আজি মনা হোৱা নাই বুলি তেওঁলোকে অভিযোগ কৰিছে। আৰু এই ক্ষেত্ৰত আইন প্ৰণয়ণ কৰিব লাগে বুলি তেওঁলোকে দাবী কৰি ধৰ্ণা দিছে। মই এই বিষয়টো মাননীয় অধ্যক্ষৰ জৰিয়তে বিভাগীয় মন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো আৰু লগতে তেওঁলোকৰ দাবী যাতে মানি লয় তাৰ কাৰণে অনুৰোধ জনাইছো।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, মণ্ডল কমিচনৰ ৰিপোৰ্ট দিয়াৰ আগতেই আমি অ', বি, চি সকলৰ বাবে শতকৰা ১০ ভাগ সংৰক্ষণৰ ব্যৱস্থা কৰিছিলো। কিন্তু এতিয়া কেন্দ্ৰীয় চৰকাৰে মণ্ডল কমিচন গ্ৰহণ কৰাৰ পিচত এই সম্পৰ্কে ৰাজ্য চৰকাৰৰ পৰা সবিশেষ ৰিপোৰ্ট বিচাৰিছে। গতিকে এতিয়া মণ্ডল কমিচনৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰে সবিশেষ সিদ্ধান্ত নিদিয়ালৈকে আমি এই সম্পৰ্কত আইন কৰাত অসুবিধা হব পাৰে। গতিকে সেই ৰিপোৰ্ট পোৱাৰ পিচতহে ব্যৱস্থা লব পৰা যাব।

---

* Speech not corrected

# REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. Speaker : Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee in my office Chamber at 6.00 PM on 22nd March, 1993 to discuss and consider matters with regard to allocation of time to different Legislature Parties / Groups / Independent Members on General Discussion on Budget.

The Committee considered the inclusion of items and maintaining its seriality in thr List of Business for 23-3-93 The Committee has unanimously decided that items like matters under Rule 54 and matters under Rule 301 would not come in the list of Business for 23. 3. 93. The election of Deputy Speaker would be taken up just after the Zero Hour matters. The General Discussion on Budget would be taken up as soon as the item Election of Deputy Speaker is completed, The Committee has unanimously dec ided to take up the Resolutions for ratification of the Constitution ( Seventy-second Amendment ) Bill, 1991 and Constitution ( Seventy-third Amendment ) Bill, 1991 at 6.30 P.M and the item General Discussion on the Budget would be res umed as soon as the item Ratification Resolution is completed.

The Committee has also unanimously decided that the General Discussion on the Budget would close at 8.00 P.M on 24. 3, 93 and Finance Minister would start his reply from 8.00 P.M or as soon as the speeches of

Hon'ble Members on the General Discussion on the Budget are concluded.

The Committee has also unainmously decided that the questions listed for 22-3-93 would automatically lapse.

The Committee further decided that on 30th March, 1993 the Voting on Demands for Grants would come to a close at 7-00 PM and the Assam Appropriation Bill, 1993 would be taken up after 7-00 P. M.

The Committee further decided that the total time that would be made available for the General Discussion on the Budget would be 13 hours approximately subject to adjustment of time that would be consumed by other items taken up just after the Question Hour and before entering into the General Discussion on the Budget on both the days.

The rational allotment of the time amongst the different political Parties /Groups / Independent members is calculated as shown below :

| | |
|---|---|
| Congress ( I ) | – 396 minute ( including the reply of the Finance Minister ) |
| A. G. P. | — 114 minutes |
| B. J. P. | – 60 minutes |
| N. A. G. P. | — 30 minutes |
| A. S. D. C. | – 24 minutes |
| C. P. I, | – 24 minutes |
| C. P. I. (M) | — 12 minutes |
| Janata Dal | – 6 minutes |
| Independents | — 90 minutes. |

I hope this has the approval of the House.

( Approved by the House )

I now take up item No. 3 i e. election of Deputy Speaker. There are 8 valid nomination papers, 2 nomination papers are in favour of Shri Samarendra Nath Sen. 2 nomination papers are in favour of Shri Badan Barua and 4 nomination papers are in favour of Shri Prithibi Majhi. I now read out the particulars of the nomination papers as required by sub-rule (5) of Rule 8 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

1, Nomination paper —1 : Member nominated Shri Samarendra Nath Sen proposed by Shri Kali Ranjan Deb, Seconded by Shri Badri Narayan Singh.

2. Nomination paper — 2 : Member nominated Shri Samarendra Nath Sen proposed by Shri Mission Ranjan Das Seconded by Shri Parimal Suklabaidya.

3. Nomination paper — 3 : Member nominated Shri Badan Barua proposed by Shri Ramendra Narayan Kalita Seconded by Shri Sahidul Alam Chowdhury.

4. Nomination paper — 4 : Member nominated Shri Badan Barua proposed by Shri Bhrigu Kumar Phukan. Seconded by Shri Hitendra Nath Goswami.

5. Nomination paper —5 : Member nominated Shri Prithibi Majhi proposed by Dr. Bhumidhar Barman, Seconded by Shri Debendra Nath Baruah.

6. Nomination paper —6 : Member nominated Shri Prithibi Majhi proposed by Shri Lakshmi Prasad Borgohain. Seconded by Smti. Rupam Kurmi.

7. Nomination —7 : Member nominated Shri Prithibi Majhi proposed by Shri Sarat Barkataky. Seconded by Shri Goutam Bora.

8. Nomination—8 : Member nominated Shri Prithibi Majhi proposed by Shri Golok Rajbanghi. Seconded by Shri Upendra Nath Sanatan,

As there are more than one Member proposed. Assembly will now proceed to elect. one Member by ballot.

Hon'ble Members will collect the ballot popers from the Secretary and proceed towards the table of the House for placing mark X opposite the name of the candidate for whom he/she desires to cast his / her vote and put it in the Ballot Box placed on the Table of the House.

( Election process continues )

**Felicitation to the Newly Elected Deputy Speaker**

**Mr. Speaker :** Order, Order, Order. Hon'ble Speaker announcing the result of election of the Deputy Speaker,

| | |
|---|---|
| Total number of votes cast | – 111 |
| Vote rejected | – 1 |
| Total number of valid vote | — 110 |
| Vote cast in favour of | |
| Shri Samarendra Nath Sen | — 9 |
| Shri Badan Baruah | — 35 |
| Shri Prithivi Majhi | – 66 |

Shri Prithivi Majhi is declared elected as Deputy Speaker. I extend my heartiest thanks to all Hon'ble Members for conducting very smoothly the election of the Deputy Speaker. I convey my heartiest congratulation to Mr Prithivi Majhi for his election to this August office of the Deputy Speaker. Mr. Prithivi Majhi was in the Rajya Sabha for six years. He is very much experienced and conversant about the functions of the Parliamentary system. So I hope with his experience this House will also be very much benefited. Hon'ble Members Shri Badan Baruah and Shri Samarendra Nath Sen. if they would have been elected, I would have been rather more happy but they are also very capable. I hope Mr. Prithivi Majhi will also get more co-operation from all. I request Mr. Prithivi Majhi to occupy the seat of the Deputy Speaker. ( Mr. Prithivi Majhi occupied the Chair of the Deputy Speaker. )

* শ্রীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপৃথিৱী মাঝি ডাঙৰীয়া উপাধ্যক্ষ নিৰ্ব্বাচিত হোৱাৰ কাৰণে আমি আমাৰ ফালৰ পৰা অভিনন্দন জনাইছো। আশা ৰাখিছো তেখেতে সদনৰ মৰ্য্যদা ৰক্ষা কৰি নীতি নিয়ম ৰক্ষা কৰি কাম বিলাক চলাই যাব।

* শ্রীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীপৃথিৱী মাঝি ডাঙৰীয়া আজি সদনত উপাধ্যক্ষ হিচাবে নিৰ্ব্বাচিত হোৱা বাবে আমি আমাৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জনাইছো কাৰণ তেখেতে ইয়াৰ আগতে ৰাজ্য সভাৰ সদস্য আছিল। তেখেত আমাৰ এষ্টিমেট কমিটিৰ চেয়াৰমেন আছিল আৰু এতিয়াও হৈ আছে। মই ভাবো তেখেতে ৰাজ্য সভাৰ সদস্য হিচাবে জৰিত থকাৰ অভিজ্ঞতাৰ কাৰণে তেখেতে সদন ভাল ধৰণে পৰিচালনা কৰাৰ ক্ষেত্ৰত সহায় কৰিব। সদন পৰিচালনা কৰাত আমি আমাৰ তৰফৰ পৰা সম্পুৰ্ণ সহায় আগবঢ়াম। আপোনালৈ ইয়াকে কৈ মোৰ অভিনন্দন জনালো।

* শ্ৰীভৃগু কুমাৰ ফুকন : মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীপৃথিৱী মাঝি আজি উপাধ্যক্ষ হিচাবে নিৰ্বাচিত হোৱাত আমি আমাৰ ফালৰ পৰা সম্বৰ্দ্ধনা জ্ঞাপন কৰিছো। লগতে বিধান সভাৰ কাম-কাজ পৰিচালনা কৰাৰ ক্ষেত্ৰত যিখিনি সহায় সহযোগ আগবঢ়াব লাগে সেইখিনি সহায় সহযোগ তেখেতৰ পৰা আশা কৰিম।

Shri Parameswar Brahma : Mr. Speaker Sir, I extend heartfelt congratulation to Mr Prithivi Majhi who has been elected as Deputy Speaker. I on behalf of the BLP Chair offer my heartiest congratulation of his being elevated to the Chair of the Deputy Speaker. I hope Shri Majhi is being experienced would try his level best to Sustain the tradition of Parliamentary democracy and run the House

* Speech not corrected

keeping the dignity of democracy in the House. I hope, he will discharge the role of the Deputy Speaker and keep the dignity of the House and BLP will co-operate with him in all manner in maintaining the dignity of the August House;

* শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত উপাধ্যক্ষ হিচাবে নিৰ্বাচিত হোৱাত শ্ৰীপৃথিৱী মাঝি ডাঙৰীয়াক আমাৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জনাইছো। আমি আশা ৰাখিছো আমি যিখিনি জানো শ্ৰীপৃথিৱী মাঝি ডাঙৰীয়া ৰাজ্য সভাৰ সদস্য হিচাবে তেখেতৰ যথেষ্ট অভিজ্ঞতা আছে। তেখেতে হাউচ পৰিচালনাৰ ক্ষেত্ৰত যাতে সম্পূৰ্ণ নিৰপেক্ষ ভাবে হাউচ পৰিচালনা কৰিবলৈ সক্ষম হয়, এই ক্ষেত্ৰত আমি আশা ৰাখিছো। আমাৰ পাৰ্টিৰ ফালৰ পৰা আকৌ এবাৰ তেখেতক ধন্যবাদ জনায় মোৰ বক্তব্য ইয়াতে শেষ কৰিলো।

* শ্ৰীশশ্বকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত উপাধ্যক্ষ হিচাবে নিৰ্বাচিত হোৱা কাৰণে আমি শ্ৰীপৃথিৱী মাঝি ডাঙৰীয়াক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। সদন পৰিচালনা কৰাৰ ক্ষেত্ৰত আমি সকলো প্ৰকাৰে সহায় সহযোগ কৰিম। আমি আশা ৰাখিছো অভিজ্ঞ ৰাজ্য সভাৰ সদস্য হিচাপে তেখেতে আমাৰ বিধান সভা নিয়াৰিকৈ পৰিচালনা কৰিব আৰু সদনৰ পবিত্ৰতা ৰক্ষা কৰিব। এইখিনি আশা কৰি মোৰ বক্তব্য সামৰিলো।

Shri Mission Rn. Das : Mr. Speaker Sir, I congratulate Shri Prithivi Majhi from our Legislature Party (BJP) for being elected as Deputy Speaker of the House. He is an experienced man and I hope that he will preserve and uphold the dignity of the House.

---

* Speech not corrected

* Shri Chandra Mohan Patowary : Hon'ble Speaker Sir, I would like to congratulate Mr. Prithivi Majhi that he is elected as Deputy Speaker of the Assam Legislative Assembly and mostly I am very happy because of one thing that he is a man having Parliamentary experience both in Assam Legislative Assembly as well as in Parliament and apart from that he is the Chairman of the Estimate Committee where I am also an unfortunate member.

( interruption of some Hon'ble Members )

Sorry, I am also a very fortunate member of this Committee. During the last few years I have got the opportunity to visit many places with him in different parts of our country as well as interrogate some of our departments mainly the Department of Animal Husbandry & Veterinary, .. ... Mainly Department of Veterinary and others and the way he pleaded during that time we were very satisfied. The whole cantention of mentioning this is to show my regard when he is realy having knowledge of Parliamentary Democracy and how to maintain the decorum of the House. When we went with him to Delhi during the Estimate Committee's tour, I saw that right from Gr. IV employee in Parliament to M.P. and all other big officers really extend their full respect and they were asking one thing I should not mention it "Mr. Mazhi are you still MLA, why not Minister ?". Mr Mazhi said, "I am not willing to be Minister". One thing that a person having Parliamentary

* Speech not corrected

knowledge both in Parliament and in Assembly has become the Dy. Speaker of the House. I would like to congratulate him. Secondly Sir, I would like to request him because he will be some time in your Chair if he is allowed to have juditious and impartial attitudes and views to maintain the decorum and the convention of the House. With these words, I again congratulate him and conclude my Speech,

* শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ পক্ষৰ পৰা আমি আজি এই সদনত উপাধ্যক্ষ নিৰ্ব্বাচনত মাননীয় সদস্য পৃৃথিবী মাঝি ডাঙৰীয়া নিৰ্বাচিত হোৱাৰ বাবে তেখেতলৈ আন্তৰিক ধন্যবাদ জনাইছো। তেখেত এজন প্ৰাক্তন সংসদী সদস্য হিচাবে অভিজ্ঞ লোক আৰু সেই ফালৰ পৰা তেখেতে সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই যাব বুলি আমি আশা কৰো।

* Shri Holiram Terang : I rise to Congratulate Mr. Prithibi Mazi on his selection to the post of Dy. Speaker. I congratulate him on behalf of the ASDC. Sir, the tradition of the House or the Parliament is that the Speaker is elected from the Treasury Bench and the Deputy Speaker from the Opposition. So we wanted to have a Deputy Speaker from the Opposition, but we are having a person to get that post for which we feel very fortunate to have such a person of his calibre who occupy the Chair. We are more than happy that Mr. Mazi is occupying this post. Whenever I come into context I found Mr. Mazi is a man of knowledge and man of rationality,

* Speech not corrected

So, we believe he would be in a position to conduct the House in a very rational manner. I on behalf of the ASDC promise that we shall be co-operating with him in conducting the House in a Parliamentary democracy manner. At the same time we do hope as expected we shall be getting the best of his Parliamentary democracy way of conducting the House. I congratulate him again.

* শ্ৰীবদন বৰুৱা : মই জয় জয়তেই মামাৰ ফালৰ পৰা মাননীয় উপাধ্যক্ষ পৃথিবী মাঝি ডাঙৰীয়াক অভিনন্দন জনাইছো। তেখেত গণতান্ত্ৰিক পদ্ধতিৰে জয়লাভ কৰিছে। সেই কাৰণে আমাৰ কব লগা নাই। সাধাৰণতে যিবিলাক নিৰ্বাচন হয়, সেই বিলাক সাংবিধানিক ভিত্তিত কৰা হয়। ইয়াত পৰোক্ষভাৱে হৈছে। তেখেত এজন অভিজ্ঞ ব্যক্তি, তেখেত সংসদৰ সদস্য আছিল। তেখেতৰ যিটো সৌম্যক মুৰ্ত্তি আমি ভাল পাইছো। মাননীয় মাঝি ডাঙৰীয়াক অভিনন্দন জনাইছো। তেখেতে নিৰপেক্ষ ভূমিকা লব। তেখেতে সকলো ধৰণৰ সহায় সহযোগ আগবঢ়াব বুলি আমি আশা ৰাখিছো। বৰ্ত্তমান অধ্যক্ষৰ দৰে উগ্ৰমুৰ্ত্তি ধাৰণ নকৰে তাৰ আশা ৰাখিছো। পুনৰ অভিনন্দন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

* Shri Samarendra Nath Sen : We are glad that Mr. Prithibi Mazi for his being elected as Deputy Speaker of this August House I assure him all our co-operation and we hope he will also uphold the prestige and procedure of Parliamentary democracy.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে ভুলকৈ বুজিছে। মই দলৰ সমৰ্থন কৰা কথা কোৱা নাই। দলৰ মৰ্য্যাদা ৰক্ষা

* Speech not corrected

কৰা কথাহে কৈছো। আমি বিচাৰিছো নিৰপেক্ষ ভাবে বিচাৰ বিলাক হব লাগে।

* ডঃ জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় মাঝি ডাঙৰীয়া উপাধ্যক্ষ হিচাবে নিৰ্ব্বাচিত হোৱা বাবে মোৰ ফালৰ পৰা ব্যক্তিগত ভাবে আন্তৰিক অভিনন্দন জনাইছো। এই খিনিতে এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো। সাধাৰণতে সদনত থকা সংখ্যাগৰিষ্ঠ দলৰ তৰফৰ পৰা উপাধ্যক্ষ বা অধ্যক্ষ নিৰ্বাচিত হয়, কেতিয়াবা কেতিয়াবা ৰাজনৈতিক আদৰ্শৰ কাৰণে, সংঘাটৰ কাৰণে বিৰোধী পক্ষৰ দলৰ তৰফৰ পৰাও এই নিৰ্বাচনত প্ৰতিদণ্ডিতা কৰা হয়। যোৱাবাৰও নিৰ্বাচনৰ সময়ত প্ৰতিদণ্ডিতা কৰিছিলো আৰু এই বাৰো বিৰোধী দলে কৰিছে। এই প্ৰতিদণ্ডিতা বিৰোধী দল হিচাবে নহয়। এইটো এটা চিম্বলিক প্ৰতিদণ্ডিতা কৰা হয়। যোৱা দুবছৰ ধৰি বিধান সভাৰ অধিৱেশনত আমাৰ অভিজ্ঞতা হৈছে যে বহু সময়ত অধ্যক্ষই, উপাধ্যক্ষলৈ ডেলিগেট নকৰাৰ কাৰণে কিছুমান কাম কৰাত অসুবিধা হয়। সেয়ে আমি আশা কৰিছো আগৰ অভিজ্ঞতালৈ চাই বৰ্ত্তমানৰ অধ্যক্ষই এই বিষয়ে কিছু ধ্যান দিব।

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : আমাৰ দলৰ তৰফৰ পৰা অভিনন্দন জনাব বিচাৰিছো যে মাননীয় উপাধ্যক্ষ মহোদয়ে বিগত ডেৰ বছৰত আমাক সংসদীয় কাৰ্য্য পৰিচালনাত যথেষ্টখিনি সহায় সহযোগ আগবঢ়াইছে। সেয়ে আমি আজি তেনে এজন উপযুক্ত ব্যক্তি উপাধ্যক্ষ হৈ নিৰ্বাচিত হোৱাত ভাল পাইছো। আৰু তেখেতক অভিনন্দন জনাইছো।

Shri Giasuddin Ahmed : Mr. Speaker Sir, while congratulating Mr. Majhi for his election as Deputy Speaker I would like to point out that there is a convention that as soon as the Hon'ble Member is elected to the high

* Speech not corrected

post of the Speaker or the Deputy Speaker, he ceased to be a Member of any Political Party. That is the convention. Same in Parliamentary Democracy, and I hope on your election as Dy. Speaker like other to call it Hon'ble Speaker, you will not go further about the political controvercy and you will be impertial and juditious personality of the House I offer my heartful cooperation in all respect.

* শ্রীচিতেন্দ্র নাথ মজুমদার : মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় পৃথিরী মাঝি মহোদয়, গণতান্ত্রিক ভাবে এই সদনের উপাধ্যক্ষ নির্ব্বাচিত হওয়ায় উনাকে আমার আন্তরিক ধন্যবাদ জানাচ্ছি। তিনি এর আগে এষ্টিমেট্ কমিটির চেয়ারম্যান ছিলেন। আমিও এই কমিটির একজন সদস্য ছিলাম এই কমিটির চেয়ারম্যান হিচাবে উনার দক্ষতার নমুনা মাননীয় সদস্য শ্রীনগেন শর্মা মহোদয় উল্লেখ করেছেন। খুব কম সময়ের মধ্যে তাঁর অধ্যক্ষতায় ২৩টি রিপোর্ট এই সদনে পেশ করা হয়েছে। তিনি যে কর্ম্মদফতার সঙ্গে এষ্টিমেট কমিটি পরিচালনা করেছেন, আশাকরি উপাধ্যক্ষ নির্বাচিত হয়ে তিনি সেই দক্ষতার সঙ্গে এই সদন পরিচালিত করতে সক্ষম হবেন।

Shri Prithibi Majhi (Dy, Speaker) : Hon'ble Speaker, Hon'ble Chief Minister, Shri Hiteswar Saikia, Hon'ble Member Shri P. K, Mahanta and all other Political Leaders and all other Hon'ble Members, I am glad and thank you all of you for electing me and vesting the responsibility as Deputy Speaker. Though I have little experience in Parliament in six years but I think it is a little one because whenever I go to Parliament I feel myself that

* Speech not corrected

there. I am to learn something more and more. I feel it daily. And in the Assembly also when I came here I feel daily that there is something to be learnt. I say that the Parliament and Assembly is the sea of knowledge because this August House represents the voice of millions and therefore the sanctity and dignity must be maintained. The Dignity and the Sanctity of this August House means the dignity and sanctity of the State. Therefore from both side quit hearty cooperation must be there. I hope that this cooperation I will get and from all of you and we will render all posible cooperation as per rules permits. Thank you all again.

* শ্রীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, মই বিশেষ এটা কথালৈ সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অল আসাম নাৰ্চ এচোচিয়েনে তেওঁলোকৰ বিভিন্ন দাবীলৈ আজি দিশপুৰত ধৰ্ণা দি আছে। সেয়েহে তেওঁলোকৰ দাবী সমূহ আলাপ আলোচনাৰ মাজেদি সমাধান কৰিবলৈ মই অনুৰোধ কৰিলো। এই বিষয়টোত মই মাননীয় মুখ্যমন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। তেওঁলোকক মাতি আনি আলোচনাৰ মাজেৰে সমস্যাটো সমাধান কৰিবলৈ অনুৰোধ কৰিলো।

## MISCELLENEOUS

Mr. Speaker : Now I can proceed to item No 5. I request Shri P. K. Mahanta to speak on the Budget

* ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, বাজেট বক্তৃতা আৰম্ভ হোৱাৰ আগতে মই এটি বিষয়ত বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব

* Speech not corrected

বিচাৰিছো। বাজেটত ১১০ কোটি টকা চাৰপ্লাচ দেখুৱাইছে অথচ ইদৰ সময়ত কৰ্ম্মচাৰী সকলক ঈদৰ এডভান্স দিয়া নাই। সেয়ে অহা কালিৰ আগতে এই এডভান্স দিব নে নিদিয়ে জনাব লাগে আৰু লগতে বিহুৰ আগতে কৰ্মচাৰী সকলক এডভান্স দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটো দিয়ে নে নিদিয়ে বিত্তমন্ত্ৰী মহোদয়ে এতিয়াই জনাব লাগে। বাজেটত চাৰপ্লাচ ক্লোজিং বেলেন্স দেখুৱাইছে অথচ ঈদৰ আগতে কৰ্মচাৰী সকলক এডভান্স দিয়া নাই। অহা কালিৰ ভিতৰত ঈদৰ এডভান্স দিয়া হব নে নহয় মই এতিয়াই বিত্তমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী মহোদয় এজন দিলদাৰ মানুহ কিন্তু তেওঁ কিয় দিয়া নাই মই কব নোৱাৰো। পি, এচ, ও সকলে তিনি-চাৰি বছৰ টি-এ, ডি-এ পোৱা নাই— এই বিষয়ে মই মাননীয় বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। পি, এচ, ও সকলে নিজৰ জীৱন বিপন্ন কৰি আমাক ৰখি থাকে তথাপিও তেওঁলোকে আজি এই কেই বছৰে টি, এ ডি, এ পোৱা নাই। পুলিচৰ দেহৰক্ষী সকলেও পোৱা নাই। অৱশ্যে কেতিয়াবা কোনোবা ষ্ট্ৰং মন্ত্ৰীৰ শ্লিপৰ ওপৰত দুই এজনে টি, এ – ডি, এ পাইছে। কিন্তু বাকী বিলাকে পোৱা নাই। গতিকে আপোনাৰ জৰিয়তে অধ্যক্ষ মহোদয়, মই বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো পুলিচৰ চিকিউৰিটি সকলৰ টি, এ, ডি-এ সোনকালে ৰিলিজ কৰি দিয়ে যেন।

* শ্ৰীজীৱকান্ত গগৈ : (বিত্তমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জয়নাথ শৰ্ম্মা ডাঙৰীয়াই কৈছে ঈদৰ কাৰণে এডভান্স দিয়া নাই। কাৰণ এডভান্স বিচাৰিলে দিয়াৰ ব্যৱস্থা আছে। নিয়মেই আছে। গতিকে নোপোৱাৰ কাৰণ নাই। বিচাৰিলে পোৱাৰ কোনো অসুবিধা নাই। বিচৰা নাই গতিকেই পোৱা নাই। যিহেতুকে এইটো প্ৰভিজনেই আছে।

* Speech not corrected

* ডঃ জয়নাথ শৰ্মা : অহা মাহৰ এক তাৰিখৰ দৰমহাটো এডভান্‌চ হিচাবে দিয়াৰ কথাটো কৈছো । আপুনি কোৱা এডভান্‌চৰ কথা কোৱা নাই । বিহুৰ আগতেও এই এডভান্‌চ দিয়াৰ ব্যৱস্থা কৰিবনে ?

* মাননীয় অধ্যক্ষ : ইদ আহি আছে । গতিকে ট্ৰেজাৰীৰ পৰা টকাটো কেনেকৈ আনিব পাৰি চাওক । এই বিষয়ে আপুনি কওক ।

* শ্ৰীজীৱকান্ত গগৈ ( মন্ত্ৰী ) : ট্ৰেজাৰীয়ে ষ্ট্ৰাইক কৰি থকা কাৰণে কিছু অসুবিধা হৈ আছে । তেওঁলোকক নিগোচিয়েচনৰ কাৰণে মতা হৈছে । তেওঁলোকক ফাইনেনচিয়েল কমিচনাৰে মাতিছে । ট্ৰেজাৰীৰ লগত নিগোচিয়েচন হ'লে অসুবিধা নহব । পি, এচ, ও সকলৰ ভালেখিনি টকা । সেয়ে কিছু অসুবিধা হৈছে । কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পালে দিম ।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : এক মিনিটৰ কাৰণে মোক কবলৈ দিয়ক ।

মাননীয় অধ্যক্ষ : আপুনি বহক ।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিজে জানে বাহিৰলৈ গলে আপুনি শুলেও এই দেহৰক্ষী সকল নোশোৱে । তেনে স্থলত তেওঁলোকক কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পালেহে টকা দিব বুলি কৈছে । এতিয়া কথা হ'ল কেন্দ্ৰীয় চৰকাৰৰ পৰা টকাটো কেতিয়া পাব ? ১০ বছৰ যদি নাপায় তেওঁলোকে টকা নাপাব নেকি ?

* শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে পি, এচ, ও সকলে নিয়মিয়াকৈ টি-এ ডি-এ পাই থকা বুলি কৈছিল । যদি নিয়মিয়াকৈ ভ্ৰমন বানচেই পাই আছিল তেন্তে এই প্ৰশ্নৰ অৱতাৰণা কেনেকৈ হবলৈ পালে । মই বিত্তমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : পি, এচ, ও সকলৰ টকাটো কেতিয়া পাব ?

মাননীয় অধ্যক্ষ : এই বিষয়ে আপুনি মন্ত্ৰীৰ চেম্বাৰত আলোচনা কৰিব । এতিয়া বহক ।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়াই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

---

* Speech not corrected.

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) : যিমান পাৰো চেষ্টা কৰিছো। সম্ভৱ হলে দিম।

Mr, Speaker : Now General Discussion on Budget. Hon'ble Member Shri P. K. Mahanta.

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী গগৈ ডাঙৰীয়াই যোৱাকালি ১৯৯৩-৯৪ চনৰ আমাৰ ৰাজ্যৰ বাজেট সদনত উত্থাপিত কৰিছে। বাজেটখনত যদিও তেখেতে কিছু নতুনত্ব দিয়াৰ প্ৰয়াস কৰিছে তথাপি পুংখানুপুংখ ভাবে চালে দেখা যায় যে এই বাজেটে সৰ্বসাধাৰণ ৰাইজৰ কোনো আশা কঢ়িয়াই আনিব পৰা নাই বা সৰ্বসাধাৰণ ৰাইজক সকাহ দিব পৰা নাই আমি সাধাৰণতে জানো যে আমাৰ চৰকাৰী হিচাব সমূহ তিনিটা ভাগত ভাগ কৰা হয়। সেই কেইটা হ'ল— (১) একত্ৰীকৃত নিধি (২) উপনিমিত্ত পুঁজি আৰু (৩) ৰাজহুৱা হিচাপ। এই তিনিটা ভাগত আদান প্ৰদান কৰা ধনৰ বিশদ হিচাপ ভাৰতৰ নিয়ন্ত্ৰক মহালেখ পৰীক্ষকৰ দ্বাৰা নিৰ্দ্ধাৰিত হিচাপৰ মুখ্য, গৌণ উপশিতান আৰু বিশদ বিৱৰণ অনুযায়ী শ্ৰেণীভুক্ত কৰা হয়। ৰাজহৰ আয়, চৰকাৰে লোৱা ঋণ আৰু ৰাজ্য চৰকাৰে দিয়া অগ্ৰিমৰ আদায়কৃত টকাৰে সংগঠিত একত্ৰীকৃত নিধিৰ পৰা চৰকাৰৰ বিভিন্ন কাৰ্য্যসমূহৰ ব্যয় বহন কৰা হয়। বিধান সভাৰ অনুমোদন ব্যতিৰেকে উক্ত নিধিৰ পৰা টকা উলিয়াব নোৱাৰি আৰু সেয়ে উক্ত কাৰ্য্যাৰ্থে প্ৰত্যেক বিত্তীয় বছৰৰ প্ৰাৰম্ভতে বিধান সভাত ধন মঞ্জুৰীৰ কাৰণে দাবী উত্থাপন কৰা হয় আৰু এই মঞ্জুৰী সমূহ বিধান সভাৰ দ্বাৰা গৃহীত হলেহে একত্ৰীকৃত নিধিৰ পৰা ধন বিনিয়োজন কৰিবলৈ বিনিয়োজন অধিনিয়মত লিপিৱদ্ধ কৰা হয়। ১৯৯৩-৯৪ চনৰ বাজেটত যদিও ঘাটিৰ পৰিমাণ ১৬২.৬০ কোটি টকা দেখুৱা হৈছে তথাপিও ই বহুকোটি টকাকৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ১৯৯২-৯৩ চনৰ প্লেনৰ টকা শতকৰা ১০ ভাগো খৰচ হোৱা নাই। কিন্তু মাৰ্চ মাহৰ পৰা অধিক টকা দিব লাগিব আৰু তেতিয়া ঘাটিৰ পৰিমাণ ইয়াতকৈ বেছি হোৱাৰ সম্ভাৱনা আছে। অধ্যক্ষ মহোদয়, আমাৰ

---

* Speech not corrected

ৰাজেটখন তিনিটা ভাগত ভাগ কৰা হৈছে। তাৰোপৰি আমাৰ ৰাজ্যলৈ ধন অহাৰ দুটা উৎস আছে। এটা হ'ল প্লেনৰ পৰা আৰু আনটো হ'ল নন্ প্লেনৰ যোগেদি। প্লেনৰ টকাটো কেন্দ্ৰীয় সাহায্য হিচাপে ৰিচিপ্ত দেখুৱা হয় আৰু নন্ প্লেনৰ টকাটো হ'ল ৰাজ্যৰ নিজৰ আয়ৰ ধনখিনি। কেন্দ্ৰীয় চৰকাৰৰ গেটগিল ফৰমূলা অনুযায়ী আমাৰ দেশৰ ৰাজ্য সমূহে এই সুবিধা লাভ কৰে। ১৯৫১ চনৰ পৰা ১৯৯০ চনলৈ আমাৰ ৰাজ্য সমুহে কেন্দ্ৰীয় সাহায্য লাভ কৰি আছে এনে ধৰণে উত্তৰ প্ৰদেশে পাইছে শতকৰা ১৩.৫ ভাগ, অন্ধ্ৰপ্ৰদেশে পাইছে শতকৰা ৭ ভাগ, মধ্যপ্ৰদেশে পাইছে শতকৰা ৭.২ ভাগ, বিহাৰে পাইছে ৮.৫ ভাগ, ৰাজস্থানে পাইছে ৫.২ ভাগ আৰু আমাৰ অসমে পাইছে শতকৰা ৫.৭ ভাগ। অধ্যক্ষ মহোদয়, যোৱা বছৰৰ এপ্ৰিল মাহৰ পৰা কেন্দ্ৰীয় চৰকাৰে অসমলৈ আগবঢ়োৱা বিত্তীয় সাহায্যৰ ধৰণ সলনি হৈছে। আগতে ৭০ ভাগ ঋণ আৰু ৩০ ভাগ সাহায্য কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা হৈছিল। কিন্তু অসমত অসম গণ পৰিষদৰ চৰকাৰ ক্ষমতাত থাকোতেই কেন্দ্ৰীয় চৰকাৰক সন্মত কৰা অনুসৰি ১৯৯০-৯১ চনৰ পৰা শতকৰা ৯০ ভাগ গ্ৰান্ট আৰু শতকৰা ১০ ভাগ ঋণ হিচাপে আমাৰ ৰাজ্যই পাই আহিছে। গতিকে আগতকৈ আমাৰ ৰাজ্যৰ দায়বদ্ধতা কমি গৈছে। অধ্যক্ষ মহোদয় মই অতি আচৰিত হৈছো যে বৰ্ত্তমান চৰকাৰে আগৰ যিবিলাক ঋণ আছিল সেই সকলোখিনি মাফ কৰি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰক কব পাৰিলেহেতেন। কিন্তু তাকে নকৰি মাত্ৰ তিনি বছৰৰ কাৰণেহে মৰেট'ৰিয়াম বিচাৰিছে। অহা ইলেক্‌চনত এই চৰকাৰ নাহে নেকি। ৰিয়ে নহওক যি চৰকাৰে আহে তেওঁলোকেই সকলোখিনি ঋণৰ বোজা মূৰ পাতি লব লাগিব। মাননীয় অধ্যক্ষ মহোদয় ইয়াৰ উপৰিও বাজেটলৈ চালে দেখা যায় ৰাজ্যিক আয় ৰিটো দেখুৱাইছে ১৯৯১-৯২ চনৰ বাবে প্ৰকৃত ঘৰুৱা উৎপাদনৰ সূত হিচাপ অনুযায়ী চলিত মূল্যত ৯৫৬২ কোটি

টকা আৰু স্থিৰ মূল্য ৪৩২৮ কৌটি টকা বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ১৯৯০-৯১ চনৰ বাবে অনুৰূপ সাময়িক হিচাপ আছিল যথাক্ৰমে ৮৬৮০ কৌটি টকা আৰু ৩৯৭১ কৌটি টকা। দুয়োখন বাজেটত ১৯৯১-১৯৯২ চনৰ চলিত মূল্যৰ যি নিৰিখ দাঙি ধৰা হৈছে তাৰ মিল নাই। ১৯৯১-৯২ চনৰ প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৯০-৯১ চনতকৈ চলিত মূল্যত ১০.২ শতাংশ আৰু স্থিৰ মূল্যত ৯ শতাংশ বৃদ্ধি পায়। আনহাতে ১৯৮৯-৯০ চনৰ তুলনাত ১৯৯০-৯১ চনত অনুৰূপ পৰিবৰ্ত্তনৰ শতকৰা হাৰ আছিল যথাক্ৰমে ১২.১ শতাংশ আৰু ৪ শতাংশ। আগৰ বছৰটোৰ যথাক্ৰমে ৩৯৩২ টকা আৰু ১৭৯৯ টকাৰ বিপৰীতে ১৯৯১-৯২ চনৰ জনমূৰি আয় চলিত মূল্যত ৪২৩০ টকা আৰু স্থিৰ মূল্যত ১৯১৫ টকাত নিৰ্দ্ধাৰণ কৰা হৈছে। ১৯৯১-৯২ চনত চলিত মূল্যত ৭.৬ শতাংশ আৰু স্থিৰ মূল্যত ৬.৪ শতাংশ বৃদ্ধি পোৱা সূচায়। ১৯৮৯-৯০ চনতকৈ ১৯৯০-৯১ চনত জনমূৰি আয়ৰ বৃদ্ধিৰ হাৰ আছিল যথাক্ৰমে চলিত মূল্যত ৯.৬ শতাংশ আৰু স্থিৰ মূল্যত ১.৬ শতাংশ। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ তথ্যৰে মিল নাই। গতিকে মাননীয় বিত্ত মন্ত্ৰীয়ে এইবোৰ কথাৰ প্ৰতিও চকু দিয়ে যেন।

Annual financial Statement, 1992-93, Plan, Non-plan, Central Assistance, Receipt, Non-Tax Revenue. Share of State, Gadgil formula, Total Central Assistance, 13·5 percent, Andhra Pradesh 7 percent, M. P. 7·2 percent, Bihar 2·5 percent West, Bengal 5·7 percent, Rajasthan 5·2 percent, Assam 5·7 percent, financial pattern, moratorium for 3 years, 1993-94 Budget.

গতিকে মই ভাবো নন-প্লেন আৰু ষ্টেট প্লেনৰ ক্ষেত্ৰত চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ যিটো সমস্যা সেই সমস্যাটো আমাৰ ৰাজ্যৰ লগতো মিলাই চাব লাগে। মই আগতেই শংকা কৰিছিলো আৰু সেই কাৰণে মই কৈছো যে আমাৰ

টকা অহাৰ পথটো একেবাৰে সীমিত হৈ পৰিছে আৰু সম্পূৰ্ণ অচল হৈ গৈছে এই কথা বিত্তমন্ত্ৰী ডাঙৰীয়াও এইটো স্বীকাৰ কৰিছে। তাৰ বাহিৰেও ঋণৰ সংখ্যা যিটো ৰাজহুৱা ঋণৰ শিতানৰ পৰা আহে ..... Borrowing from Reserve Bank of India for 91 days, Treasury Bank 5% Corporation Tax 7% Income Tax 7% Custom duties 18% Non Tax Revenue 14% Non deft capital receipt 7% National borrowings 18% তাৰোপৰি অন্যান্য কোম্পানী পিয়েৰলেচ ইত্যাদিৰ পৰাও ধাৰ লোৱা হৈছে কিন্তু সেই ধাৰ কেনেকৈ পৰিশোধ কৰা হৈছে বা কৰা হব সেই বিষয়ে কোনো স্পষ্ট ইঙ্গিত নাই। আজি যি দেখা গৈছে পশ্চিমবঙ্গ চৰকাৰৰ আৰ্হি লৈ আমাৰ ৰাজ্যখনৰ বাজেটখন তৈয়াৰ কৰিবলৈ লৈছে কিন্তু এই কথাটো তেখেত সকলে ভালদৰে মন কৰা নাই যে এই বাজেটখন অসমৰ আৰু অসমৰ বাইজৰ পৰিবেশৰ লগত খাপ খোৱাকৈ অমিল হৈছে। পিয়েৰলেচৰ পৰা তেওঁলোকেও ঋণ লৈছে কিন্তু তেওঁলোকে সেই ঋণ কেনেকৈ পৰিশোধ কৰিব তাৰ পথো ভাল ধৰণে দেখুৱাই দিছে আৰু তাৰ উৎসটোও ভালধৰণে দেখুৱাইছে কিন্তু আমাৰ বাজেটখনত চৰকাৰে এই বিষয়টো প্ৰতিফলিত কৰিব পৰা নাই। এতিয়া শতকৰা ২০ ভাগ ঋণ লৈ সেই ঋণটো কেনেকৈ পূৰণ কৰিব সেই বিষয়ে কোনো স্পষ্ট ছবি তেওঁলোকে দাঙি ধৰিব পৰা নাই। উপাধ্যক্ষ মহোদয়, আন এটা গুৰুত্বপূৰ্ণ কথা হল চেলটেক্সৰ পৰা যেনেকৈ টেক্স আহৰণ কৰা হয়, সেই দৰে এগ্ৰিকালচাৰ ইনকাম টেক্স যোৱা বছৰতকৈ বেছি হৈছে কিন্তু চেণ্ট্ৰেল গভৰ্ণমেণ্টে কিছু হ্ৰাস কৰিছে। আজি অসমত যিসকল দুখীয়া খেতিয়ক আছে এই খেতিয়ক সকলে আৰু হতাশাগ্ৰস্ত হব অৱশ্যে চাহবাগানৰ মালিক পক্ষই এই ব্যৱস্থাৰ দ্বাৰা উপকৃত হব। এই ক্ষেত্ৰত চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ নীতি আৰু ৰাজ্য চৰকাৰৰ নীতিৰ মাজত সংঘাট আহিছে। সেইদৰে

ইলেক্ট্ৰনিকচ গুডচৰ ওপৰত চেণ্ট্ৰেল গভৰ্ণমেণ্টে ৩৫ শতাংশ হ্ৰাস কৰিছে কিন্তু আমাৰ চৰকাৰে এই ক্ষেত্ৰত বৃদ্ধি কৰিছে, অৱশ্যে ইলেকট্ৰনিক গুডচৰ মেনুফেকচাৰ বা উৎপাদনৰ ক্ষেত্ৰ আমাৰ ইয়াত বৰ সীমিত। Electronic system, instruments, apparatus and appliances including computers of all varities and other electronic items and parts and aceessories of all such goods ... ... আমাৰ ইয়াত ইলেকট্ৰনিক গুডচ কি কি বিক্ৰী হব পাৰে, এইটো আমাৰ ৰাজ্যত তেনেই সীমাৰদ্ধ। সেইকাৰণে উপাধ্যক্ষ মহোদয় মই ভাবো ইলেকট্ৰনিকচ গুডচৰ ওপৰত কৰ বহুৱাৰ যিটো ব্যৱস্থা কৰা হৈছে সেইটো কেন্দ্ৰীয় চৰকাৰৰ লগত অমিল হৈছে। টেক্স কালেকশ্যন কৰাৰ কাৰণে এডিশ্যনেল ৰিচোৰ্চ মবিলাইজ কৰাত আমাৰ কোনো আপত্তি নাই। কিন্তু বিত্তমন্ত্ৰী ডাঙৰীয়াই যিটো আয়ুৰবেডিক আৰু হোমিওপেঠিক মেডিচিনৰ ওপৰত ৪ পইচাকৈ টেক্স লগাইছে, কিন্তু এই আয়ুৰবেদীক আৰু হোমিওপেঠিক মেডিচিনত কোন শ্ৰেণীৰ মানুহে ব্যৱহাৰ কৰে? এই কথাটো বিবেচনা কৰিব লাগে। সেইদৰে এক্সৰে আৰু আলট্ৰাচনিক চিচটেমৰ ক্ষেত্ৰত মাত্ৰ ৪ পইচা আছিল এতিয়া সেইটো বৃদ্ধি কৰি ১২ পইচালৈ আনিছে। আপোনালোকে জানে যে আজিকালি আৰু আগতেও আমাৰ চিভিল হস্পিতাল বিলাকত এক্সৰে-প্লেট নাই, দুখীয়া শ্ৰেণীৰ লোকৰ কাৰণে মেডিচিন নাই আৰু দুখীয়া শ্ৰেণীৰ মানুহে নাপায়, গতিকে বাইজে প্ৰাইভেট ক্লিনিক বিলাকৰ ওচৰ চাপিব, তেতিয়া এই ক্লিনিক বিলাকে এক্স ৰে প্লেট বিলাকৰ দাম বঢ়াই লবলৈ আৰু এটা সুযোগ পাব। গতিকে এই বিষয়টোৰ ওপৰত বিশেষ ভাবে চিন্তা কৰিব আছে। যদি এইটো বিবেচনা কৰা নহয় তেতিয়াহলে এই বস্তু বিলাকৰ দাম সম্পূৰ্ণৰূপে বাঢ়ি যাব। পাঞ্জাবত কৃষি উৎপাদনৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। আৰু যোৱা বছৰতকৈ এই বছৰ তেওঁলোকৰ উৎপাদনৰ যথেষ্ট বৃদ্ধি হৈছে. ট্ৰেক্টৰৰ

ওপৰত তেওঁলোকে চাবচিডি দিছে আৰু তাত টেক্স জৰিত কৰা নাই। কিন্তু ইয়াত কি দেখা গৈছে— পথাৰ পৰিচালনা কমিটিক পাওৱাৰ টিলাৰ দিয়া হৈছে, অসমৰ মাটিত টেক্টৰৰ পৰিবৰ্ত্তে পাওৱাৰ টিলাৰৰ ব্যৱহাৰ সুবিধাজনক আৰু সেই কাৰণেই আমাৰ যিসকল নিৱনুৱা ডেকাই পাওৱাৰ টিলাৰ আৰু দুখীয়া শ্ৰেণীৰ লোকে পাওৱাৰ টিলাৰ ব্যৱহাৰ কৰিছে, যদি পাওৱাৰ টিলাৰৰ ওপৰত ৮ শতাংৰ পৰা ১২ শতাংশ লগাই তেতিয়া-হলে আমাৰ দুখীয়া কৃষকৰ কাৰণে অসুবিধা হয়। কিন্তু ট্ৰেক্টৰৰ ৰেহাই দিলে চাবাগিছাৰ মালিক বা ধনী কৃষক সকলেহে সুবিধা পায়। গতিকে পাওৱাৰ টিলাৰৰ ওপৰত যিটো টেক্স বৃদ্ধি কৰিছে সেইটো বিশেষভাবে মন কৰিৰ লগীয়া আৰু সেই বিষয়ত পুনৰ চিন্তা কৰি ব্যৱস্থা লব লাগিব। উপাধ্যক্ষ মহোদয় মই আচৰিত হৈছো বিত্তমন্ত্ৰী ডাঙৰীয়াই নাৰীৰ ওপৰত কিয় ইমান বিদ্বেষী মনোভাব লৈছে কিয়নো ৰান্ধনী ঘৰৰ আচবাব বিলাকৰ ওপৰত কিয় টেক্স বৃদ্ধি কৰিছে ? তেখেতৰ ঘৰত গম পালে তেখেতক ৰেয়া পাব। আনহাতেদি কেন্দ্ৰীয় চৰকাৰে মহিলাৰ ক্ষেত্ৰত শতকৰা ৩০ ভাগ ৰিজাৰ্ভেশ্যনৰ সুবিধা দিছে আৰু অসম চৰকাৰে মহিলাই ব্যৱহাৰ কৰা বস্তু বিলাকৰ ওপৰত কৰ বৃদ্ধি কৰিছে। উপাধ্যক্ষ মহোদয়, ইয়াৰোপৰি তেখেতে চিনামাটি ১২ শতাংশৰ পৰা ১৪ শতাংশ কৰিছে। উপাধ্যক্ষ মহোদয়, ইলেকট্ৰিকেল বাল্ব আৰু পাৱাৰৰ কথা আহিলে কব যে কৰেল ইলেকট্ৰিফেকেচন আজি হৈছে। দুখীয়া আৰু মধ্যবিত্ত মানুহে বাল্ব লব লাগে কিন্তু ১২ পইচাৰ ঠাইত 14 পইচালৈ বঢ়াই দিছে। তাৰ ঠাইত দুখীয়া মানুহ ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ উপৰিও দি, এম: টিৰ পৰা আৰম্ভ কৰি পলিষ্টাৰলৈকে যিটো ১২ পইচা লগোৱা হৈছে ইয়াৰ ফলত কিবা এটা আনুসঙ্গিক উৎপাদন হলেও দাম বঢ়াৰ সম্ভাৱনা আছে। আজি দেখা গৈছে ধুপ কাঠিৰ ওপৰতো টেক্স লগোৱা হৈছে।

ৰচি চুত্‌লি আদিৰ ওপৰতো কৰ বাঢ়ি গৈছে। ৭ পইচাৰ পৰা ৮ পই- চালৈ বাঢ়ি গল। Fire works including coloures matches 8 to 12 P. আজি গেচ লাইটাৰৰ ঠাইত মেচ ব্যৱহাৰ কৰে। কালাৰ মেচ ব্যৱহাৰ কৰে তাকো ৮ পইচাৰ পৰা ১২ পইচা কৰা হল।

শ্ৰীজীৱকান্ত গগৈ (বিত্তমন্ত্ৰী): সেইটো ফটকাৰ ৰঙানীলা জুইশলাহে।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত: মেচ যদি এইবিলাক কামত ব্যৱহাৰ নহয় তেনেহলে মই বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো। উপাধ্যক্ষ মহোদয়, আজিকালি প্লাচটিকৰ এনে কিছুমান বস্তু ওলাইছে সেইবিলাক গাৱঁৰ মানুহেও ব্যৱহাৰ কৰে সেইবিলাকৰ ওপৰত এই টেক্স বঢ়াই দিয়া হৈছে। ষ্টেইনলেচ ষ্টীলৰ ওপৰতো শতকৰা ১২ শতাংশৰ পৰা ১৪ শতাংশলৈ টেক্স বঢ়াই দিয়া হৈছে। তেখেতে কৈছে যে, ইউনিফৰ্মৰ ওপৰত কৰ ৰেহাই দিয়া হৈছে। কিন্তু তেওঁলোকে ৰেহাই পাব কত ? কৰ ফাকি দিয়া ব্যৱস্থা বন্ধ কৰিব নোৱাৰো। ফলত কোনো লাভ নহয়। কাপোৰৰ ব্যৱসায়ী সকলে এটা কাপোৰৰ দাম ২৫/৩০/৫০ টকা কৰিব, সাধাৰণ জনসাধাৰণে জনাৰ কোনো ৰাস্তা নাই। গতিকে এইটোত যে কনচেচন পাব এইটো এটা প্ৰশ্নৰ বিষয়। তাৰোপৰি তেখেতে এটা ব্যৱস্থা কৰিছে, অৱশ্যে মই তেখেতৰ ব্যৱস্থাক সমালোচনা কৰিব বিচৰা নাই। এই ব্যৱস্থাটো যদি ভালকৈ ইমপ্লিমেণ্ট কৰিব পাৰে তেনেহলে কৰ ফাকি দিব নোৱাৰাৰ ব্যৱস্থা কৰিব পাৰে। আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য বিলাকলৈ কলগেটৰ পৰা আৰম্ভ কৰি যিবিলাক বস্তু আছে অৰুণাচল, নগালেণ্ড আদি ৰাজ্যলৈ সেই সকলোবিলাক বস্তু তালৈ নাযায়। এই বস্তু বিলাক আমাৰ তিনিচুকীয়া, গুৱাহাটী, যোৰহাট এইবিলাকত বিক্ৰী হয়। এইটোত কেনেকৈ বাধা দিয়া হব তাৰ কোনো ব্যৱস্থা। কোনো স্পষ্টনীতি চৰকাৰে লোৱা নাই। কলগেটটো

* Speech not corrected

মই উদাহৰণ হিচাবেহে দিছো। এইবিলাক তেখেতে চাব লাগে। উপাধ্যক্ষ মহোদয়, আৰু এটা কথা যে ... ... ... ... গাঁৱ অঞ্চলৰ দুখীয়া মানুহে এইবিলাক ব্যৱহাৰ কৰে আৰু সাধাৰণ বেগ এটা লবৰ কাৰণেও তেওঁলোকে চিন্তা কৰে। মই ভাবো যে এইবিলাক ক্ষেত্ৰত তেখেতে অলপ চোৱাচিতা কৰা ভাল হব। আমাৰ গাওঁ অঞ্চলৰ দুখীয়া মানুহ খিনিয়ে যিবিলাক বস্তু বজাৰৰ পৰা কিনিব লাগে আৰু যিবিলাক বস্তুৰ দাম বাঢ়ি গৈছে সেইবিলাক বস্তুৰ দাম কমোৱাৰ ক্ষেত্ৰত যাতে ব্যৱস্থা লব পাৰে তাৰ কাৰণে আশা কৰিলো। আমাৰ বাজেটখনে যাতে তেওঁলোকক সকাহ দিব পাৰে তালৈ দৃষ্টি দিব লাগে। যদিও এইবিলাক কথা কোৱা হৈছে আৰু বহুতো কথা কবলগা আছে। মই আগতেও কৈছো যে, আমাৰ বাৰ্ষিক পৰিকল্পনাৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ তৰফৰ পৰা এই ব্যৱস্থাটো লোৱা উচিত আছিল। সেই ব্যৱস্থাটো হৈছে আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক জোৰ কৰি কব লাগে যে কেন্দ্ৰীয় চৰকাৰৰ তাত অসম চৰকাৰৰ যিমান ঋণ আছে সেই সকলোখিনি কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণভাৱে মাফ কৰি দিব লাগে। নহলে একো লাভ নহব। উপাধ্যক্ষ মহোদয়, আনহাতে এটা কথা দেখা গৈছে আৰু আমাৰ বিচিপ্তত কোৱা হৈছে যে,

Receipts— The actual revenue receipt in 1991-92 was Rs, 2417·66 crores showing an decrease of Rs, 155·99 crores over the revised estimates. The decrease is mainly under Grants-in-Aid from Govt. of India.

ভাৰত চৰকাৰৰ পৰা এই টকা নোপোৱাৰ কাৰণে এইটো কমি আছে বুলি তেখেতে ইয়াত উল্লেখ কৰিছে। মই ভাৰো যে কেন্দ্ৰীয় চৰকাৰৰ পৰা এইটো অনাৰ ব্যৱস্থা কৰিব লাগে। আনহাতে লেচ এক্সপেনদিচাৰৰ ক্ষেত্ৰত কৈছে যে,

*R*evenue Expenditure— The Revenue Expenditure for 1993-94 is estimated at Rs, 2774·50 crores as against the estimated expenditure of Rs. 2538·87 crores over the Revised Estimates of 1992-93. The increase of about Rs. 235·63 crores in estimates of Revenue Acount expenditure for

the years as against Revised Estimates 1992-93 is mainly carry over debt serving liability of 1992-93 to 93-94 apart from normal increase .... ... closing balance at (—) 162·60 crs.

এইটো স্বীকাৰ কৰি লোৱা হৈছে। কেপিটেল ৰিচিপ্তৰ ক্ষেত্ৰত কোৱা হৈছে যে—

Capital Receipt— The actual Capital Receipts in the State Consolidated Fund in 1991 92 was Rs 1023·42 crores showing an increase of Rs. 69·10 crores from the revised estimates of the year. The increase was mainly due to receipt in respect of loan from the Govt. of India and others.....

ভাৰত চৰকাৰৰ পৰা আন আন ইন্‌চটিটিউচন বিলাকে প্ৰথমে ঋণ লোৱাৰ বাবে পইচা জমা আছে বুলি কোৱা হৈছে। ইয়াৰ ফলত যাদে'নহে বাঢ়ি যাব। এইটো নোহোৱা কৰাৰ ব্যৱস্থা ইয়াত উল্লেখ কৰা হোৱা নাই। আনহাতে ঠিক তেনেধৰণে ৰেভিনিউ এক্সপেনদিচাৰৰ ক্ষেত্ৰত ১৯৯৪ চনৰ বাজেটে ১৬২ কৌটী টকাৰ ঘাটি সামৰি লৈ ফৰিব বুলি কৈছে। আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই এইটো কৈছে আৰু এইটো হলে আমি সন্তোষ পাম। কিন্তু উপাধ্যক্ষ মহোদয়, গোটেই কথাবিলাক চাই ১৯৯২-৯৩ চনৰ বাজেটে ১৯৯৪ চনৰ মাৰ্চ মাহত ১৬২ কৌটি টকা সামৰিব নোৱাৰিব ৰৰঞ্চ বেছিহে হব। কনচলিদেটেৰ ঋণ লোৱা হৈছে গতিকে গোটেই বিলাক মিলাই বাঢ়িব। ইয়াৰ দ্বাৰা বিত্তীয় অৱস্থাটো স্বীকাৰ কৰা হৈছে। উপাধ্যক্ষ মহোদয়, ক্লোজিং বেলেঞ্চটো দেখুওৱা হৈছে সেই ক্ষেত্ৰতো দৃষ্টি দিয়া ভাল হব। আমি দেখিছো তথ্য বিলাকৰ ক্ষেত্ৰত বহু ক্ষেত্ৰত দেখিছো যোৱা বছৰটো এই বছৰৰ লগত নিমিলে। আমাৰ বাজেটখন সম্পূৰ্ণ নিৰ্ভৰ কৰে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত। সৰকাৰীয়া কমিচনে যিটো ৰিপোৰ্ট দিছে সেই ৰিপোৰ্টটো মানি লবলৈ হেচা দিব লাগে। সেই ৰিপোৰ্ট অনুসৰি ৰাজ্য চৰকাৰক অধিক ক্ষমতা দিব লাগে। চাহৰ ক্ষেত্ৰত আমি দেখিছো অৰ্থদক্ষ চাহপাতত অসমত

চেলটেক্স নাই কলিকতাত শতকৰা ৪ ভাগ দিব লাগে। এই চাহ গুৱাহাটী অকচন মাৰ্কেটলৈ আহিলে ৬ সপ্তাহ লাগে কিন্তু কলিকতাত ১২ সপ্তাহ লাগে। বিক্ৰী গুৱাহাটীতে ভাল হয় অথচ এই অৰ্থদক্স চাহপাত কলিকতালৈ নিলে তাত এন্ট্ৰি টেক্স দিব লাগে শতকৰা ১৪ ভাগ ট্ৰেন্সপোৰ্টেচনৰ কথা আছেই, লেবাৰ প্ৰবলেম আছেই। এই চাহত আমাৰ ইয়াত কৰ লগালেও অসুবিধা নহয় আমাৰ ৰাজ্যত শতকৰা ২ ভাগ লগাব পাৰে। কাৰণ কলিকতালৈ নিলে এন্ট্ৰি টেক্স ১৪ ভাগ, বিক্ৰীকৰ শতকৰা ৪ ভাগ আৰু শ্ৰমিকৰ সমস্যা আছেই। গতিকে মই বিত্তমন্ত্ৰীক এই ক্ষেত্ৰত চকু দিবলৈ অনুৰোধ জনাইছো। চাহৰ বজাৰখনক ৰেহাই দিয়া বা আন বজাৰলৈ স্থানান্তৰ কৰাৰ যি ষড়যন্ত্ৰ তাক কেনেকৈ ৰোধ কৰিব পৰা যায় তাৰ চেষ্টা কৰিব লাগে। খাৰুৱা তেলৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ নীতি শেহতীয়াভাবে ঘোষণা কৰিছে। মই বিত্তমন্ত্ৰীক গুজৰাট চৰকাৰৰ লগত লগ লাগি এই ৰয়েল্টি বঢ়াবলৈ চেষ্টা কৰিবলৈ অনুৰোধ জনালো। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আমি আমাৰ সম্পুৰ্ণ নাায্য দাবী সজোৰে উত্থাপন কৰিব লাগে। দাইল চাউলৰ ওপৰত কৰ যোৱা বছৰ লগাইছে সেইটো ৰেহাই দিব পাৰি নেকি সেইটো বিবেচনা কৰা উচিত। আমাৰ নন প্লেন ৰেভিনিউ এক্সপেনদিচাৰ ১৯৯৩-৯৪ চনত ২,২০০ কৌটি টকা হব বুলি কৈছে। এইটো কেনেকৈ কমাব পাৰি তাক পৰীক্ষা কৰি এটা ব্যৱস্থা লব বুলি আশা কৰিলো। আৰু মাত্ৰ আঠ দিন আছে এই বিত্তীয় বছৰটো শেষ হৰলৈ কিন্তু অহা বছৰটোত ৩৬০০ কৌটি টকাতকৈ ননটেক্স ৰেভিনিউ নাবাঢ়ে বুলি কৈছে। গতিকে যিকোনো প্ৰকাৰে কেন্দ্ৰীয় চৰকাৰক হেচা দিব লাগিব তেওঁলোকৰ চেয়াৰ বঢ়াবলৈ। ১৯৯৩-৯৪ চনৰ প্ৰথম বছৰটোতে ৪৩৬ কৌটি টকা কেন্দ্ৰীয় চৰকাৰৰ

চেয়াৰ। বাকী গোটেইখিনি লগলাগি মুঠ ননপ্লেন ৰেভিনিউ ৩৬০০ কৌটি টকা হব লাগে। তথাপিও বহুত টকাৰ ব্যৱধান থাকি যোৱাৰ সম্ভাৱনা আছে। এই বিষয়টো বিত্ত মন্ত্ৰীয়ে ভাল ধৰণে লক্ষ্য কৰা উচিত। অধ্যক্ষ মহোদয়, ১৯৯১ চনৰ ২৫ আৰু ২৬ তাৰিখে এন, দি, চিৰ যিখন মিটিং হৈছিল তাত বহুত পৰামৰ্শ আগবঢ়াইছে। সেইটোক মূল কৰি লৈ বিভিন্ন ব্যৱস্থা লব লাগে। কিছুমান ক্ষমতা আমি নিজৰ হাতলৈ আনিব লাগে। নগালেণ্ড চৰকাৰে মাটিৰ ওপৰত, খনিজ সম্পদৰ ওপৰত যিধৰণে ক্ষমতা অধিকাৰ কৰি লৈছে সেই ক্ষমতা আমাক দিয়া নাই সেই ক্ষমতা আমি আনিব পাৰিলে ৰাজহৰ ওপৰত বহুত কথাই নিৰ্ভৰ কৰিব পাৰিম। সেইকাৰণে আমি যুক্তৰাষ্ট্ৰৰ গাঠনি বিছাৰিছো। যুক্ত ৰাষ্ট্ৰৰ গাঠনিত আমাৰ দেশ গঠিত হলে কেন্দ্ৰীয় চৰকাৰে কিছুমান ক্ষমতা ৰাজ্য চৰকাৰলৈ হস্তান্তৰ কৰিব লাগিব। মই সিদিনাও কৈছো আমাৰ ৰাজ্যৰ যিখিনি ৰাজেটৰ ধন সেইখিনি বোম্বেত অকল মটৰ ভেহিকেল টেক্সৰ পৰা সিমানখিনি ধন আদায় কৰে। সেইবিলাক চৰকাৰৰ কিছুমান ইনকামৰ পথ আছে আজি পশ্চিমবঙ্গৰ নিচিনা এখন ৰাজ্যত ৰিচোৰ্চ মোবিলাইজেচনৰ উৎস বহুত বেছি। সেই কাৰণে সৰকাৰীয়া কমিচনৰ যিবিলাক অনুমোদন সেইবিলাক কাৰ্য্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক সৈমান কৰিব লাগে। সেইটো সৈমান কৰিব পাৰিলে আমাৰ বিত্তীয় অৱস্থা বহুত টৰ্নকিয়ঞ্জ কৰিব পৰা যায়। অধ্যক্ষ মহোদয়, কেটেগৰী ওৱাইজ ষ্টেটবিলাক ভগাইছে সেই হিচাবে কেন্দ্ৰীয় চৰকাৰে সহায়ৰ মাত্ৰা বঢ়াব লাগে। অৱশ্যে বহুত ক্ষেত্ৰত দেখিছো আমাৰ ৰাজ্যই কিছুমান খবৰ পাওঁতে পলম হয়। খবৰ বিলাক যাতে সময়মতে পাই তাৰ ব্যৱস্থা কৰিব লাগে। কেন্দ্ৰীয় বিত্ত-মন্ত্ৰী শ্ৰীমনোমোহন সিংএ এটা বিত্তীয় চাৰ্ভেৰ প্ৰতিবেদনৰ কিছু কথা অনুমোদন কৰিছিল। কিছু কথা কেন্দ্ৰীয় চৰকাৰৰ ৰেলৰে বাজেটত উত্থাপন কৰা হৈছে।

তাত দেশৰ ভিতৰতে ৰিচোৰ্চ মোবিলাইজেচন কৰাৰ কথা উল্লেখ কৰিছে। সেই আধাৰত কিছু কথা আমাৰ ইয়াতো প্ৰযোজ্য কৰিব পাৰিলে ৰিত্তীয় পৰিস্থিতিৰ কিছু উন্নতিৰ সম্ভাৱনা নিশ্চয় নুই কৰিব নোৱাৰি। নৰসিংহম কমিটিৰ পৰামৰ্শমতে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰে কিবা সুবিধা লাভ কৰিব পাৰি নেকি সেই বিষয়ে চৰকাৰে দৃষ্টি ৰখা উচিত। অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় ৰেলৱেৰ যিখন বাজেট সেই বাজেটত থকা প্ৰস্তাৱ অনুসৰি এক এপ্ৰিলৰ পৰা কিছু বস্তুৰ দাম বাঢ়িব পাৰে বা বঢ়াৰ সম্ভাৱনা আছে আমি নৰ্থ ইষ্টাৰ্ন ৰাজ্যকেইখন বেকৱাৰ্ড বুলি কেন্দ্ৰৰ পৰা কিছু সকাহ পাব পাৰি নেকি সেই দিশটো পৰীক্ষা কৰি চোৱা দৰ্কাৰ।

শেষত এই বাজেটখন আৰু বেছি সজীব কৰি তুলিব পাৰিলে-হেতেন যদিহে দুখীয়া জনসাধাৰণৰ ওপৰত আৰু বেছি গুৰুত্ব আৰোপ কৰিলেহেতেন কৃষিত কিছু ৰেহাই দিয়া হলে খেতিয়কে আৰু বেছি সুবিধা পালেহেতেন। তাকে নকৰাৰ কাৰণে দুখীয়া জনসাধাৰণৰ মনলৈ কোনো আশাৰ ৰেঙণি কঢ়িয়াই আনিব নোৱাৰিলে। আৰু বাজেটখনে অসমৰ জনসাধাৰণক উপকৃত নকৰে।

এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

( The House resumed its business after lunch break at 3'00 P-M. with the Hon'ble Speaker in the Chair )

* শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত সময় বৰ কম। মাত্ৰ ৫ মিনিট সময়। গতিকে বাজেট সম্পৰ্কে বহলভাবে আলোচনা কৰাৰ সুবিধা নাই। সেই কাৰণে মই এই বাজেটখনৰ সম্পৰ্কত

মাত্ৰ দুটা কথা উল্লেখ কৰিব খুজিছো।

বিত্তমন্ত্ৰী ডাঙৰীয়া অকল বৰ্ত্তমান বিত্তমন্ত্ৰীয়েই নহয়— আগৰ সকলো বিত্তমন্ত্ৰীয়েও এটা সচাঁ কথা বাৰে বাৰে পাহৰি যায়— সেইটো হৈছে আয় মানে কেৱল টকা পোৱাকে নুবুজায় খৰচৰ লগত আয়ৰ এটা সম্পৰ্ক আছে। অপচয় বন্ধ কৰিব পাৰিলে সেইটোও আয়'ৰ ঘৰত ধৰিব লাগিব। যদি অপচয় বন্ধ কৰিব পৰা নাযায়— তেতিয়াহলে সেইটো খৰচ হৈ গৈয়ে থাকিব। চৰকাৰে ৰিচ'ৰ্চ মবিলাইজেচন বা সম্পদ আহৰণৰ বহু কথাই কৈছে। ১৬২ কৌটি ৬০ লাখ টকাৰ ঘাটি বাজেট উত্থাপন কৰি কিছুমান বস্তুৰ ওপৰত নতুন কৰ ধাৰ্য্য কৰিছে আৰু কিছুমানৰ ওপৰত কৰৰ পৰিমান বঢ়াই দিয়া হৈছে। মই ভাবো নতুন কৰ ধাৰ্য্য নকৰি বৰ্ত্তমান টেক্স ষ্ট্ৰাকচাৰ বা কৰৰ গাঠনি বা কৰৰ হাৰ কমাই দিলেও বাজেটত ঘাটি পৰাৰ কোনো সম্ভাৱনা নাথাকে। যদি অপচয় বন্ধ কৰা হয় আৰু কৰ ফাকি দিয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হয়। প্ৰতি বছৰে দেখা যায় যে লাখ লাখ টকাৰ অপব্যয়, মিচ্ এপ্ৰপ্ৰিয়েচন বা মিচ্-ইউজ হৈ থাকে এনে ধৰণৰ খৰচৰ অব্জেকচন প্ৰতি বছৰেই অডিটৰ জেনেৰেলৰ ৰিপোৰ্টত পোৱা যায়। এই অডিট অব্জেকচনৰ টকাৰ পৰিমান যদি যোৱা কেইবছৰ ধৰি ভালদৰে হিচাপ কৰি চোৱা যায়— তেতিয়াহলে কেইবা হাজাৰ কৌটি টকাত পৰিণত হব। এই যে বিৰাট পৰিমানৰ অপচয় হৈ আছে— সেইটো যদি কঠোৰ-হাতেৰে বন্ধ কৰিব পৰা যায়— তেতিয়াহলে এই টকা নাটনি হোৱাৰ কথা নাহে। আজি আগবেলা এটা কথা আলোচনা হৈছে— সেইটো হল এল, অ, চি'ৰ কেলেংকাৰী ২০০ কৌটি টকা। এইটো এটাহে ঘটনা কিন্তু এনেকুৱা ঘটনা কিমান যে ঘটি আছে— তাৰ সকলো তথ্য ডাঙি ধৰিবলৈ হলে এই কেই মিনিট মানত শেষ নহয়। মোৰ ওচৰত ডকুমেণ্ট আছে, অডিটৰ জেনেৰেলৰ ৰিপোৰ্ট আছে— সেইবিলাক দেখুৱাব পাৰো।

অধ্যক্ষ মহোদয়, পঞ্চায়তৰ সম্পৰ্কত গাওঁ উন্নয়ণ বিভাগৰ কথা কৈছে। দুটা গুৰুত্বপূৰ্ণ আচনি আছে। সেই আচনি দুটা হ'ল- জৱাহৰ ৰোজগাৰ যোজনা আৰু আই, আৰ-ডি, পি। এই দুটা আচনিৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে বেছি গুৰুত্ব দিছে আৰু কৌটি কৌটি টকা এই আচনিত খৰচ কৰাৰ কাৰণে ব্যয় কৰিছে। তথাপি অধ্যক্ষ মহোদয়, এই জৱাহৰ ৰোজগাৰ আচনিত কি হৈছে— কাগজে পত্ৰে ইয়াৰ হিচাব ঠিকেই আছে - তাত যিমান টকাৰ কাম হৈছে বুলি কাগজত দেখুৱাইছে - আজিলৈকে তাৰ চাৰি ভাগৰ এক ভাগো প্ৰকৃত কামত খৰচ হৈছে বুলি আমাৰ মনে নধৰে। এইবিষয়ে আমাৰ বহুতো সন্দেহ আছে।

অধ্যক্ষ মহোদয়, যোৱা পঞ্চায়ত নিৰ্বাচনৰ সময়ত গোৱালপাৰা জিলাত হোৱা ২৩ লাখ টকাৰ কেলেংকাৰীৰ কথাটো বহুতে শুনিছে। অভিযোগ অনা হৈছে যে তত্‌কালীন উপায়ুক্ত, তত্‌কালীন বিভাগীয় মন্ত্ৰী আৰু এজন প্ৰজেক্ট ইঞ্জিনীয়াৰ, এই কেইজন লগ হৈ বহি ক'ৰবাৰ পৰা জুনিয়ৰ ইঞ্জিনীয়াৰ এজন মাতি আনি হুকুম দিলে যে— পুলিং ষ্টেচনলৈ যোৱা এটা ৰাষ্টাৰ কাৰণে এম'বি অৰ্থাৎ 'মিজাৰমেণ্ট বুক' তৈয়াৰ কৰি দিব লাগে। ভোট গ্ৰহণ কেন্দ্ৰলৈ যোৱাৰ কাৰণে ৰাষ্টাৰ আচনি, ভোট গ্ৰহণ কেন্দ্ৰৰ ঘৰ মেৰামতি কৰাৰ আচনি তৈয়াৰ কৰি দিব লাগে। এইবোৰ ডি, চিৰ অফিচত বহি নাইবা চাৰ্কিট হাউচত বহিয়েই এম, বি তৈয়াৰ কৰা হ'ল। কাগজে কলমে কাম কৰা হৈছে বুলি দেখুৱা হ'ল. ২৩ লাখ টকাৰ বিল পাছ হৈ গ'ল, আৰু এই টকা কেইজনমানৰ মাজতে ভাগা ভাগ হৈ গ'ল। কিন্তু দুৰ্ভাগ্যৰ কথা হ'ল যিজন জুনিয়ৰ ইঞ্জিনীয়াৰে এই এম, বি তৈয়াৰ কৰিছিল তেওঁ কিন্তু একো নেপালে। তেওঁক হেনো পদোন্নতি দিয়াৰ কথা আছিল, কিন্তু ক'ত পদোন্নতি পায় তেওঁ? পদোন্নতি দিয়া জনেই নোহোৱা হৈ গল। অধ্যক্ষ মহোদয়, ধুবুৰীত ডি, আৰ, ডি, এ আৰু জৱাহৰ ৰোজগাৰ যোজনাৰ দ্বাৰা যিবোৰ কাম কৰা হৈছে সেইবোৰৰ যদি শতকৰা ৫ ভাগো কাম হ'লহেতেন তবু কিছু হোৱা বুলি ভাবিলোহেতেন। ইয়াৰ অধীনত এখন স্কুলৰ কাৰণে ৮০ হেজাৰ টকাৰ বিল্ডিং গ্ৰাণ্ট দিয়া হৈছিল- এল-পি স্কুল।

এই বিষয়ে মই ইয়াত আগতেও উল্লেখ কৰিছিলো- ফটোও দেখুৱাইছিলো- স্কুলঘৰৰ নামত কেৱল্ কেইটামান খুটাহে ঠিয় হৈ আছে, নাই বেৰ, ছাল, বা মজিয়া কিন্তু স্কুলৰ কাম সম্পূৰ্ণ হৈ গ'ল বুলি বিল পাছ হৈ গ'ল। জৱাহৰ ৰোজগাৰ আচনিৰ অধীনত এনে বহু হাজাৰ কৌটি টকা বিভাগে অপব্যয় কৰিছে। অধ্যক্ষ মহোদয়, মই এখন সদন কমিটি গঠন কৰাৰ কথা কৈছিলো— এই যে কেলেংকাৰীবোৰ চলি আছে, ৰাইজৰ ধন, চৰকাৰী ধনৰ যি হৰিলুট চ'ল আছে বে-পৰোৱা ভাবে চলি আছে' এইবোৰ বন্ধ কৰিবৰ কাৰণে এক কঠোৰ ব্যৱস্থা লব লাগিব। এই দুৰ্নীতিৰ কথাবোৰ উলিয়াবৰ কাৰণে এখন তদন্ত কমিটি হব লাগে- এখন যুটীয়া কমিটি হওক এই সদনৰ পৰা। কেৱল জৱাহৰ ৰোজগাৰ আচনিয়েই নহয় এল, অ', চিৰ স্কেণ্ডেলৰ পৰা আৰম্ভ কৰি যিমানবোৰ কেলেংকাৰী আছে সকলোবেৰ তদন্ত কৰাৰ ব্যৱস্থা হব লাগে। অধ্যক্ষ মহোদয়, আজি আমাৰ সংসদীয় গণতন্ত্ৰ এক ভয়ঙ্কৰ বিপদৰ সন্মুখীন হৈছে। মানুহে যদি এই গণতান্ত্ৰিক পদ্ধতিত কোনো সুবিচাৰ নেপায় তেন্তে তেওঁলোক ব্যভিচাৰ কৰিবলৈ আগবাঢ়িব, অ-গণতান্ত্ৰিক কামত আগবাঢ়িব, উগ্ৰপন্থী হবলৈ যাব। আইন নিজৰ হাতত তুলি লব। সন্ত্ৰাসবাদৰ সৃষ্টি হয় এনেকৈয়ে। আজি আমি চকুৰ আগতে দেখি আহিছো- এই গুৱাহাটী চহৰত ধুনীয়া ধুনীয়া ডাঙৰ ডাঙৰ বিল্ডিং হৈয়েই আছে— এইবোৰ টকা ক'ৰ পৰা আহিছে? এইটো চাব লাগে। বহুত বছৰৰ আগতে জু-ৰোডক, যাৰ বৰ্ত্তমান নাম আৰ. জি, বৰুৱা ৰোড কৰা হৈছে, এই জু-ৰোডৰ নাম আগতে মানুহে কৃষ্ণ কাঞ্চন ৰোড দিছিল। অৰ্থা ব্লেক মানিৰ ৰাষ্টা। এই ৰাস্তাটোৰ কাষে কাষে ইমানবোৰ বিল্ডিং হৈছে এইবোৰ যদি অনুসন্ধান কৰি চোৱা যায় তেন্তে ওলাব যে যিসকলে এই বিৰাট বিৰাট বিল্ডিংবোৰ সাজিছে তেওঁলোকে নিশ্চয় সৎ উপায়েৰে অৰ্জা টকাৰে ধনী হোৱা নাই। এই গুৱাহাটী চহৰত কিছুমান মানুহে দুৰ্নীতি কৰি সম্পদ লুট-পুট খাইছে। ইয়াৰ প্ৰতিবাদ কৰোতা মাতোতা কোনো নাই। প্ৰতিকাৰ কৰিবলৈ কোনো নাই। অধ্যক্ষ মহোদয়, সমবায় বিভাগৰ কথানো কি কম? আজি প্ৰশ্নোত্তৰ কালত এটা কথা ওলাইছিল যে এজন হোলচেল কো-অপাৰেটিভ চচাইতিৰ চেক্ৰেটৰীয়ে ১ লাখ টকা আত্মসাৎ কৰিছে বুলি। কিন্তু টকা আত্মসাৎ

কৰা বিষয়া জনক চৰকাৰে বা বিভাগে প্ৰথমতে চিনিয়ৰ ইনচপেক্টৰ, পিচত চাৰ ৰেজিষ্টাৰ, পিচত এ-আৰ-চি এচ হিচাবে পদোন্নতিহে দিলে। হয়তো কিছুদিনতে এই বিষয়াজন ডি, আৰ, চি, এচ হব। অধ্যক্ষ মহোদয়, সমবায় বিভাগৰ সকলো কৰ্মচাৰীৰ তলৰ পৰা আৰম্ভ কৰি ওপৰলৈকে সকলোৰে **Biodata** অনুসন্ধান কৰি চোৱাৰ আজি প্ৰয়োজন হৈছে। প্ৰত্যেকজন কৰ্মচাৰী বা বিষয়াই বিভাগৰ টকা আত্মসাৎ কৰা নাই যদিও বেছি সংখ্যকে কৰিছে। এই বিভাগটো ক'অপাৰেচন বিভাগ নহৈ হব লাগে কৰাপচন বিভাগহে। আজি সমবায় বিভাগটো যদি এনেকৈ চলিবলৈ দি থকা হয় তেন্তে ই অচিৰেই ধংস হৈ যাব। এজন ডাঙৰ পণ্ডিতে এষাৰ কথা কৈছিল—ভাৰতবৰ্ষৰ ভবিষ্যৎ নিৰ্ভৰ কৰে সমবায় আন্দোলনৰ ওপৰত, যদি ভাৰতবৰ্ষৰ গাওঁ অঞ্চলৰ উন্নতি সাধিব বিচাৰে তেন্তে সমবায় আন্দোলন সঠিক ভাবে গঢ়ি তুলিব লাগিব। আমি এই সমবায় আন্দোলনক জীয়াই ৰাখিব লাগিব আৰু এই আন্দোলন জীয়াই ৰাখিবলৈ হলে সমবায়ৰ সফলতা লাভ কৰিবলৈ হলে এই বিভাগৰ তলৰ পৰা ওপৰলৈকে যিমানবোৰ কৰ্মচাৰী আছে তেওঁলোকৰ কাৰ্য্যকলাপ অনুসন্ধান কৰি বিচাৰ কৰিব লাগিব নহলে সমবায় বিভাগটো এটা ডেড বডি হৈ থাকিব আৰু শগুনে ইয়াক খাই থাকিব।

অধ্যক্ষ মহোদয়, এই বিলাক ভালকৈ অনুসন্ধান কৰিব লাগিব। সমবায় আন্দোলন এতিয়া ধংস হৈছে। বিত্তমন্ত্ৰী মহোদয়ে যদি মোৰ কথাত মন দিয়ে তেনেহলে মই কব খুজিছো এই যে নতুন নতুন যি টেক্স বঢ়াই দিছে সেইবিলাক টেক্স বঢ়োৱাৰ কোনো প্ৰয়োজন নাই। অপচয় আৰু দুৰ্নীতি বন্ধ কৰক তেতিয়া দেখিব নতুনকৈ টেক্স বঢ়োৱাৰ কোনো প্ৰয়োজন নহব। দুৰ্নীতি চলি থকাৰ কাৰণেই বহু বিলাক টকা এনেয়েই নোহোৱা হৈ আছে। টেক্স বঢ়োৱাৰ সলনি কোন বিলাক ক্ষেত্ৰত এই দুৰ্নীতি চলি আছে কোন

বিলাক ক্ষেত্ৰত অপচয় হৈ আছে আৰু কোন বিলাকত কি কি ভুল ক্ৰুটি চলি আছে সেইবিলাক চালিজাৰি চাবলৈ এটা বিভাগ তৈয়াৰ কৰা হওক আৰু সেই বিভাগে হিচাব কৰি উলিয়াব পাৰিব। তেতিয়া আৰু টেক্স বঢ়োৱাৰ প্ৰয়োজন নহব। মই কঠোৰ ভাবে সাৱধান বাণী শুনাব বিচাৰিছো তাৰ কাৰণে কোনেও যেন বেয়া নেপায়। ইতিহাস কাৰো কাৰণে বৈ নাথাকে। ইতিহাসৰ নিজস্ব গতি আছে আৰু ইতিহাস সেই নিজস্ব গতিত আগুৱাই গৈ থাকে। ই কোনো অন্যায় আৰু দুৰ্নীতি আৰু অবিচাৰ, অতিচাৰ বা শোষণ বন্ধ কৰিবলৈ আপোন গতিত আগবাঢ়ি গৈ থাকিব। এই গোটেই-বিলাক গণতান্ত্ৰিক উপায়েৰে বন্ধ কৰিব লাগিব। ইতিহাস কেতিয়াও বহি নাথাকিব। ইতিহাস তাৰ আপোন গতিত আগুৱাই যাব আৰু তেনেস্থলত আমাৰ সংসদীয় গণতন্ত্ৰ বিপদাপন্ন হব। সেই কাৰণে এইটো বৰ গুৰুত্ব-পূৰ্ণ বিষয় হৈ পৰিছে।

অধ্যক্ষ মহোদয়, আজি দেখা গৈছে কিছুমান ডেকা যুৱক উন্মাদ হৈ পৰিছে। কিয় উন্মাদ হৈছে তাৰ কাৰণ নোহোৱা নহয়। তাৰো কাৰণ আছে। যদি সেই কাৰণ বিলাক নিৰ্মুল কৰিব নোৱাৰো তেনেহলে দেশৰ পৰা সন্ত্ৰাসবাদ কেতিয়াও আতৰ নহব বুলি মই ভাবো। সন্ত্ৰাসবাদ তেনে-কৈয়ে চলি থাকিব বুলি মই ভাবো যদিহে তাৰ কাৰণসমূহ উদ্‌ঘাটন কৰি নিৰ্মুল কৰাৰ ব্যৱস্থা লোৱা নাযায়। তাৰ লগে লগে ইতিবাচক ব্যৱস্থা লব লাগিব। যাতে মানুহে সুবিচাৰ পায়, শোষণ, অতিচাৰ আদি যাতে সমাজত চলি নাথাকে তাৰ ব্যৱস্থা কৰিব লাগিব। যদি এই কামবিলাক কৰিব পৰা হ'লহেতেন তেনেহলে নতুনকৈ কৰ ধাৰ্য্য কৰাৰ কোনো প্ৰয়োজন নহ'লহেতেন। সেই কাৰণে কৈছো টেক্স উঠাই লওক আৰু সদনৰ পৰা এটা সদন কমিটি গঠন কৰি দিয়া হওক যিমান বিলাক দুৰ্নীতি অতিচাৰ ব্যাভিচাৰ চলি আছে সেই বিলাক পৰীক্ষা কৰি দোষীক শাস্তি দিয়া হওক তেনে শাস্তিমুলক ব্যৱস্থা

লোৱা হলে দুৰ্নীতি চলিব নোৱাৰিব। এইখিনিকে পৰামৰ্শ দি মোৰ বক্তৃতাৰ সামৰণি মাৰিছোঁ।

Mr. Speaker : Now, Hon'ble Member Shri Sashakamal Handique.

*শ্ৰীশশকমল হান্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখন এখন অগতানুগতিক বাজেট। আগৰ বাজেট বিলাকতকৈ অলপ অগতানুগতিক। ইয়াৰ কিছু ৰেহাই দিয়া হৈছে। চতুৰ্থ শ্ৰেণীৰ ক্ষেত্ৰত প্ৰফেচনেল টেক্স ৰেহাই দিয়া হৈছে। এইটো আমি ভাল পাইছো। আমি যোৱাবাৰ কৈছিলো যে কম দৰমহা পোৱা সকলৰ ক্ষেত্ৰত ৰেহাই দিব লাগে। দুচকীয়া যান-বাহনৰ ক্ষেত্ৰত কমাই দিছে এইটোও ভাল পাইছো। এতিয়া এটা কথা কব খুজিছো যে এগ্ৰিকালচাৰেল ইনকাম টেক্স আৰু অসমৰ যিটো প্ৰাকৃতিক সম্পদ সেইবিলাক ঠিকমতে হিচাব কৰা হোৱা নাই।

( মাননীয় অধ্যক্ষৰ আসনত উপাধ্যক্ষ আহি উপবিষ্ট হয় )

মাননীয় উপাধ্যক্ষ মহোদয়, বাজ্যখনৰ বহুত মাটি চাহ বাগিছা সমূহে চাহ খেতিৰ বাবে ব্যৱহাৰ কৰি আহিছে কিন্তু সেইবিলাকৰ পৰা উপযুক্ত টেক্স সংগ্ৰহ কৰা হোৱা নাই। ১৯৮৭-৮৮ চনৰ পৰা ১৯৯২-৯৩ চনলৈ অসমৰ ৭৫০ খন চাহবাগিচাৰ সেই বিলাকৰ ৰেজিষ্টাৰৰ হিচাবে ১৮৪ বাগিছা Agriculture Income Tax asses কৰাত তাৰে ৫৫ খনে Tax দিয়া নাই বাকী চাহবাগিচা বিলাকে টেক্সৰ টকা ৰেগুলাৰকৈ নিদিয়ে। কিন্তু এগ্ৰিকালচাৰেল ইনকাম টেক্স নিৰূপণ কৰিবলৈ যাওঁতে কিমান বিলাক বাগিচাই কিমান চাহ উৎপাদন কৰে, কিমান বিক্ৰি কৰে আৰু তাৰ দাম বিলাক কি ভিত্তিত নিৰূপন কৰে সেইবিলাক নিৰীক্ষণ কৰিবলৈ আমাৰ অসম

চৰকাৰৰ কোনো ব্যৱস্থা নাই। বৰ্ত্তমানৰ Agriculture Income Tax আইনে সুযোগ নিদিয়ে মনিটৰিং কৰিবলৈ কোনো ব্যৱস্থাও নাই। চাহ বাগিছাৰ মালিকসকলে কিবা নহয় কিবা এটা অজুহাতত প্ৰকৃত খৰচৰ পৰিমান বঢ়াই মুঠ লাভৰ পৰিমান কমকৈ দেখুৱাই। তাৰ উপৰিও বাগান কৰ্ত্তৃপক্ষই মজুৰিৰ বাবে আন্দোলন আদি বন্ধৱাই কৰিলে চৰকাৰৰ ফালৰ পৰা আইন শৃংখলাৰ কাৰণে পুলিচ বাহিনী পঠোৱা হয়। স্কুল আদিৰ কাৰণে অসম চৰকাৰৰ পৰা ব্যয়বহন কৰি তেনে শিক্ষকৰ দা-দৰমহা আদি দিয়া হয়। বাগান কৰ্ত্তৃপক্ষই কিন্তু এগ্ৰিকালচাৰেল ইনকাম টেক্স লুকুৱাবৰ বাবে প্ৰস্তুতকৰা বেলেন্সচীট যি ভাবে বাগান কৰ্ত্তৃপক্ষই দাখিল কৰে তাকে ভিত্তি কৰি assesment কৰা হয় কিন্তু এ-জিৰ পৰা ৰিপোৰ্ট মতে এই তথ্য জানিব পৰা যায়। চৰকাৰে এই বছৰটোতেই অন্ততঃ ৪০ কোটী টকা এগ্ৰিকালচাৰেল ইনকাম টেক্স কম পাইছে। চাহপাতৰ দাম বাঢ়িছে উৎপাদন বাঢ়িছে কিন্তু Tax কমিছে। যোৱা বছৰতকৈ এই বছৰ এগ্ৰিকালচাৰেল ইনকাম টেক্চ কম পাইছে। যদি আইনখনৰ ধাৰা সমূহৰ বাবেই কিবা অসুবিধা আছে তেনেহলে তাক সংশোধন কৰাৰ চিন্তা কৰিব লাগে। এতিয়া আকৌ বাগান কৰ্ত্তৃপক্ষই নিজৰ নিৰাপত্তা বাহিনী খোলাৰ কাৰণে ১২ কৌটি টকাৰ Budget ৰ অসম চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিছে। যদি নিৰাপত্তা বাহিনীৰ বাবেই যদি ইমান খৰছ কৰিব পাৰে তেন্তে আমি কিয় আমাৰ উপযুক্ত টেক্চ নাপাম। আমাৰ ইনকামৰ মূল সুতি হল বোজা বাগানৰ ওপৰত নিৰ্ভৰশীল। আমাৰ প্ৰাকৃতিক সম্পদ তেল গেচ মিনাৰেল সম্পদৰ উৎপাদন কিমান তাৰ পৰা অসম চৰকাৰে ৰাজহ পাই আছে সেইটো চাব লাগিব। অসম চৰকাৰৰ হাতত প্ৰকৃত উৎপাদনৰ কোনো তথ্য নাই। ও-এন-জি-চিয়ে কিমান খাৰুৱা তেল উৎপাদন কৰিছে তাক মনিটৰিং কৰাৰ কোনো ব্যৱস্থা নাই। গেছ কিমান নষ্ট কৰিছে ও-এন জি-চিয়ে বা অইল ইণ্ডিয়াই সেইটো আমি কব নোৱাৰো। সেই বিলাক হিচাব কৰিবলৈ

অসম চৰকাৰৰ বিভাগ শক্তিশালী নহয়। কুড অইল কিমান নষ্ট হৈ আছে তাৰ হিচাব অসম চৰকাৰৰ নাই। অইল ইণ্ডিয়াৰ ৰিটাৰ্ণত কিমান লোকচান হয় সেইটো জনা নাযায়। ডিব্ৰুগড়ৰ ডিকুমত ড্ৰিলিং কৰোতে ড্ৰিলিং ডিফেক্ট হোৱাৰ কাৰণে কিমান খাৰুৱা তেল নষ্ট হ'ল সেই হিচাব অসম চৰকাৰৰ নাই এই তথ্য চৰকাৰে নাজানেও। সেইখিনি নষ্ট নহ'লে আমাৰ আৰু কিমান ৰয়েলিটি পাব পৰা হ'লহেতেন তালৈ কোনোৱেই ভ্ৰুক্ষেপ কৰা নাই। ৰয়েলিটি সাতশ টকালৈ বৃদ্ধি কৰিবলৈ দাবী দিয়া হৈছে সেইটো আমি ভাল পাইছো। কিন্তু মূঠ খাৰুৱা তেলৰ উৎপাদনৰ মনিটৰিং কৰিবলৈ আমাৰ কোনো মেচিনাৰি নাই। ৰাজ্যখনত আমি জনাত Geological Deptt এ পাচটা মনিটৰিং চেল পাচখন ঠাইত কৰিবলৈ প্ৰস্তাৱ কৰিছিল কিন্তু পাচটা মনিটৰিং চেলৰ কাৰণে পাচজন বিষয়া নিযুক্তি দিয়াৰ সলনি এজন পিয়ন আৰু এজন কেৰাণীহে নিযুক্তি দিছে মাত্ৰ। এই ধৰণে অসমৰ নিজস্ব সম্পদ কেনেকৈ বাঢ়িব। অথচ আমি কেন্দ্ৰীয় চৰকাৰক ৰাজহৰ শকত অংশ দি থাকিব লাগে। বিত্তমন্ত্ৰীয়ে বাজেট বক্তৃতাত স্বীকাৰ কৰিছে যে ৰাজ্যখনত বিত্তীয় সংকট আছে। প্ৰকৃত ৰাজহৰ উৎস একমাত্ৰ কেন্দ্ৰই টকা নিদিলে খৰচ কৰিব নোৱাৰে। কাম কৰিব নোৱাৰে। এইটো তেখেতে অকপতে স্বীকাৰ কৰিছে। তেখেতে পুনৰ স্বীকাৰ কৰিছে যে যোৱা চেপ্তেম্বৰ মাহৰ পৰা ওভাৰ ড্ৰাফট্ লোৱা নাই। অথচ তেখেতৰ মতে প্ৰতিমাহে দুশ পচপন্ন কৌটি টকা ৰাজ্যিক কৰ্মচাৰীৰ দা-দৰমহা দিওতে খৰচ হয় অথচ তাৰ বিপৰীতে মাহে দুশ কৌটি মাত্ৰ টকাহে জোৰা মাৰে বুলি তেখেতে কৈছে। তাৰমানে সকলো ধৰণৰ উন্নয়নমূলক কাম-কাজ বন্ধ কৰি ৰাজ্যখন চলি আছে কিয়নো টকা ধাৰ লোৱা নাই, তহবিলটো টকা নাই। অসম ৰাজ্যখনে টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা বা আন কোনো উৎসৰ পৰা ধাৰ নকৰিলে চলিব নোৱাৰে। তেনেহলে

ধাৰে যদি কৰা নাই এই কেইমাহ অসমখন চলিল কেনেকৈ। মাষ্টাৰৰোল কৰ্মচাৰীয়েও বহুদিন ধৰি দৰমহা পোৱা নাই। শিক্ষক সকলেও পোৱা নাই। কৰ্ম্মচাৰী সকলৰ D. Allowence শতকৰা ৪৩% ভাগ হাৰত বঢ়াই দিয়াৰ চুক্তি অসম চৰকাৰে কৰিছিল। আগতে শতকৰা চল্লিশ ভাগ পাইছিল এতিয়া অসমতো কেন্দ্ৰীয় চৰকাৰৰ আহিত শতকৰা ৮৩% ভাগ কিয় দিয়া হৈছে এই টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা চৰকাৰে পাইছে, অথচ দিয়া নাই তাৰ কাৰণ হৈছে এই টকা ডাইভাৰ্ট কৰা হৈছে। চৰকাৰৰ এগ্ৰিকালচাৰেল ইনকাম টেক্স সঠিক ভাবে নিৰ্ণয় কৰিবলৈ কোনো পদ্ধতি আৰু ইচ্ছাও নাই। বাগান বিলাকৰ মেনেজাৰ আদিৰ কাৰণে অপ্ৰয়োজনীয় মডাৰ্ণ এমেনিটিজৰ কাৰণে খৰচ কৰি Balance Sheet তৈয়াৰ কৰে। কিন্তু তাকে বেচ কৰি ইনকাম টেক্স নিৰূপণ কৰা হয়। Agriculture Income Tax এইয়ে। গেচ ভিত্তিক ইণ্ডাষ্ট্ৰি কৰিবলৈ অসম চৰকাৰৰ চিন্তাও ইচ্ছাও নাই। সেই বিলাক ব্যৱহাৰ কৰি উদ্যোগ স্থাপন কৰিবলৈ ব্যৱহাৰ ৷বী জনাওতা নাই টেক্স এভেডিং বিচাৰ কৰিবলৈও আয়কৰ বিভাগ সক্ৰিয় নহয়। অসমত লোকেল ইণ্ডাষ্ট্ৰি গঢ়ি নুঠিলে অসমৰ বিশাল নিবনুৱা বাহিনীক কামত লগাব পৰা নাযাব। এ-আই-ডি চি ক চাবচিডি দিলেই ইণ্ডাষ্ট্ৰি নহয়। অসমৰ সম্পদলৈ চৰকাৰে নিজেই নিজাববীয়াকৈ কিবা ইণ্ডাষ্ট্ৰি কৰাৰ চিন্তা চৰ্চা কৰিছে নেকি? যদি কৰিছেও কিবা তাকো ভুল মেনেজমেন্টৰ কাৰণে ধ্বংস হৈছে কাৰণ Professional মেনেজমেন্টৰ অভাৱ। চৰকাৰে এতিয়া কেন্দ্ৰীয় চৰকাৰক ৫ বছৰৰ বাবে মোৰেটৰিয়ামৰ বাবে আবেদন কৰিছে।

উপাধ্যক্ষ মহোদয়, উদ্যোগৰ ক্ষেত্ৰত অসমত গেছ ক্ৰেকাৰ স্থাপন কৰাৰ কথা কৈছে। এই উদ্যোগটোৱে কিন্তু পাচ বছৰলৈ সম্পূৰ্ণ টেক্স ৰেহাই দিয়াৰো বাবে দাবী কৰিছে। এইটো গঢ় লৈ উঠিলে যুৱকে চাকৰি পাব। কিন্তু হলে আমাৰ ৰাজভঁৰাললৈ ৰাজহ নাহি... বোৰ ক্ষেত্ৰত থলুৱা উদ্যোগ গঢ়াৰ ক্ষেত্ৰত যিভাবে মনোযোগ দিব লাগিছিল

তাৰ কাৰণে চৰকাৰে কোনো চিন্তা কৰা নাই। উদ্যোগ স্থাপনৰ ক্ষেত্ৰত চাবচিডি দিয়াৰ কথাও কৈছে। কিন্তু চাবচিডি দিলেই উদ্যোগ কৰা নহয়। অসম চৰকাৰৰ উদ্যোগ বিভাগটোৱে অসমৰ সম্পদবোৰক ভিত্তি কৰি নিজাববীয়াকৈ উদ্যোগ স্থাপন কৰাৰ কাৰণে কিবা চিন্তা কৰিছে নে কিবা পৰিকল্পনা আছেনে ? মই ভাবো চৰকাৰৰ অৱহেলা অনিহাৰ কাৰণেই আজি অসমত উদ্যোগ গঢ়ি উঠা নাই। কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঋণৰ ক্ষেত্ৰত পাচ বছৰলৈ মৰেটৰিয়ামৰ কথা কোৱা হৈছে। কিন্তু পাচবছৰৰ পিচত ৰাজ্য খনৰ কি অৱস্থা হব বা সেই সময়ত যিখন চৰকাৰ আহিব সেইখন চৰকাৰে এই ঋণ সুদসহ কেনেকৈ পৰিশোধ কৰিব চৰকাৰে ভাবি চাইছে নে ? আগতে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৩০ শতাংশ গ্ৰেণ্ট আৰু ৭০ শতাংশ লন সাহাৰ্য্য পাইছিল। কিন্তু এতিয়া ৯০% গ্ৰেণ্ট আৰু ১০% লন হিচাবে চেণ্ট্ৰেল এচিচটেনচ্ পায়। গতিকে এনে এটা পৰিস্থিতিটো চৰকাৰে উন্নয়নমূলক কামত আগবাঢ়িব পৰা নাই কিয় ? বাজেটখনৰ মতে ৰাজ্য খনৰ এনে এটা অৱস্থা হৈছে কেন্দ্ৰীয় চৰকাৰে যদি অহা তিনি মাহ পিচত আমাৰ ধাৰ খিনি এডজাষ্ট কৰে তেনেহলে আকৌ চৰকাৰী কৰ্মচাৰী সকলক দৰমহা দিব নোৱাৰা অৱস্থা হব। ডেভেলপমেণ্টৰ কথা বাদেই। ইফালে কনট্ৰেক্টৰ সকলক ৭০০ কোটিৰ পৰা ১০০০ কোটি টকা দিবলগা হৈ আছে তাৰ কোনো ব্যৱস্থা নাই। বিত্তমন্ত্ৰীয়ে যিখন বাজেট সদনত উত্থাপন কৰিছে সেইখনত কিছুমান দ্ৰব্যৰ ক্ষেত্ৰত টেক্স বঢ়োৱা নাই বুলি কৈছে যদিও তাৰ দ্বাৰা দৰিদ্ৰ মানুহ কিমান লাভবান হব সেইটো চাবলগা বিষয়। বিলাসী সামগ্ৰী সমূহত টেক্স লগোৱা হৈছে, তাত আমি আপত্তি কৰা নাই। চতুৰ্থ আৰু কম দৰমহা পোৱা লোক সকলৰ ক্ষেত্ৰত প্ৰফেচনেল টেক্স ৰেহাই দিছে, বিকলাঙ্গ সকলৰ ক্ষেত্ৰত টেক্স ৰেহাই দিছে, সেইবোৰ আমি ভাল পাইছো। কিন্তু ৰঙীন টি ভি, ভি, চি, পি আদি কিমান মানুহে কিনে সেইটোও চাব লাগিব। এইবোৰৰ

পৰা কিমান সম্পদ আহৰণ কৰা হব ? চেলটেক্সৰ ক্ষেত্ৰত দুটা পইণ্ট কৰা হৈছে— এটা হৈছে পাৰ্চেজিং পইণ্ট আৰু আনটো হৈছে চেলিং পইণ্ট। কিন্তু এই ক্ষেত্ৰত আমাৰ চেক গেট বিলাকৰ যিটো অৱস্থা তাৰ দ্বাৰা এই প্ৰত্যেকটো পইণ্টত টেক্স ইভেডিং চেক দিব পাৰিম নে নোৱাৰিম সেইটোহে ডাঙৰ কথা। আজি আমাৰ চেকগেট বিলাক উপযুক্ত ভাবে সজ্জিত নহয় ফলত টেক্স ফাকিৰ নিয়ন্ত্ৰণ নাই। অসমৰ মাজেৰে অৰুণাচল, মেঘালয় মনিপুৰ আদিৰ যিবোৰ গাড়ী পাৰ হৈ যায় সেইবোৰ গাড়ী নিৰ্দ্দিষ্ট ঠাইলৈ পাৰ হৈ গৈছে নে নাই তাৰ খবৰ লোৱাৰ কোনো ব্যৱস্থা নাই। তাযোপৰি চেকগেট বিলাকত ইটোৰ লগত সিটোৰ যোগাযোগ নথকা কাৰণেও বহুতো সময়ত আমি টেক্স হেৰুৱাব লগা হয়। সেই কাৰণে চেকগেট বিলাকত আধুনিক টেলিফোনৰ ব্যৱস্থা Fax ৰ সজুলি সংযোগ কৰিব লাগে যাতে ইটো চেক গেটৰ লগত সিটো চেকগেটে যোগাযোগ স্থাপন কৰি এই ক্ষেত্ৰত কৰ ফাকি ৰোধ কৰাৰ ব্যৱস্থা কৰিব পাৰে। যদিহে টেক্স ইভেডিং বন্ধ কৰিব পৰা নহয় তেনেহলে আমি টেক্চ সংগ্ৰহৰ ক্ষেত্ৰত কেতিয়াও সফল হব নোৱাৰিম। ইয়াৰ লগে লগে এগ্ৰিকালচাৰ ইনকাম টেক্চ এক্ট খনৰ ক্ষেত্ৰতো চৰকাৰে উপযুক্ত ব্যৱস্থা লোৱাৰ কাৰণে আগ্ৰহী হওক। আমি জনাত অসমৰ প্ৰায় ১৫৫ খন চাহবাগানে একেবাৰেই টেক্চ দিয়া নাই। অইল ইণ্ডিয়া আৰু অ-এন-জি-চি য়ে যিবোৰ প্ৰাকৃতিক গেছ আৰু খাৰুৱা তেল সম্পদ নষ্ট কৰি আছে সেইবোৰৰ প্ৰতিও চৰকাৰে দৃঢ় পদক্ষেপ হাতত লওক। সেইদৰে কয়লাৰ ক্ষেত্ৰতো কি হৈ আছে সেইবোৰ চৰকাৰে বিচাৰি উলিওৱাৰ কাৰণে চিন্তা কৰক উনি অসমৰ ডিপাং পাহাৰত প্ৰচুৰ পৰিমাণে কয়লা ওলাইছে। ... কয়লা খান্দোতে ওপৰৰ পৰা মাটি খহি কেইবাজনো মানুহ মৃত্যুমুখত পৰে। এইবোৰ নতুনকৈ ওলোৱা কয়লা খনিৰ পৰা যাতে সম্পুৰ্ণ ৰাজহ সংগ্ৰহ কৰিব পৰা হয় তাৰ ব্যৱস্থা ললেহে আৰু তাৰ লগে লগে অন্যান্য যিবোৰ প্ৰাকৃতিক সম্পদ আছে সেইবোৰ উপযুক্ত ভাবে ব্যৱহাৰ কৰিব

পাৰিলেহে আমাৰ ৰাজহ বৃদ্ধি হব। কেবল কেইটামান টেক্সৰ ক্ষেত্ৰত অলপ ইফাল সিফাল কৰিলেই আমাৰ সমস্যা সমাধান নহয়।

কৃষিৰ ক্ষেত্ৰত এই বাজেটখন কেন্দ্ৰীয় চৰকাৰৰ অনুকৰণেৰে কৰা হৈছে বুলি কোৱা হৈছে। যদি তেনে ধৰণেই এইখন প্ৰণয়ণ কৰা হৈছে আৰু যদি অসমৰ কৃষিজাত সামগ্ৰিৰ ওপৰতে গুৰুত্ব দিয়া হয় তেনেহলে চৰকাৰে পোন প্ৰথমতে মাটিৰ পট্টা দিয়া বিষয়টোৰ প্ৰতি গুৰুত্ব দিব লাগিব। কৃষিৰ উন্নতি কৰিবলৈ যাওতে বান নিয়ন্ত্ৰন, জলসিঞ্চন আদিৰ কথাবোৰ যদি চিন্তা নকৰে তেনেহলে কেৱল কৃষিৰ কথা ওপৰোৱাকৈ চিন্তা কৰিলে কাম নহব আৰু আমাৰ সমস্যা সমস্যা হৈয়ে থাকিব আৰু এই ক্ষেত্ৰত যি টকা খৰচ কৰা হয় সি অপচয়হে হব। গতিকে অসমৰ উন্নতি কৰিবলৈ হলে কৃষিৰ উন্নতি কৰিবই লাগিব আৰু তাৰ কাৰণে জলসিঞ্চন, বান নিয়ন্ত্ৰণ আৰু ৰাজহ বিভাগৰ মাজত সমন্বয় গঢ়ি তুলিব লাগিব আৰু এই কেইটা বিভাগক ইটোৰ লগত সিটোৰ প্ৰকৃত সমন্বয় স্থাপন গঢ়ি তুলিব লাগিব। চৰকাৰে এটা কথা ঘোষনা কৰিছে যে ভূমিহীন লোকক মাটি দিয়া হব কিম্বা বহুদিন ধৰি দখল কৰি থকা লোক সকলক আজিও পত্তা দিয়া নহল। কিন্তু কোনবিধ মানুহক মাটিৰ পট্টা দিয়া হৈছে সেইটোও চাব লাগিব। জলসিঞ্চন বিভাগৰ জৰিয়তে কিমান মাটিত পানী দিয়া হৈছে বা বান নিয়ন্ত্ৰণ বিভাগে কিমান মথা-উৰি বান্ধি বানপানী নিয়ন্ত্ৰণ কৰিব পাৰিছে সেইবোৰ পৰীক্ষা কৰি চাব লাগিব। গতিকে এইবোৰ বিভাগ কাৰ্য্যক্ষম কৰি তুলিব লাগে আৰু উপৰোক্ত পৰামৰ্শ সমূহ সক্ৰিয় নকৰিলে এইবোৰ বিভাগত যিবোৰ টকা খৰচ কৰা হৈছে অৰ্থনৈতিক অৱস্থাৰ উন্নতি নহয়। ইয়াৰোপৰি এই বিভাগ কেইটাৰ বিষয়া কৰ্ম্মচাৰী সকলৰ কাম-কাজৰ বিষয়েও কিছু কথা মন কৰিব লাগিব। বাৰে বাৰে যত্ন কৰিও শদিয়াত থকা কৃষি বিভাগৰ কাৰ্য্যালয়ৰ এজন দূৰ্নীতি গ্ৰস্ত কেৰাণীক কৃষি বিভাগৰ ডিৰেকটৰেও বদলি

কৰিব পৰা নাই। তেওঁৰ বিৰুদ্ধে বহুতো অভিযোগ থকা স্বত্বেও তেওঁ তাৰ পৰা স্থানান্তৰ নোহোৱাতো আচৰ্য্যৰ বিষয়। খেতিৰ কাৰণে জিলাই জিলাই যিবোৰ বীজ যোগান ধৰা হয় সেইবোৰ ক'লৈ যায় বা খেতিয়কে পাইছে নে নাই সেই কথা কোনেও নাজানে। গতিকে এইবোৰ কথাৰ প্ৰতি চৰকাৰে দৃষ্টি দিব লাগে আৰু সময়মতে যাতে বীজ সাৰৰ যোগান হয় তাৰ প্ৰতি দৃঢ় ব্যৱস্থা লব লাগে। কৃষি বিভাগত যিটো ইঞ্জিনিয়াৰিং চেলটোৱে কৃষকৰ উপকাৰৰ অৰ্থে কিবা কাম কৰে নে নকৰে সেইটোও এটা সন্দেহৰ বিষয় হৈ পৰিছে। তাত বহুটো ট্ৰেক্টৰ পৰি আছে। তেওঁলোকক সুধিলে কয় এইবোৰ ভাল নহয়। ভাল কিয় কৰা নাই সেই বিষয়ে সুধিলে কয় ভাল কৰিবলৈ পইচা নাই। কেতিয়াবা আকৌ কয়-পাৰ্টচ নাই। গতিকে এইধৰণে যদি যন্ত্ৰ পাতি বিলাক পেলাই থৈ নষ্ট হবলৈ দিয়া হয় বা ট্ৰেক্টৰৰ ক্ষেত্ৰত চাবচিডি দি কৃষকক উপকাৰ কৰা হৈছে বুলি ভবাটো মুৰ্খামীহে হব। আৰু যদি সময়মতে কৃষকক পানী যোগান ব্যৱস্থাকে ধৰি বান নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰা নহয় তেনে-হলে কৃষিৰ ক্ষেত্ৰত যিখিনি টকা খৰচ কৰা হয় তাৰ পৰা অসমৰ কৃষকক উন্নতি কৰা বুলি গৰ্ব্ব কৰাটো অমূলক। এইবাৰ বাজেটত নুম-লিগড়ত স্থাপন কৰিবলৈ লোৱা ৰিফাইনেৰীৰ ক্ষেত্ৰতো চৰকাৰে কৃতিত্বৰ দাবী কৰিছে। প্ৰকৃততে গৌৰৱ কৰিবলৈ একো নাই। আগতে ইয়াত অসম চৰকাৰে ২৬ শতাংশ অংশ লোৱা কথা আছিল যদিও এতিয়া ১০ শতাংশ অংশহে নিজৰ হাতত ৰখাত তাৰ দ্বাৰা ৰিফাইনেৰীটো নিয়ন্ত্ৰণৰ চৰকাৰে কি কৃতিত্ব লব ? এই ৰিফাইনেৰীৰ পৰা সম্পদ আহৰণ কৰা অতি নীতি গত প্ৰশ্নত অসম চৰকাৰে কেনেকৈ নিয়ন্ত্ৰণ কৰিব ? এইবোৰ স্বৰ্ত এম, অ, ইউ, ত সঠিক ভাবে আছে নে নাই ? চৰকাৰে উদ্যোগৰ ক্ষেত্ৰত ইমচেনটিভ দিয়াৰ কথা কৈছে। কিন্তু প্ৰাগ বছিৰি কিয় বন্ধ হৈ আছে ? অশোক কাগজ কল কিয় খুলিব পৰা নাই ? ডেৰগাওঁৰ চেনী কল ব্যক্তিগত লোকক কিয় দিব লগা হৈছে। গতিকে এই কথাবোৰ বিশেষ-

ভাবে পৰীক্ষা কৰিব লাগিব। অসম চৰকাৰে এই কথাবোৰ চিৰিয়াচ্‌লি লোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, অলপতে মই এজন বাহিৰৰ ব্যৱসায়ীক লগ পাইছিলো। তেওঁৰ পান পৰাগ উদ্যোগৰ লগত সম্পৰ্ক আছে, তেওঁ জনায় সেই উদ্যোগটোত যিমানখিনি তামোল লাগে সেইখিনি অসমৰ পৰাই নিয়ে। এনে ধৰণৰ এটা সৰু উদ্যোগত বছৰি টাৰ্ণঅভাৰ হয় এক শ কৌটি টকা আৰু নেট প্ৰফিট হয় দহ কৌটি টকা। গুৱাহাটীত আদাৰ দাম ২০ টকা, কিন্তু এই আদাৰ দাম শদিয়াত এটকা। তাত প্ৰচুৰ পৰিমানে আদা উৎপন্ন হয়। মহাজনে মানুহৰ পৰা এটকাকৈ আদা লৈ তিনি মাহৰ পিছতহে পইচা দিয়ে। তাত চৰকাৰে পৰিকল্পিত ভাবে আদাৰ ওপৰত এটা প্ৰচেচিং শিল্প নকৰে কিয়? কৃষি বিভাগক টকা দিলেই সমস্যা শেষনে? শদিয়াত নদীৰ কাৰণে যাতায়তৰ কাৰণে কৃষকে আদা বিক্ৰি কৰি লাভজনক বা উপযুক্ত মূল্য লাভ কৰিব নোৱাৰে, সেই কাৰণে তাৰ মানুহে আদা খেতি কৰিবলৈ এৰিব ধৰিছে। মহাজনক খাটিৰ কৰি আদা বিক্ৰি কৰিব লাগে কিয়? মই কব খুজিছো যদি চৰকাৰে সামগ্ৰিক ভাৱে অৰ্থনৈতিক পৰিবৰ্ত্তণ বিচাৰে তেন্তে এগ্ৰিকালচাৰৰ ক্ষেত্ৰত চিৰিয়াচ হওক। গোম ধান শদিয়া অঞ্চলত উৎকৃষ্ট বিধৰ উৎপন্ন হয়, এই গোম ধানৰ পৰা পৃথিবীৰ ভিতৰত উৎকৃষ্ট কৰ্ণ-ফ্লেক্স কৰিব পৰা যায়, তাত কো-অপাৰেটিভ বেছিচত গোম ধানৰ শিল্প নকৰে কিয়? আজি যদি মোহন মেকলিন্সে গাজিয়াবাদত শদিয়াৰ গোম ধান নি এনে ধৰণে কৰিব পাৰে অসম চৰকাৰে কিয় কৰিব নোৱাৰে? কেন্দ্ৰীয় অনুদান নাপালে অসমৰ অৰ্থনৈতিক সংকট হয়। এই কাৰণেই মই কৈছো যদি এই বছৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান নেপায়, তিনি মাহৰ পিছত কি হব? সকলো উন্নয়নমূলক কাম-কাজ বন্ধ হৈ যাব আনকি কৰ্ম্মচাৰী সকলৰ দা-দৰমহা বন্ধ হৈ যাব। নিজৰ সম্পত্তি আহৰণৰ কাৰণে প্ৰকৃত Planning কৰা সামান্য কিছু নহয়, টেক্স বঢ়াব বিচাৰে

তাৰ পৰা মাত্ৰ তুই চাৰি কৌটি টকাহে আহিব ৰাজ্যখনৰ সমস্যা সমা ধান নহব। এই তুই চাৰি কৌটি টকাৰে কোনো চৰকাৰে দাবী কৰা অনুযায়ী আমোল পৰিবৰ্ত্তন কৰিব নোৱাৰে। গতিকেই এই তথ্য সমূহ মুকলি ভাবে বাজেটত স্বীকাৰ কৰাৰ বাবেই মই এই বাজেটখনক অপ-ৰম্পৰাগত বা অগতানুগতিক বুলি অভিহিত কৰি মোৰ বক্তব্য সামৰিলো।

**Mr. Deputy Speaker :** Now, Shri Lakhi Prasad Borgohain.

★ শ্ৰীলক্ষী প্ৰসাদ বৰগোঁহাই : শ্ৰদ্ধাস্পদ উপাধ্যক্ষ মহোদয়, আজি আমাৰ সদনত আমাৰ বিত্তমন্ত্ৰী গগৈ দেবে যিখন বাজেট ডাঙি ধৰিছে এই বাজেট মোৰ বোধেৰে সমালোচনাৰ উৰ্দ্ধত। তেখেতে যিখন বাজেট তৈয়াৰ কৰিছে এই বাজেটখন বাকী বছৰ কেইটাৰ বাজেটৰ লগত যিবিলাক ভুল, যিবিলাক আসোৱাহ যিবিলাক কাৰণত আমি বহুত কাম কৰিবলৈ অপাৰগ হৈছো তেনেকুৱা খুটি-নাতি বাদ দি এই বাজেটখন তৈয়াৰ কৰিছে। এই বাজেটখন এখন তুখীয়া মানুহৰ স্বাৰ্থৰ অনুকুল বাজেট। আমি হয়তো দেখিছো যে ১৬২ কৌটি ৬০ লাখ টকা ঘাটি দেখুউৱা হৈছে। এই ঘাটি আমি সংকাৰে চাবলৈ এক্কো বিচাৰি নেপাও। বিৰোধী পক্ষৰ মাননীয় সদস্য শ্ৰীমহন্ত ডাঙৰীয়াই ১৬২ কৌটি ৬০ লাখ টকা ঘাটি দেখুউৱাৰ কাৰণে সংকা বোধ কৰিছে যে এই ঘাটি হয়তো আৰু বাঢ়ি যাব পাৰে। কিন্তু মই ভাবিছো নাবাঢ়ে। যোৱা বছৰ বাজেটখন আমাৰ ৰাহি বাজেট আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই দেখুৱায়। আমি বহুত আলোচনা বিলোচনা কৰিছিলো। এখন ৰাহি বাজেট ডাঙি ধৰা হৈছে। বছৰটোৰ শেষত এই ৰাহি বাজেটখন ঘাটি বাজেটলৈ পৰিণত হ'ল। কিন্তু দেখা গৈছে ৰাহি বাজেট যিমান ৰাহি কৰিম বুলি তাতকৈ অধিক ৰাহিহে হ'ল। অৱশ্যে আমি কিছু কষ্ট ভোগ কৰিছো। এইটো আমাৰ স্বাৰ্থৰ কাৰণে। কাৰণ কিছুমান ধাৰৰ বোজা লৈ আমি

বিলাসিতা কৰিব নোৱাৰো। এইটো মানবীয় দৃষ্টিকোনৰ পৰা অন্যায়। এই বছৰ আমাৰ কিছু কিছু ক্ষেত্ৰত হয়তো ৰাইজৰ দাবীৰ নিচিনা বা সদস্য সকলৰ দাবীৰ নিচিনা আমি উন্নয়ণ মূলক কাম সম্পূৰ্ণৰূপে কৰিব পৰা নাই যদিও কিছু কিছু কৰিছো। এই বিলাকৰ মূলতে হৈছে আমাৰ বাকী বছৰ বিলাকৰ যি ধাৰৰ বোজা সেই ধাৰৰ বোজাটো কেন্দ্ৰীয় চৰকাৰে আমাক দিবলগীয়া প্ৰাপ্যখিনি কাটি কাটি ৰখাৰ কাৰণে আমি কিছু কষ্ট ভোগ কৰিম। সেইটো নকৰা নহয়। আমাৰ মাননীয় সদস্য শ্ৰীসন্দিকৈ ডাঙৰীয়াই পৰামৰ্শ দিছে ধাৰ কৰি হলেও আমি কিছু কাম কৰিব লাগে। অৰ্থাৎ "ঋণংকৃতা ঘৃতং পিবেট" — ঋণ কৰি হলেও ঘি খাব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, ঋণ লোৱা মানে এটা স্বাৰ্থ আছে। এই খিনিতে মোৰ এটা কথা মনত পৰিছে। উজনি অসমৰ এটা ঘটনা। এজন মানুহে এবাৰ চৰকাৰৰ পৰা ঋণ ললে। কিছু বছৰৰ পিছত এই ঋণ চৰকাৰে ঘুৰাই বিচাৰিলে। সেইটো লোন আছিল চৰকাৰৰ পৰা ল'ন হিচাবে লৈছিল। সেইটো ল'ন বুলি লৈছিলো, সেইটো ধাৰ বুলি নকলে কেনৈ তেতিয়া নললোহেতেন। শ্ৰীসন্দিকৈ ডাঙৰীয়াই এনেকুৱা লোন লৈছে নে নাই নেজানো।

যি কি নহওঁক যোৱাবাৰ কেন্দ্ৰীয় চৰকাৰৰ কিছুমান বিগত কালৰ ধাৰ কাটি ৰখাৰ কাৰণে আমাৰ যি হিচাব নিকাচ আছিল সেইটোৰ কিছু তাৰতম্য ঘটিলে। সেই কাৰণে উন্নয়ণমূলক যিমান কাম কৰিব লাগিছিল সেইমতে নহল। আমি ধাৰৰ বোজা বঢ়াই লোৱা নাই, কষ্ট কৰিছো ধাৰ নকৰো। 'ঋণং কৃতা ঘৃতং পিবেত' কৰি আমি ধাৰ বঢ়াব বিচৰা নাই। যোৱা বছৰটো কষ্ট বহুল বছৰ আছিল। নানা সমস্যা পাৰ হৈ গল। ফলস্বৰূপে আমি ৰভৱা নিচিন্তাকৈ খৰচ কৰিব লগীয়া হোৱাৰ কাৰণে যেনেকুৱা কৰিব লাগিছিল তেনেকুৱা নহল।

শ্ৰদ্ধাস্পদ উপাধ্যক্ষ ডাঙৰীয়া, এইখন সচাকৈ ভাল বাজেট। দুখীয়াৰ

ব্যৱহাৰ্য্য বস্তু বিলাক এইখন বাজেটে বহুত ৰেহাই দিছে। গতিকে এই বাজেটখন মই এখন গণমুখী বাজেট বুলি কব খোজো। প্ৰথম অৱস্থাত এই বাজেটখন দেখি মই বৰ দুখ পাইছিলো। বাজেটখনে পান মছলাৰ ওপৰত কৰ লগাইছে। মই পান খোৱা মানুহ কাৰণে মাননীয় বিত্ত মন্ত্ৰী শ্ৰীগগৈ দেউৰ ওপৰত খং উঠিছিল। পিচত দেখিছো পান মছলাৰ ওপৰতহে কৰ লগাইছে। পানৰ ওপৰত নহয়। এইটোৱে দুখীয়া মানুহক অপকাৰ নকৰে। অসমৰ মানুহে তামোল খায় কিন্তু পান মছলা খোৱাৰ অভ্যাস নাই। অসমীয়া মানুহে জৰ্দ্দা নেখায়, চাধাহে খায়। গতিকে পান মছলাৰ ওপৰত কৰ লগোৱাৰ কাৰণে মই ভাল পাইছো।

এইখন বাজেটত কালাৰ টি-ভি ৰ ওপৰত কৰ লগাইছে। এই কালাৰ টি-ভি সাধাৰণ মানুহে ব্যৱহাৰ নকৰে এটা কালাৰ টিভিৰ দাম ১৫ হেজাৰ টকা। ইয়াৰ টেক্স হয় মাত্ৰ ৩০০ মানহে। এই তিনিশ টকা ১৫ হেজাৰ দি লব পৰা মানুহে দিব পাৰিব। ওৱাটাৰ পাম্প' চেটৰ ওপৰত কৰ লগোৱা হৈছে। এইটো সাধাৰণ মানুহে ব্যৱহাৰ নকৰে। ৫/৬ তলাৰ মানুহে ওপৰলৈ পানী নিবলৈ এইটো ব্যৱহাৰ কৰে। সাধাৰণ মানুহৰ ৫/৬ তলা ঘৰ নাই। ৫/৬ তলা ঘৰ সাজিব পাৰে যেতিয়া এইটোৰ টেক্স দিব নোৱাৰে কিয়। টেক্স লগোৱাটো অন্যায় হোৱা নাই গতিকে বাজেটখন তৈয়াৰ কৰোতে দুখীয়া জনসাধাৰণৰ প্ৰতি যথেষ্ট সাৱধানতা অবলম্বন কৰিছে।

শ্ৰদ্ধাস্পদ উপাধ্যক্ষ ডাঙৰীয়া 'পেইন্ট' বা লাহ বিলাহৰ সামগ্ৰীৰ ওপৰত কৰ লগোৱা হৈছে। গাড়ী আদিত ৰং কৰা হয়। গাড়ী কেইজন অসমীয়া মানুহৰ আছে? গতিকে এইটোত কৰ লগোৱাটো আপত্তি জনক নহয়। লটাৰী টিকেটৰ ওপৰত কৰ লগাইছে ভাল হৈছে। কাৰণ অসম ৰাজ্যৰ লটাৰী টিকেট অসম ৰাজ্যত বিক্ৰী নহয়। বিভিন্ন ৰাজ্যৰ লটাৰী টিকেট অসমত যিমান বিক্ৰী হয় অসমত অসমৰ লটাৰী টিকেট বিক্ৰী

নহয়। গতিকে লটাৰী টিকেটৰ ওপৰত শতকৰা ১০ ভাগ কৰ লগোৱাটো ভাল হৈছে। এই ব্যৱস্থাৰ জৰিয়তে অন্ততঃ লটাৰীৰ টিকেট লৈ অসমৰ মানুহ দেউলীয়া হব নেলাগে। এই লটাৰী বিক্ৰীৰ পৰাও চৰকাৰৰ ৰাজহ আহিব।

মাননীয় উপাধ্যক্ষ মহোদয়, ৪ চকীয়া মটৰ গাড়ীৰ ওপৰত টেক্স লগাইছে কিন্তু ২ আৰু ৩ চকীয়া গাড়ীৰ ওপৰত টেক্স ৰেহাই দিছে। মটৰ গাড়ী বিলাসিতাৰ কাৰণে ব্যৱহাৰ কৰা হয় কিন্তু ২ বা ৩ চকীয়া গাড়ী সাধাৰণ মানুহৰ ব্যৱহাৰৰ কাৰণেহে। যিসকল সৰু সুৰা চৰকাৰী চাকৰিয়াল আছে আৰু যি সকল মানুহৰ হয়তো চাকৰি নাই তেনেকুৱা মানুহে জীৱনৰ এটা উপাৰ্জনৰ পথ হিচাবে ব্যৱহাৰ কৰে। সেই কাৰনে টেক্সটো ৰেহাই দিয়াত আমাৰ দোষ ক'ত হল? যিসকল সাধাৰণ মানুহে মটৰ গাড়ী কিনিব নোৱাৰে তেওঁলোকে ২ চকীয়া গাড়ী কিনি চাকৰিলৈ বা অন্য কামৰ বাবে যোৱাত ব্যৱহাৰ কৰে। গতিকে টিউব, টায়াৰ এনেকুৱা বস্তুৰ ওপৰত টেক্স ৰেহাই দিয়া হৈছে। যি বিলাক বস্তু বাহিৰৰ পৰা প্ৰডাকচন হৈ আহে সেইবিলাক চেল টেক্সৰ লগত জড়িত যদিও গৰীৱ জনসাধাৰণৰ প্ৰতি লক্ষ্য ৰাখি আমি টেক্স ৰেহাই দিছো। এলুমিনিয়াম. চিট আদিৰ দৰে বস্তু আমি ব্যৱহাৰ কৰো। চাহ বাগিচা আৰু উদ্যোগ সমূহৰ কাৰণে যিবিলাক সামগ্ৰী দৰকাৰ হয় সেইবিলাক বস্তুৰ ওপৰত টেক্স ৰেহাই দিয়া হৈছে। টেক্স বঢ়াবৰ কাৰণে যিবিলাক বস্তুৰ দৰকাৰ হয় সেইবিলাক আমাৰ ওচৰৰ ষ্টেটত থকা শিলিগুৰিৰ পৰা আহে। বিভিন্ন ঠাইৰ পৰা বস্তু বিলাক আমাৰ অসমৰ মানুহে আনে। তেনেদৰে অনাৰ কাৰণে আমাৰ ৰাজ্যৰ যিটো ৰাজহ সেই ৰাজহ বহুত পৰিমাণে কমি যায়। এইটোলৈ লক্ষ্য ৰাখিলে আমাৰ বাজেটখন অতি সুক্ষ্ম দৃষ্টিৰে লক্ষ্য কৰি যত যেনেকৈ বঢ়াব লাগে তাকেহে কৰা হৈছে আৰু মানবীয় দৃষ্টি-কোণৰ পৰা চিন্তা কৰি আমাৰ বিকলাঙ্গ সকলৰ কাৰণে যিবিলাক

আৱশ্যকীয় বস্তু বাহানি, স্কুলৰ আৱশ্যকীয় আচ-বাব এনেকুৱা বিলাকৰ টেক্স সম্পুর্ণ নাইকীয়া কৰি দিয়া হৈছে। এই বাজেটখন লক্ষ্যণীয় বা আদৰ্শণীয় হৈছে। আমাৰ ৰাজ্যখনত নতুনকৈ যিবিলাক উদ্যোগ গঢ়ি উঠিছে সেই উদ্যোগত যিবিলাক বস্তু উৎপন্ন কৰা হয় সেই বিলাকৰ ওপৰত টেক্চ মাফ কৰি দিয়া হৈছে। যাতে অসমখনে উদ্যোগ গা কৰি উঠিব পাৰে আৰু ভৱিষ্যতে উদ্যোগিক বিকাশত আমি ভাল অৱস্থা লাভ কৰিব পাৰো এই কথাটোৰ প্ৰতিও আমি লক্ষ্য ৰাখিছো। এনেকুৱা এখন ভাল বাজেটক আমি সমালোচনা কৰিব নোৱাৰো। এই বাজেটখনক আমি আদৰণি জনাব লাগিব। তাৰ মাজতে কিছুমান একচেচ নোহোৱা নহয়। মিঠাতেল দাইল এনেকুৱা বস্তু বিলাকত এই বাজেটখনে কৰ লগাইছে। (ভইচ, নাই লগোৱা) যদি নাই লগোৱা ভাল কথা হৈছে। এই বিলাকৰ কাৰণে অলপ যেন চিন্তা কৰে তাৰ কাৰণে মই বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। খেতি খোলাৰ কাৰণে যিবিলাক যন্ত্ৰ-পাতিৰ দৰকাৰ, সেইবিলাকত টেক্স লগোৱাৰ কাৰণে আমাৰ মহন্ত ডাঙৰীয়াই আলোচনা কৰিছেই। টেক্টৰ আৰু পাৱাৰ পাম্প আমাৰ অসমত বেছি ধৰণে গ্ৰহনীয়। তেনেকুৱা অৱস্থাত যদি পাৰে ৰেহাই দিবলৈ মই বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। তেলৰ ৰয়েলিটিৰ বিষয়ে আমাৰ বিৰোধী পক্ষৰ পৰাও আপত্তি আহিছে। এই কথাটোও আলোচনাত দাঙি ধৰিছো। আমাৰ অসমত তেলৰ উপাৰ্জন বৰ সীমিত। এই সীমিত উপাৰ্জনলৈ লক্ষ ৰাখি তেলৰ ৰয়েলিটি বঢ়োৱাৰ কাৰণে আমাৰ যিটো দাবী সেই দাবী সাব্যস্ত কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিছো। শিক্ষাৰ সম্পৰ্কেও এই বাজেটত ধাৰ্য্য কৰা হৈছে যথেষ্ট পৰিমাণে। শিক্ষা বিভাগটো কিছু পৰিমানে নিম্নগামী হৈছে। চাকৰি-বাকৰিৰ ক্ষেত্ৰত ৩৬ বছৰ বয়সলৈ বঢ়াই দিয়া হৈছে। তাৰ ওপৰতো আৰু বয়স কনডন কৰাৰ ব্যৱস্থা কৰিছে। এই ব্যৱস্থা বিলাক আমি বোধ কৰিব লাগে। এই ৩৬ বছৰ বয়সীয়াক চাকৰি দিয়া দস্তুৰ চৰকাৰে বিলোপ ঘটাব লাগে।

আৰু কৈছে যে ২৬ বছৰ বয়স হলে চাকৰি পোৱাৰ যোগ্যতা আছে বুলি ধৰি ললে নহব। কাৰণ আজি যিবিলাক শিক্ষাৰ নামত শিক্ষক নিয়োগ কৰিছে সেই সকলৰ শিক্ষাৰ অহৰ্তা কিমান সেইটোৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। অন্য বিভাগৰ কথাত মোৰ আপত্তি কৰিব লগা নাই। মই এজন শিক্ষক আছিলো সেই কাৰণে কবলৈ বিচাৰিছো। দ্বিতীয় বিভাগত বা প্ৰথম বিভাগত পাচ কৰা ল'ৰা ছোৱালীক নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। চাপলিমেনটেৰী বা অন্যান্য কিবা সুবিধা লৈ পাচ কৰা অৰ্থাৎ ৭/৮ বাৰ পৰীক্ষা দি পৰীক্ষাত পাচ কৰা লোকক নিযুক্তি দিয়াটোৰ প্ৰতি মই পক্ষপাতি নহয়। গতিকে প্ৰথম বিভাগ আৰু দ্বিতীয় বিভাগত পাচ কৰা ল'ৰা-ছোৱালী নিযুক্তি দিয়াৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত পইচ লোৱাৰ যদি কিবা স্পেচিফিক প্ৰমাণ পোৱা যায় আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে স্পেচিফিক প্ৰমাণ কৰি দিয়ক মুখ্যমন্ত্ৰীয়ে ব্যৱস্থা গ্ৰহণ কৰিব। ( ভইচ... ফটোগ্ৰাফাৰ লৈ গলেহে হব ) বহুতো কথা বিৰোধী পক্ষৰ সদস্য সকলে কৈ ফুৰিছে যিবোৰৰ কোনো প্ৰমাণ নাই। স্পেচিফিক যদি প্ৰমাণ পোৱা যায় চৰকাৰৰ ফালৰ পৰা শাস্তি দিয়াৰ ব্যৱস্থা লবলৈ কুণ্ঠাবোধ নকৰিব। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে ভেটেনাৰী বিভাগত যি কেলেংকাৰী আহিছে সেই কেলেংকাৰী সমালোচনা কৰাৰ আগতে মুখ্যমন্ত্ৰীয়ে এই ব্যৱস্থা হাতত লৈছে। গতিকে এইবিলাক কথা গাই-বাই লাভ নাই। গতিকে মই আৰু বেছি দীঘলীয়া নকৰো। ( ভইচ .. কৈ যাওঁক ) মাননীয় সদস্য সকলৰ আহ্বান আছে। এনেকুৱা এখন সুন্দৰ বাজেট তেখেতসকলে তিক্ততাৰ কথা প্ৰমাণ কৰিবলৈ নগৈ সুন্দৰ ভাবে বাজেটখন পঢ়ি চাই নিৰপেক্ষ ভাবে নিজে নিজেই বিবেচনা কৰি বাজেট খনৰ প্ৰতি আপোনালোকৰ ফালৰ পৰা সমৰ্থন জনায় বাজেট খনৰ যিবিলাক কথা উল্লেখ কৰিব সেই উল্লেখনীয়

বিষয় সমুহ যাতে আমাৰ চৰকাৰখনক সুন্দৰ ভাবে সকলো দিশতে উন্নয়নৰ কামত সকলো প্ৰকাৰে আগবঢ়াই নিব পৰা যায় আৰু সহযোগিতা আগবঢ়াই তাৰ প্ৰতি আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো আৰু এই বাজেটখন পুৰ্ণসমৰ্থন আনিবৰালো।

Mr. Deputy Speaker : Now Hon'ble Member Shri Jatin Mali will speak.

★ শ্ৰীযতীন মালী : উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে সদনত ১৯৯৩-৯৪ চনৰ বিত্তীয় বছৰটোৰ বাবে যিখন বাজেট উত্থাপন কৰিছে এই বাজেটখন আমি চাই-চিটি দেখিছো এইখন এখন অস্থিৰ বাজেট। অৰ্থাৎ অৰ্থনৈতিক এটা অৱস্থা ইয়াৰ দ্বাৰা আগবঢ়াই দিয়াৰ কোনো ধৰণৰ লক্ষণ আমি দেখা নাই। সেই কাৰণে স্থিৰতা সম্পৰ্কে আমাৰ সন্দেহ আছে।

উপাধ্যক্ষ মহোদয়, প্ৰথম বিত্তীয় বছৰটোৰ বাবে সদনৰ মজিয়াত বিত্তমন্ত্ৰী মহোদয়ে বাজেট উৎথাপন কৰি আহিছে। যিসময়ত বিত্তীয় দপ্তৰত থাকি ৰাজ্যখনক গোটেই অৰ্থনৈতিক দিশত চলাই নিয়াৰ এটা সীমিত সময়ৰ ভিতৰত হিচাপ-নিকাচৰ কথা সদনত দাঙি ধৰে। আমি দেখিবলৈ পাইছো এই বছৰ যিখন বাজেট বিত্তমন্ত্ৰীয়ে উৎথাপন কৰিছে এইখন এখন 'ডেফিচিত' বাজেট। আমি ইতিমধ্যে অনুমান কৰিছো যে যিখন বাজেট উপস্থাপন কৰা হৈছে এই 'ডেফিচিট' বাজেটৰ উপস্থাপনৰ লক্ষ্য ৰাখি এইটো কথা কব পাৰি 'চাৰ প্লাচ' বাজেটৰ যি অভিজ্ঞতা সামগ্ৰীক ভাবে ৰাজ্যখনৰ অৰ্থনৈতিক যি অস্থিৰতাৰ অৱস্থা দেখা পালো মই ভাবো তাৰ অভিজ্ঞতাৰ ফলশ্ৰুতিত এইবাৰ এখন 'ডেফিচিট' বাজেট উপস্থাপন কৰিলে।

উপাধ্যক্ষ মহোদয়, 'ডেফিচিট' বাজেটে দেশৰ উন্নয়নৰ কাম-কাজ

কৰাটো সম্ভৱপৰ নেকি ? 'চাৰপ্লাচ' যদি নেথাকে । 'ডেফিচিট' বাজেটে উন্নয়নৰ কাম কৰা স্কোপ থাকে বা থাকিব পাৰে বুলি ভাবিছো যদিহে এইবিলাক নেথাকে— কি থকা বিলাক নেথাকে পাচৰ বক্তব্যত কৈছো । 'চলিত বছৰৰ আৰম্ভনিৰ পৰাই ৰাজ্যৰ বিত্তীয় পৰিস্থিতি এক সংকটাৱস্থাৰ সন্মুখীন হৈ আহিছে । বৰ্দ্ধিত দৰ্মহা বিল, বৃহৎ পৰিমাণৰ ঋণৰ বোজা আৰু আইন শৃংখলা ৰক্ষাৰ বাবে কৰিবলগীয়া হোৱা বৃহৎ খৰচৰ বাবে ৰাজ্যৰ ব্যয়ৰ পৰিমাণ আয় বৃদ্ধিৰ তুলনাত বেছিকৈ বাঢ়ে । ইয়াৰ ফলত বাজেটৰ ভাৰসাম্য ৰক্ষা কৰাত বাধাৰ সৃষ্টি হয় ।

উপাধ্যক্ষ মহোদয়, 'চাৰপ্লাচ' ভাৰসাম্য স্থিতাবস্থা স্বীকাৰ কৰিছে যিটো মুখ্যমন্ত্ৰী মহোদয়ে স্বীকাৰ কৰা নাছিল । বিত্তমন্ত্ৰীয়ে তেখেতৰ বক্তব্যৰ জৰিয়তে স্বীকাৰ কৰিছে । এতিয়া কথাটো হৈছে এইটো স্থিতাৱস্থা ঘুৰাই অনাৰ কাৰণে 'ডেফিচিত' প্লেচ কৰি উন্নয়নমূলক কাম-কাজ কৰাৰ কাৰণে বিশ্বাস আনিব বিচাৰিছে । তেখেতে আৰু কৈছে যে - কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ নিয়োগ আদি বিবিধ হিচাপত দিব লগা ধনৰ বিপৰীতে কেন্দ্ৰীয় সাহায্য ৰাজ্যিক অংশ গুৰিতে কাটি ৰাখি দেনা-পাওনাৰ হিচাপ মিলাই থৈছো ১৯৯২ চনৰ জুলাই মাহৰ পৰা বৰ্ত্তমানলৈকে আটাইখিনি কেন্দ্ৰীয় সাহায্য ৰাজ্যখনে পৰিশোধ কৰিবলগীয়া ধনৰ বিপৰীতে কাটি ৰাখিছে ।

উপাধ্যক্ষ মহোদয়, সদনৰ মজিয়াত মই এই প্ৰশ্ন আনিছিলো । যে অসমত কিমান সৈন্য বাহিনী আছে ? এই সৈন্য বাহিনীক খোৱাওঁতে কিমান টকা খৰচ হয় ? তেতিয়া মুখ্যমন্ত্ৰীয়ে উত্তৰ দিয়া দূৰৰে কথা বিধান সভাত উৎথাপন কৰিবলৈকে নিদিলে হুলস্থুলীয়া পৰিবেশ সৃষ্টি হয় বুলি । আৰু এটা কথা অলপ আগতে এজন সদস্য শ্ৰীলক্ষী প্ৰসাদ বৰগোঁহাইয়ে নিজৰ বক্তব্যত চৰকাৰৰ সপক্ষে কৈছে ।

মাননীয় উপাধ্যক্ষ মহোদয়, এই বিত্তীয় বছৰত আজি বাজেটৰ ওপৰত

চৰকাৰী পক্ষৰ হৈ এগৰাকী বক্তাই বক্তব্য দিছে সেই বক্তব্য যদি ব্যক্তিগত বক্তব্য বুলি ধৰো সত্য নহব। কিন্তু যদি মই ভাবো চৰকাৰী পক্ষৰ বক্তাই এই বিষয়ে প্ৰথম উপস্থাপন কৰিছে তাত যিটো দুৰ্বলতা তাৰ দ্বাৰা যে এই ডেফিচিত বাজেটে ৰাজ্যখনক উন্নয়নৰ দিশত আগবঢ়াই নিব পাৰিব সেইটো চৰকাৰী পক্ষই ৰূপায়িত কৰিব পৰা নাই। আমি আগৰ বক্তব্যত এইবিলাক কৈছো যে এই ডেফিচিট যিখন বাজেট এই বাজেটে অসমৰ উন্নয়নমূলক কাম-কাজ ইয়াৰ কিবা অলপো কৰিব পাৰে। ১৬২·৬০ কৌটি টকাৰ ডেফিচিট বাজেট ইয়াত দিছে এই ডেফিচিট বাজেটে আজি অসমৰ জনসাধাৰণে ভাবি থকা ধৰণে বিত্তমন্ত্ৰী ডাঙৰীয়াই অসমৰ জনসাধাৰণক ৰক্ষণা-বেক্ষণ দিব নোৱাৰিব। উন্নয়নমূলক কাম কাজত জড়িত কৰিব নোৱাৰিব। বিত্তমন্ত্ৰী ডাঙৰীয়াই যিমান টকা বিভাগক উলিয়াই নিদিয়ক কিয় যদি ৰূপায়িত কৰা ষ্টেজত থকা বিষয়া বিলাকে দুৰ্নীতিত লিপ্ত হৈ থাকে তেতিয়াহলে যিমান টকাই নিদিয়ক কিয় কামত নাহিব বান নিয়ন্ত্ৰন বিভাগত যিমান টকা দিছে সেই বিষয়ে কৰ্ত্তন প্ৰস্তাৱত আহিবই তেতিয়া আৰু বহুতো কথাই কোৱা হব। বান নিয়ন্ত্ৰণ বিভাগত এনেকুৱা কিছুমান বিষয়া আছে যদি দৰকাৰ হয় মই নাম কম। যিসকলে এখন চৰকাৰ চলি থাকোতে এখন মিনিষ্ট্ৰি চলি থাকোতে নিজে একছেজ ড্ৰ কৰিছে ৭০/৮০ লাখ টকা। উপাধ্যক্ষ মহোদয়, সেই সকল বিষয়া এই দিছপুৰৰ গুৱাহাটীতে থাকে। যি সকল বিষয়াই হয়তো অহা কালি ৰিটায়াৰদ হব। সেই ৰিটায়াৰদ হব লগা বিষয়া সকলে ৭০/৮০ লাখ টকা একছেজ ড্ৰ কৰি নিজা সম্পত্তি কৰিছে। কিন্তু তাত কোনো আইন কানুনৰ কথা নাই। সেই বিষয়া গৰাকীৰ আজি কাৰ্য্যকাল শেষ হলে এ জিৰ পৰা চৰকাৰী বিভাগৰ পৰা পেঞ্চন পাব এক লাখ টকা কিন্তু এই বিষয়া গৰাকীয়ে ৭০/৮০ লাখ টকা আত্মসাৎ কৰিছে। ৭০/৮০ লাখ টকা একছেজ ড্ৰ কৰি নিজৰ পকেটত সুমুৱাইছে। এই বিষয়া গৰাকীক চাছপেণ্ড কৰিব লাগে বুলি ফাইল আহিছিল কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই ফাইলটো আনি তেখেতক চাছপেণ্ড নকৰি শিলচৰলৈ বদলি কৰিলে। এই বিষয়ে চৰকাৰৰ দৃষ্টি-ভংগী সদনত জনাব লাগে। ডেফিচিট বাজেটৰ লাখ লাখ

টকা যদি বিভাগৰ বিষয়াই পকেটলৈ নিয়াৰ চেষ্টা কৰে দেশৰ জনসাধাৰণৰ উন্নয়নমূলক কাম-কাজ একো নহব। চৰকাৰী পক্ষৰ এগৰাকী মানুহে কৈছে। কাকতত ওলাইছে চৰকাৰে প্ৰতিবাদ কৰা নাই। গতিকে আমি বুজিব লাগিব মানুহ গৰাকীয়ে কোৱা কথা বিলাকৰ সত্যতা প্ৰতিপন্ন হব। মুজিবুৰ ৰহমান ডাঙৰীয়াই ক্ষোভ প্ৰকাশ কৰি কয়, দুৰ্নীতিগ্ৰস্ত আটাই কেইজন মন্ত্ৰীক অপসাৰিত কৰা নহল। গতিকে কথাখিনি যদি সত্য হয় তেতিয়াহলে ডেফিচিট বাজেটে কিবা কাম দিব বুলি আমি নাভাবো। উপাধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে যে ৰাজ্য ডেফিচিত বাজেট উত্থাপন কৰা হয় জন সাধাৰণৰ কল্যাণৰ অৰ্থে। ১৭ মাৰ্চৰ আজিৰ ৰাতৰি কাকতখনত প্ৰকাশ পাইছে যে মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ বিৰুদ্ধে উত্থাপন কৰা গুৰুতৰ অভিযোগ সমুহ হৈছে মুখ্যমন্ত্ৰীয়ে দেশীয় সুৰাৰ অনুজ্ঞাপত্ৰ বিতৰণ কৰোতে সংশ্লিষ্ট ব্যৱসায়ী সকলৰ পৰা কেইবা কৌটি টকা অবৈধ ভাবে আদায় কৰে। যদি নিজেই কেবা কৌটি টকা এই ধৰণে আত্মসাৎ কৰি থাকে তেতিয়া হলে দেশৰ কাৰণে উন্নতি হব বুলি আমি নাভাবো। অসম সংবাদ কাকতত মুখ্যমন্ত্ৰীয়ে নিজৰ লাভৰ বাবে মন্ত্ৰী সকলৰ হতুৱাই দুৰ্নীতিমূলক কাম কাজ কৰায় ইয়াৰ তথ্য সম্বলিত নথি আমাৰ হাতত আছে বুলি নিজৰ দলৰ মানুহে উল্লেখ কৰিছে। এইবিলাক যদি সত্য হয় ডেফিচিত বাজেট উত্থাপন কৰি বিত্ত-মন্ত্ৰীয়ে যিটো সন্তোষ লাভ কৰিছে সেই সন্তোষ নিশ্চয় কাৰ্য্যক্ষেত্ৰত নহব। আমি ভাবো জনসাধাৰণে কিবা অভিযোগ উত্থাপন কৰিলে যদি প্ৰমাণসহ সত্য তথ্য পায় তেতিয়া এইবিলাক নাইকীয়া কৰা হয়। মাননীয় উপাধ্যক্ষ মহোদয় মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যিবিলাক বিষয়াৰ ৰিটা-য়াৰ্দ্ হবলৈ তিনি বছৰ বাকী থাকে সেইবিলাক বিষয়াক ফিল্ডত কাম কৰিবলৈ পঠিয়াব নালাগে। সকলো বিভাগতে অৱশ্যে নহয়। বিশেষকৈ বান নিয়ন্ত্ৰন, ই-এন্ত্ৰ-দি, পি-ডব্লিউ দি আদি বিভাগত এই ব্যৱস্থা লব লাগে। কাৰণ ৰিটায়াৰ্দ্ হবলৈ অলপ দিন বাকী থকা বিষয়া সকলে ফিল্ডত

গৈ কোনো আইন কানুন নোহোৱাকৈ ৭০/৮০ লাখ টকা ড্ৰ কৰিব পাৰিলে চৰকাৰক কেয়াৰ নকৰে। সেই কাৰণে বিত্তমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই নীতি কৰিব লাগে যাতে যিসকল বিষয়াৰ ৰিটায়াৰমেণ্টলৈ মাত্ৰ তিনি বছৰ থাকে সেই সকল বিষয়াক ফিল্ডত পঠোৱা নহয়। সেই সকল বিষয়াক সন্মানজনক পদ দি কাৰ্য্যালয়তে আবদ্ধ ৰাখিব লাগে। যাতে এনে ধৰণৰ দূৰ্নীতি কৰিব নোৱাৰে। এইবিলাক কথা আমি প্ৰত্যেকে চাব লাগে। যদি আমাৰ প্ৰত্যেকৰে এটা ভাল মন থাকে যদিহে আন্তৰিকতা থাকে। মাননীয় উপাধ্যক্ষ মহোদয়, নিৰনুৱা সমস্যা সমাধানৰ বাবে এই বাজেটত কোনো ধৰণৰ প্ৰচেষ্টাৰ কথা ইয়াত কোৱা হোৱা নাই। এতিয়া দিল্লীত কংগ্ৰেছ দলৰ চৰকাৰ আৰু অসমতো কংগ্ৰেছ দলৰ চৰকাৰ। এতিয়া এইটো বৰ ভাল কথা হৈছে। বেয়া হৈছে এইটোহে যে মই এটা উদাহৰণ দিছো যে যেতিয়া ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰ কেন্দ্ৰত আছিল অসমত তেতিয়া এ জি পি চৰকাৰ আছিল তেতিয়া এ জি পি চৰকাৰে ৰাজহুৱা ভাৱে সিদ্ধান্ত লৈ অসমৰ আৰ্থিক অৱস্থাৰ কেন্দ্ৰক পতিয়ন নিয়াব বিচাৰিছিল। আৰু তেতিয়া কেন্দ্ৰীয় চৰকাৰে পতিয়নো গৈছিল আৰু তেতিয়াই অসমক কেন্দ্ৰই ৯০ শতাংশ সাহাৰ্য্য আৰু ১০ শতাংশ ঋণ হিচাবে দিছিল। এই পৰিমান আগতে আছিল ৭০ শতাংশ লোণ আৰু ৩০ শতাংশ হে সাহাৰ্য্য। গতিকে অসমৰ জনসাধাৰণে কেতিয়াও এইটো পাহৰিব নোৱাৰে। এতিয়া নিজৰ স্থিতাৱস্থা আৰু দৃঢ় মনোভাৱেৰে চৰকাৰে কৈছে যে ইয়াতো কংগ্ৰেছ দলৰ চৰকাৰ আৰু কেন্দ্ৰতো কংগ্ৰেছ দলৰ চৰকাৰ। বিত্তমন্ত্ৰীয়ে নিজে লিখিছে যে কেন্দ্ৰক যিখিনি টকা সুদৰ বাবদ দিব লগা আছে সেইখিনি মাফ কৰি দিয়াৰ বাবে কেন্দ্ৰক মেমোৰেণ্ডাম দিয়া হৈছে। এই মেমোৰেণ্ডাম বিত্তমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীকো দিয়া হৈছে কিন্তু কেন্দ্ৰই মানি লোৱা নাই। এইটো অসম চৰকাৰৰ অযোগ্যতা নহয়নে? দুয়ো ঠাইতে একে দলৰ চৰকাৰ থকা স্বত্বেও এইখিনি কৰিব পৰা নাই। আজি আমি এই কথা কব লাগিব যে ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰে বিশেষ এটা অভিসন্ধি

কৰি অসমৰ জনসাধাৰণক, বুদ্ধিজীবি সকলক অসমৰ ভূ-গৰ্ভত কিমান তেল আছে ইয়াৰ মূল্য কিমান হব এই বিষয়ে জানিবলৈ নিদিয়ে। কাৰণ আজি যদি অসমত কিমান পৰিমাণৰ তেল আছে ইয়াৰ ভৱিষ্যৎ মূল্য কিমান হব অসমৰ জনসাধাৰণে জানিব পাৰে তেতিয়া হলে অসমত ভৱিষ্যতে আন্দোলন হব পাৰে।

উপাধ্যক্ষ ডাঙৰীয়া এই কথা মই এই কাৰণে কৈছো, কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি যি তেলৰ ৰয়েলিটি পাব লাগে, যি পৰিমাণে পাব লাগে সেই পৰিমাণে নিদিয়ে, অসমৰ মানুহে হয়তো আন্দোলন কৰিব লাগিব। অসম তেলৰ কাৰণে চেকেণ্ড ( দ্বিতীয় ) কুৱেইট। অসমৰ মানুহে বুজিবৰ সময় হৈছে। এইটো এটা ডাঙৰ যড়যন্ত্ৰ চলি আছে। মই ভাবো অসমৰ জনসাধাৰণক জানিব দিয়া নাই। সেই কাৰণে মই ভাবো অসমৰ যিখিনি কথা তেলৰ সম্পৰ্কত এইখিনি কথা বিধান সভাত বিশেষ প্ৰস্তাৱ যোগে চাব লাগে। বিত্তমন্ত্ৰী মহোদয়ক টেক্সৰ সম্পৰ্কত মোৰ কব লগা আছে। সময় কম কাৰণে নকও। মই আকৌ এটা কথা ৰিপিট কৰিব বিচাৰিছো। চৰকাৰী পক্ষৰ এগৰাকী বক্তাই দালিৰ ওপৰত টেক্স লগাইছেনে নে তেলৰ ওপৰত লগাইছে সেই বিষয়ে উৎথাপন কৰিছে। টেক্স কত লগাইছে নিজেই নাজানে। টেক্স লগাই ডেফিচিট বাজেট পেচ কৰিছে। এই ডেফিচিট বাজেটখনত সদনৰ সদস্য সন্তুষ্ট আছে বুলি নাভাবো। টেক্স কালেকষ্যণৰ ক্ষেত্ৰত, চেল্চ টেক্স সংগ্ৰহৰ ক্ষেত্ৰত যিবিলাক বিষয়াৰ জড়িয়তে হৈছে, কিমান দূৰ আগবাঢ়িছে সেই কথাও বিত্তমন্ত্ৰী মহোদয়ে জনাব। টেক্স সম্পৰ্কত যিটো প্ৰক্ৰিয়া কম বেছি পৰিমানে চলি আছে। কথা হৈছে পাৰচেইজৰ ক্ষেত্ৰত, টেক্স সংগ্ৰহ কৰাৰ সম্পৰ্কত, আদায় কৰা সম্পৰ্কত যদি বিষয়া সকল নাথাকে তেতিয়া হলে ডেফিচিত্ত বাজেট ফেইল হৈ যাব। মাননীয় বিত্তমন্ত্ৰী মহোদয়ে টেক্স সম্পৰ্কত ডেফিচিত্ত বাজেট পেচ কৰি যিটো কৃতকাৰ্য্যতা হব বুলি ভাবিছে, সেইটো সন্দেহ হয়। আন এটা

গুৰুত্বপুৰ্ণ কথা আজি কেইমাহমানৰ পৰা যি এল, অ চি নিজৰ ইণ্টাৰেষ্টত ইচু কৰা দেখিবলৈ পাইছো বা শুনি আহিছো এই পদ্ধতিটোৱে অসমখনক শেষ কৰিহে এৰিব। প্ৰায় দুশ কৌটি টকা ইয়াত দুৰ্নীতি হৈ আছে। এই এল, অ, চিৰ সম্পৰ্কত যদি সদনৰ মজিয়াত আলোচনা কৰিবলৈ দিয়া হয় তেতিয়া মই তুথ পাম আৰু আমি গৰিহনা দিম, মোৰ আৰু এটা কথা কব লগা আছে, বিগত দিন বিলাকত কোনো ধৰণৰ উন্নয়নমূলক কাম নহল। ঘাটি বাজেট যিখন দিছে আনুমানিক ১৬২ কৌটি ৬০ লাখ টকাৰ। ইতিমধ্যে মই ডিবেট আৰম্ভ কৰিলোহেতেন, কিন্তু এটা শব্দৰ কাৰণে ডিবেট আৰম্ভ নকৰিলো, কিয়নো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে বিত্তীয় বছৰটোত যিটো হিচাব দেখুৱাইছে সেইটো আনুমানিক হিচাব দেখুৱাইছে। এই আনুমানিক শব্দটোৰ কাৰণে ডিবেট নকৰিলো। তেখেতে ষ্টেটি্ চটিকেলি ফেক্‌চ এণ্ড ফিগাৰ দেখুৱা নাই। নিয়ম মতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেওঁৰ লগত ইলেকটি চিটিৰ দিনত কেলকুলেটৰ ৰাখিব লাগিছিল, এক্সপাৰ্ট মানুহ হাতত ৰাখিব লাগিছিল। কিন্তু তেখেতে এনেয়ে গুৰুত্ব নিদিয়াকৈ আৰু বিষয়টোৰ গভীৰতালৈ নোসোমায় উত্তৰ দিয়া যেন অনুমান হৈছে। মই আজি আগবেলা এটা প্ৰশ্ন কৰিছিলো. সেই বিষয়ত আলোচনাও হৈছিল। তাত কোৱা হৈছে এচ বি লোক সকলে মন্ত্ৰীৰ লগত যোৱা ভ্ৰমনৰ সম্পৰ্কত টি এ পাবনে নাপায়। যদি পায় পি, এচ অ সকলে নিয়মিত ভাবে পাই আছেনে। পি, এচ, অ সকলক নিয়মিত ভাবে আগতীয়া ভ্ৰমন বানচ দি থকা হৈছে। পি এচ, অ সকলে ৩১ মাৰ্চৰ আগতে লব পাৰিব কথা এটা জনাইছে আমাৰ মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই যিখিনি কথা কৈছে তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। চন্দ্ৰমোহন ডাঙৰীয়াই ইমান কথা কব পাৰে বাবে কৈছে। এইবাৰ ডেফিচিট বাজেট কৰিছে। ফেক্‌চ এণ্ড ফিগাৰ প্ৰমাণ কৰা নাই। বিৰোধী পক্ষই কৈছে বুলি এনেয়ে নাভাবিৰ, এইবিলাক সচা কথা। আমাৰ দুটা বিভাগ, শিক্ষা বিভাগ আৰু অৰ্থনীতি বিভাগ এই বিভাগ দুটাত বিশেষ

ভাবে গুৰুত্ব আৰোপ কৰিব লাগে। অৱশ্যে অন্য বিভাগতো লাগে। ডেফিচিত বাজেট তৈয়াৰ কৰি উন্নয়ন মূলক কাম হব বুলি ভাৰিলে ভুল হব। এইখন বাজেটে ভৱেশ শৰ্ম্মাৰ নিচিনা একজিকিউটিভ ইঞ্জীনিয়াৰৰ টকা খিনি ৰিকভাৰি নহয়। প্ৰায় ৭০ লাখ টকা ছুৰ্নীতি কৰি শিলচৰলৈ বদলি কৰিলে। আমাৰ মানুহে যদি ৰক্ষণা-বেক্ষণ দি থাকে তেতিয়া হলে আশাকৰামতে কাম নহব। যদি এই ক্ষেত্ৰত সতৰ্ক হৈ এনে বিলাক ছুৰ্নীতি মুক্ত হব পাৰে, তেতিয়াহলে ভাল ফল আশা কৰিব পাৰি।

**Mr. Deputy Speaker :** Now Hon'ble Member Shri Samarendra Nath Sen.

**Shri Samarendra Sen :** Nationally the budget is very good, so far as the budget proposals are concerned. But I doubt, whether our Hon'ble Finance Minister has taken into consideration of the performance of the last 6 (six) months because in the last year, we have seen surplus buget, Sir our Hon'ole Finance Minister has prepared a budget in which there are many non plan expenditure which the State to bear, because in the last year we have seen some advarse condition for which our State had to suffer. Because some extronous situation as it happened in the last year causing our State exchequer to divert plan mony to non-plan. Sir, agriculture is the main stay of our Indian cultivators.

But here in the Budget proposals we have not seen anything as regards supply of seeds and fertilisers at subsidised rates.

As regards Rural Development and Panchayati Raj Administration it is found that funds are allocated. But as our experience goes we are quite apprehensive if anything tangible we come of the DRDA sector. There are anomalies and also corrupt practices creeping in the system for which the money allocated cannot be utilised properly. Sir, if the money earmarked for rural sector are not utilised properly then our State will never prosper.

As regardance power Sir, I would like to speak a few words. Power failureis a regular phenomenon althroughout Assam; But it has got a peculiar appearance in Barak valley. The Ministers of our State who have visited Barak Valley have the knowledge of it. Inspite of it, in the budget proposals there is no money earmarked for improvement of power supply. Honourable Finance Minister has stated that due to certain difficulties there are power failures. But unless these are modemised how can we expect improvement in the supply of power.

Similarly, in the Industrial Sector there is nothing noticeable in the Finance Minister's speech. Unless Industries come up in the State, we cannot solve the unemployment problem which has created difficult situation in the society. In other countries there has been trend towards decrease in the number of unemployed people; but in our country it is always in the increase.

As regards Education Sir, if it is less stated is the

better. We have seen the nature of recruitment of the L. P. school teachers. We all know what is happening there. I am very sorry to state that in the name of recruitment of teachers how the things are moving. Govt. must take care of it before it is to late.

( Mr. Deputy Speaker Vacated the Chair and Mr. Speaker occupied it ).

As regards tax proposals, our Honourable Finance Minister has given an account of it. I shall touch only one or two items here. Water pumps run by electrical motor will attract sales tax at the rate of 12%. These water pumps are used all over India by the poor cultivators and unless some relief is given it will not yield any good purpose. Therefore sugsidised rates are to be fixed so that the poor cultivators can use it Assam.

Similarly, for paints and colours the rate of taxation is fixed at 8%. I would like to impress upon that paints and colours are used by all sections of the people both poor and rich and so it will affect the poor very hard. I therefore request the honourable Finance Minister to look into it.

I am thankful to the Finance Minister for reduction in the taxation rate in respect of milk products. But it should be taken care of that unscrupulous traders do not

take advantage of using these milk products for producing Chana or Khir. This is a good proposal and I hail it. But unless there is a check on the above lines, this proposal will get frustrated.

Then Sir, honourable Finance Minister has also stated to give tax relief to the motor vehicle owners, I think it is a fantastic idea. If once the tax is paied the vehicle owner would not be required to pay any further tax on the particular vehicle during the remaining period of the vehicle's life.

But Sir, if a person after taking loan from banks and if he is to pay Motor Vehicle tax at a time he would not be able to pay the tax. So some method should be find out so that payment of tax is not a huge burden to him. Poor people purchase vehicle taking loan from bank, so if he is to pay Rs 25,000, 30,000 as tax he would not be able to pay. So I request the Finance Minister to consider.

Another thing Sir, our Finance Minister increased sales tax. Sales tax is the only media of tax collection, Some months passed an order was issued forgiving security money at a time. But Sir, there is nothing if they paid security money whether interest on the advanced security money will be able to adjust towards advances. Sir it is surprising that Government has taken anything

as advance but there is no system for adjustment. There should be system for adjustment of the money. So I request hon'ble Finance Minister to consider it again.

First of all, I say that plan money is diverted as happened in last year, So I request hon'ble Finance Minister that we should be abit alert to non plan expenditure,

Another thing sir, hon'ble Finance should enlighten us how to curtail non plan expenditure.

Last of all, I like to mention that last year there are tax proposal on Mastard Oil, Dal etc. But mastard oil, Dal are generally used by poor section of the people.

So I request hon'ble Finance Minister to consider this tax proposal on mastard oil and Dal for withdrawal immediately, and with this words I conclude my speech.

Shri Jiba Kanta Gogoi ( Finance Minister ) ; Sir, some of the hon'ble Members have discussed without knowing the things well; e. g tax on water pump, pump set etc. I have understood that no tax is imposed on pump set. We have to tax only on water pumps but only irrigation pump sets;

Another thing, some of the Hon'ble Members wrongly interpreted Motor Vehicle tax: Every year owners of the Motor vehicles have to tax; Now we are to pay tax at a time and after that whole life will be tax free in

respect of the said vehicle, say for 100 years no tax at all.

If your vehicle is only 4 years old you will have to pay tax for 10 – 4 – = 6 years only.

Mr. Speaker : Any Hon'ble Member can speak.

Shri Mukut Sarma (Revenue Minister) : My personal car is 30 years old. Whether I should pay tax and whether I will get tax concession.

Shri Jiba Kanta Gogoi ( Finance Minister ) : You will have to pay 5 years tax. Another thing is match box. Tax imposed not on match box but imposed on crackers ( fireworks ) including colour matels. Another clarification is that no tax is imposed on Cinemas but imposed on photography films.

আমি ফিল্ম মানে চিনেমাৰ ওপৰত টেক্স লগোৱা নাই। তাত যে যন্ত্ৰ পাতিবোৰ থাকে অৰ্থাৎ কেমেৰা আদিৰ ওপৰতহে টেক্স লগোৱা হৈছে। তাৰোপৰি কেমেৰাৰ ৰীল অৰ্থাৎ ফটো যে তোলে তাৰ ওপৰতহে টেক্স লগোৱা হৈছে।

মাননীয় অধ্যক্ষ : তাৰ মানে আপুনি আমাক ফটো তুলিব নিদিব।

* শ্ৰীজীৱকান্ত গগৈ ( বিত্ত মন্ত্ৰী ) : আপুনি বিধান সভাৰ অধ্যক্ষ যেতিয়া আপোনাৰ ফটো এনেয়ে তুলি দিম।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, গাড়ীৰ ওপৰত যিটো কৰ লগোৱা হৈছে, ৩০ বছৰীয়া পুৰণি গাড়ীৰ বাবে কিমান কৰ দিব লাগিব।

* শ্ৰীজীৱকান্ত গগৈ ( বিত্ত মন্ত্ৰী ) : এমবেচাদৰ বা জীপৰ কাৰণে ২৭০'০০ টকা দিব লাগিব। ৩০ বছৰীয়া পুৰণি গাড়ী হলেও ৫ বছৰৰ টেক্স দিব লাগিব।

Mr. Speaker : Now it is 5 P. M. A Tea party has been arranged in honour of newly elected Deputy Speaker Shri Prithivi Majhi in the adjecent pendal. Hon'ble Members officers official reporters and press reporters to join in the Tea party. ( The House stand adjoined till 6-30 P. M.

(The house again met at 6-30 P.M. Today the twenty third March 1991 after the break with Mr. Speaker in the Chair )

Mr, Speaker : Item No. 6-Hon'ble Chief Minister to move.

Shri Hiteswar Saikia ( Cheif Minister ) : Mr. Speaker Sir, I beg to move that this House ratified the amendments to the constitution of India falling with in the purview of elauses (c) and (e) of the proviso to clause (2) of article 368 there of proposed to be made by the constitution ( Seventy-second Amendment ) Bill, 1991 as passed by the Houses of Parliament",

Mr, Speaker Sir, if the House agrees I can move the second Amendment.

( Voices, Yes, Yes )

Mr, Speaker Sir, I beg to move That this House ratifies the amendments to the constitution of India falling within the purview of clauses (c) and (e) of the proviso to clause (2) of article 368 thereof proposed to be made by the constitution ( Seventy-third Amendment ) Bill, 1991, as passed by the Houses of Parliament.

**Mr. Speaker**– So, if any Hon'ble Member wants to speak, may speak.

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভাৰতীয় সংবিধানৰ ৭২-৭৩ তম সংশোধনী উত্থাপন কৰা হৈছে তাৰ পৰা দেখা যায় যে কেন্দ্ৰীয় চৰকাৰৰ হাতত অধিক ক্ষমতা কেন্দ্ৰীভূত কৰাটো পৰিলক্ষিত হৈছে। এফালে কোৱা হৈছে আমাৰ দেশখন যুক্ত ৰাষ্ট্ৰৰ ভিত্তিত গঠন কৰা হব লাগে আৰু আমাৰ সংবিধানৰ ৪০ নং যিটো সংশোধণী আছিল সেইমতে অৰগেনাইজেশ্যন অৱ ভিলেইজ পঞ্চায়তটো ৰাজ্য চৰকাৰৰ হাতত এই ক্ষমতা দিয়া হৈছে। আনহাতেদি মিউনিচিপেলিটিৰ ক্ষেত্ৰত ৰাজ্যিক সূচীৰ ৫ নংত কৈছে এই ক্ষমতা ৰাজ্যৰ হাতত সন্নিবিষ্ট কৰা হৈছে। বাস্তবিকতে দেখা গৈছে যে কেন্দ্ৰীয় চৰকাৰৰ হাতত যিবিলাক ক্ষমতা আছে সেইবিলাক কিন্তু বিকেন্দ্ৰীভূত কৰা নাই। কেবল ৰাজ্য চৰকাৰৰ ক্ষমতা কেন্দ্ৰৰ হাতলৈ বিকেন্দ্ৰীকৰণ কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হৈছে। এই সংশোধনীটো উত্থাপিত হোৱা জইণ্ট কমিটি অব পাৰ্লিয়ামেণ্ট আৰু মিউনিচিপেলিটি এক্ট খনৰ ওপৰত পৰ্য্যালোচনা কৰি চাইছে। কিন্তু গোটেই বিষয়টো হৈছে আজি আমাৰ যিটো পঞ্চায়তৰ ক্ষমতা নেট ক্ষমতা ৰাজ্য চৰকাৰৰ হাতত কেন্দ্ৰীভূত হৈছে। ৰাজ্যৰ ক্ষেত্ৰটো একেই অৱস্থা হৈছে গতিকে এই বিষয়টোৰ ওপৰত আমি সকলোৱে চকু দিয়া উচিত। আমাৰ ইয়াত পঞ্চায়ত নিৰ্বাচন হোৱাৰ পাচত পঞ্চায়ত এক্ট সংশোধনী ৯২ বিৰোধী দলৰ প্ৰবল বিৰোধীতা স্বত্বেও গৃহীত হৈছে, এই সম্পৰ্কত বহু কথাই কবলগীয়া আছে, মই বেচি কবলৈ নাযাও, কিন্তু এই কথাটো আমি অনুভৱ কৰিছো ক্ষমতা ৰাইজৰ ওচৰলৈ নাযায়, ৭২ নং সংশোধনীয়ে যি কৈছে কিন্তু ৯২ এক্টত বেলেগকৈ কৈছে কাৰণ, তেনে ক্ষমতা গাওঁ পঞ্চায়তক দিয়াতকৈ চেণ্ট্ৰেলী কেন্দ্ৰীভূত কৰাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা হৈছে আৰু সেইকাৰণে এই বিষয়টোলৈ বাক-বিতণ্ডায়ো হৈ গৈছে। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰ বিলাকক কৈ আন উপায়েও

এই সংশোধনী আনিব পাৰিলেহেতেন। কিন্তু প্ৰকৃততে কি দেখা গৈছে চৰকাৰীয়া কমিশ্যনৰ ৰিপোৰ্টৰ ওপৰত নিৰ্ভৰ কৰি উন্নয়নৰ ক্ষেত্ৰত বিশেষ নজৰ নিদিয়া যেন দেখা গৈছে। বলবন্ত ৰায় মেহতা কমিটিয়ে আজি উল্লেখ কৰা মতে পঞ্চায়ত ব্যৱস্থা ষ্টেটলিষ্টৰ ভিতৰত থকা বিষয় কেন্দ্ৰীয় চৰকাৰে ইয়াত অযথা সামৰি পেলাইছে। আমি দেখা পাইছো যত ৰাজ্য চৰকাৰৰ ক্ষমতা বিলাক আছে তাতেই কেন্দ্ৰীয় চৰকাৰে হস্তক্ষেপ কৰিছে। অথচ কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰৰ ক্ষমতা সমূহৰ কোনো ক্ষমতাই ৰাজ্য চৰকাৰলৈ দিবলৈ বিচৰা নাই। মিউনিচিপেলিটিৰ ক্ষেত্ৰতো একেই অৱস্থা হৈছে। মই বেচি সময় নলও, কেন্দ্ৰীয় চৰকাৰে স্পষ্টকৈ কোৱা নাই যে পঞ্চায়ত আৰু মিউনিচিপেলিটিৰ ক্ষেত্ৰত তেওঁলোকে আন আন দিশৰ লগতে আৰ্থিক ভাবে সহায় কৰিব পাৰেনে নোৱাৰে সেই বিষয়ে একো কোৱা নাই। আজি পঞ্চায়তৰ যিটো ব্যৱস্থা আৰু মিউনিচিপেলিটিৰ যিটো অৱস্থা সেইমতে ৫ বছৰৰ মূৰে মূৰে নিৰ্ব্বাচন হব, চেণ্ট্ৰেল গভৰ্ণমেণ্টে চেণ্ট্ৰেল এক্টৰ বিধি ব্যৱস্থা লৈছে কিন্তু চেণ্ট্ৰেল এচিষ্টেন্স ইত্যাদি দিয়াৰ ক্ষেত্ৰত নিৰুত্তৰ হৈ আছে। মাননীয় উপাধ্যক্ষ মহোদয়, কেন্দ্ৰৰ হাতত অধিক ক্ষমতা ৰাখি ৰাজ্য চৰকাৰ বিলাকক দুৰ্বল কৰি সুস্থ ৰাষ্ট্ৰীয় গাথনি ৰূপায়ন কৰাৰ ক্ষেত্ৰত সফল হোৱাতো সম্ভৱ নহয়। সেয়ে ৰাজ্য চৰকাৰ বিলাকক অধিক ক্ষমতা দিয়াটো প্ৰয়োজন হৈ পৰিছে। মই ভাবো পঞ্চায়ত আইনৰ সংশোধনীটো ভাৰত চৰকাৰে মানি লৈছে। কিন্তু এইটো ৰাজ্য চৰকাৰৰ পৰিসীমাৰ ভিতৰত। তাত কোৱা হৈছে গাওঁ পঞ্চায়ত বিলাক স্বাধীন চিতিয়া হব লাগে। তেওঁলোকে আহিবলগীয়া উপাৰ্জন বিলাকৰ ক্ষেত্ৰত তেওঁলোকৰ স্বাধীন চিতিয়া ব্যৱস্থা হব লাগে। সেইখিনি দিয়াৰ কাৰণে আমাৰ পঞ্চায়ত বিলাক হয় নে নহয়? আজি সুবিধা-অসুবিধাবোৰ আছে নে নাই সেইটো বেলেগ কথা কিন্তু বাস্তবিকতে কাম কি হব সেইটো সম্ভাৱনীয় বিষয় হৈ পৰিছে। সেই কাৰণে মই ভাবো চৰকাৰৰ দৃষ্টিভংগী পৰিস্কাৰ নহয়। আনহাতেদি উপাধ্যক্ষ মহোদয়, মিউনিচিপেলিটিৰ ক্ষেত্ৰত. মিউনিচিপেলিটিৰ

ইলেকশ্যন আদি পাতিবলৈ এতিয়াও বাকী আছে। ভাৰতবৰ্ষৰ মিউনিচিপেল কৰ্পোৰেশ্যনৰ বাহিৰেও ইয়াৰ টকা পইচাৰ অৱস্থাতো কি বা কেনে ধৰনৰ আছে এইটো সম্পৰ্কে জনাব লাগে। এই ক্ষেত্ৰত চেণ্ট্ৰেল এক্টৰ ওপৰত চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ দৃষ্টিভংগী কি হব? সেই বিষয়ে ইয়াত কোনো স্পষ্ট ব্যাখ্যা দিয়া হোৱা নাই। ইয়াৰ লগত স্পষ্ট নীতি কি সেইটো আমি জানিব লাগে। কেন্দ্ৰীয় চৰকাৰলৈ ক্ষমতা কেন্দ্ৰীভূত কৰাটো আমি বিৰোধীতা কৰিছো। এই কাৰণেই বিৰোধিতা কৰিছো যদি ৰাজ্য চৰকাৰ শক্তিশালী নহয় কেন্দ্ৰৰ গাথনিয়ো শক্তিশালী হব নোৱাৰে।

অধ্যক্ষ মহোদয়, সেইকাৰণেই কেন্দ্ৰৰ হাতত প্ৰতিৰক্ষা বৈদেশিক নীতি, যোগাযোগ আৰু মুদ্ৰাকে ধৰি কেইটামান ক্ষমতা ৰাখি বাকীখিনি দিচেণ্ট্ৰেলাইজ কৰি ৰাজ্য বিলাকৰ হাতত দিব লাগে। ৰাজ্য বিলাকেও বিভিন্ন উন্নয়নৰ লক্ষ্য আগত ৰাখি পঞ্চায়ত ব্যৱস্থাৰে এই ক্ষমতা বিকেন্দ্ৰীকৃত কৰিব লাগে। সৰকাৰীয়া কমিচনৰ প্ৰতিবেদন মতে ৰাজ্য সমূহত অধিক ক্ষমতা প্ৰদান কৰিব লাগে। এই বিলৰ ব্যৱস্থা হাতত লওতে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য বিলাকক কৰি বিশ্বাসত লৈ এই আইন সংশোধনৰ ব্যৱস্থা হাতত লোৱা হলে বেছি উপকৃত হলহেতেন। এই সংশোধনীটোৰ ওপৰত এইখিনিকে বক্তব্য ৰাখি মোৰ বক্তব্য শেষ কৰিলো।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, সংবিধানৰ ৭২ আৰু ৭৩ সংশোধনীৰ সম্পৰ্কে যি প্ৰস্তাৱ উৎথাপন কৰা হৈছে সেই সন্দৰ্ভত কেইটামান বিষয় সম্পৰ্কে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মাননীয় সদস্য মহন্ত ডাঙৰীয়াই যি প্ৰশ্নৰ উল্লেখ কৰিছে আৰু কৈছে যে, সংবিধানত ৰাজ্য সমূহক অধিক ৰাজনৈতিক অধিকাৰ আৰু বিত্তীয় স্বায়ত্ব শাসন দিয়াৰ প্ৰশ্নটো ইয়াৰ লগতে উৎথাপিত হৈছে। আমিও ৰাজ্য সমূহক অধিক ৰাজনৈতিক, বিত্তীয় স্বায়ত্ব শাসন দিয়াৰ পক্ষপাতী আৰু সেইকাৰণেই যিসকলে সংবিধান তৈয়াৰ কৰিছিল .. · Framers of the constitution তেওঁলোকে ভাৰবৰ্ষখনক

দিফাইন কৰিছিল। ভাৰতবৰ্ষ এখন ইউনেটৰি ৰিপাব্লিক হিচাবে তেওঁলোকে ভবা নাছিল। সেইকাৰণে আজি ভাৰত চৰকাৰে এই কথা উপলব্ধি কৰি সাৰকাৰীয়া কমিচন গঠন কৰে। সেই কমিচনে যিবিলাক পৰামৰ্শ দিছিল, সেই পৰামৰ্শ বিলাক এতিয়ালৈকে কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত ভাৰত চৰকাৰে বিশেষ ব্যৱস্থা লব পৰা নাই। কিন্তু এইটো কথা আমি অনুভৱ কৰো যে সাৰকাৰীয়া কমিচনৰ পৰামৰ্শ ভাৰতবৰ্ষক এখন যুক্তৰাষ্ট্ৰীয় আৰ্হিৰে ৰাষ্ট্ৰ কৰাৰ কাৰণে যথেষ্ট নহয়। বিতং আলোচনা কৰিব লাগে। মই নিজেই আজি ভাৰতবৰ্ষৰ প্ৰায় সকলো পক্ষৰ পৰা এটা মত প্ৰকাশ হৈছে বিভিন্ন ৰাজ্যৰ পৰা আনকি যিবিলাক ৰাজ্য কংগ্ৰেছ দলে শাসন কৰিছে সেই দল বিলাকেও এই কথা উপলব্ধি কৰিছে। ৰাজ্য চৰকাৰক অধিক স্বায়ত্ব শাসন দিয়াৰ বাবে সংবিধান সংশোধন কৰা একান্ত প্ৰয়োজন। ৭২/৭৩ সংশোধনীত আমি যিটো উপলব্ধি কৰিছো যে, আমাৰ পঞ্চায়ত আৰু মিউনিচিপেলিটি বিলাকৰ ক্ষেত্ৰত এটা মদেল বা আহি গোটেই দেশখনতে কৰিবলৈ বিচৰা হৈছে। সেই ক্ষেত্ৰত ইয়াত বিশেষকৈ উল্লেখনীয় হৈছে। আমাৰ ৰাজ্য বিলাকত দেখা যায় অসমত যি পঞ্চায়ত নিৰ্ব্বাচন ১০/১২ বছৰ ধৰি নহয় আৰু চৰকাৰৰ যেনেকৈ পঞ্চায়ত বা মিউনিচিপেলিটি ভঙ্গ কৰাৰ অধিকাৰ আছে, কিন্তু কিমান দিনলৈকে নিৰ্ব্বাচন স্থগিত ৰাখিব পাৰিব সেই কথা চৰকাৰৰ ইচ্ছা অনিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। যেনে আজি গুৱাহাটীৰ কৰ্পোৰেচনত আজি কিমান বছৰ ধৰি নিৰ্বাচন হোৱা নাই। এতিয়া বোধকৰো ১৩ বছৰ হৈছে সেইকাৰণে এই কথা লিপিবদ্ধ কৰাৰ একান্ত প্ৰয়োজন হৈছে। প্ৰথমে পঞ্চায়তৰ ম্যাদ ৫ বছৰ কৰাতে সাংবিধানিক ব্যৱস্থা কৰিব লাগে। সেইটো ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰ কাৰণে উপযুক্ত হয়। আৰু যদি কেতিয়াবা যিকোনো এখন পঞ্চায়ত বা মিউনিচিপেলিটি ভঙ্গ কৰে তেতিয়া সংবিধানত এই ব্যৱস্থা কৰা হৈছে যে তেওঁলোকে নিৰ্বাচন কৰিবই লাগিব। সেয়েহে নিৰ্দ্ধাৰণ কৰি দিয়া নিতান্ত প্ৰয়োজন। যাতে ৰাজ্য চৰকাৰ বিলাকৰ ইচ্ছা

অনিচ্ছাৰ ওপৰত নিৰ্ব্বাচন কৰা নকৰা নিৰ্ভৰ নকৰে। সেই কাৰণে এই দফাটো থকাৰ কাৰণে আমাৰ যিবিলাক স্বায়ত্ব শাসন থকা প্ৰতিষ্ঠান, যিবিলাকৰ লগত প্ৰত্যোক্ষ ভাবে গাওঁ নগৰ জড়িত সেই বিলাকত গণতান্ত্ৰিক প্ৰক্ৰিয়া অব্যাহত ৰখাত এই সংবিধানে যথেষ্ট পৰিমাণে সহায় কৰিব। আৰু এটা প্ৰশ্ন আমাৰ ইয়াৰ লগত জড়িত আছে যে, প্ৰতিষ্ঠান সমূহে কিয় ভালকৈ কাম কৰিব নোৱাৰে ? তাৰ কাৰণ হল বিত্তীয় ব্যৱস্থা সম্পৰ্কে কোনো নিশ্চয়তা নাই। অনেক পৰিমাণে ৰাজ্য চৰকাৰ বিলাকক তেওঁলোকে কি হিচাবে মঞ্জুৰি দিয়ে সেইটোৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু এই সংবিধানত এইটো ব্যৱস্থা কৰা হৈছে যে, ৰাজ্যিক চৰকাৰ বিলাকে এই স্বায়ত্ব শাসিত প্ৰতিষ্ঠান বিলাকৰ বিত্তীয় ব্যৱস্থা নিৰ্দ্ধাৰণ কৰাৰ কাৰণে ফাইনেন্স কমিচন কৰাটো বাধ্যতামূলক কৰা হৈছে। যেনেকৈ ভাৰতবৰ্ষৰ কেন্দ্ৰ আৰু ৰাজ্য বিলাকতো বিত্তীয় ব্যৱস্থা বাধ্যতামূলক হব। সেই কাৰণেই এটা ফাইনেন্স কমিচন হব। এতিয়া ৰাজ্যত পঞ্চায়ত আৰু মিউনিচিপেলিটিত বিত্তীয় ব্যৱস্থা কেনেকৈ হব সেইটো এটা ফাইনেন্স কমিচন নিয়োগ কৰি দিয়াটো বাধ্যতা মূলক কৰা হৈছে। সেই ফাইনেন্স কমিচনে যিটো ৰায় দিব যিভাবে বিত্তীয় ব্যৱস্থা বিতৰণ কৰিব, সেইটো চৰকাৰ বিলাকৰ কাৰণে ব্যধ্যতামুলক হব। স্বাভাৱিকতে এই ক্ষেত্ৰত বিভিন্ন ৰাজ্যৰ বিত্তীয় ব্যৱস্থা বেলেগ বেলেগ হব পাৰে। প্ৰত্যেক ৰাজ্য চৰকাৰে ফাইনেন্স কমিচন নিয়োগ কৰিব লাগিব। আৰু এটা কথা হৈছে সেইটো নিৰ্বাচন পৰিচালনা কৰাৰ ক্ষেত্ৰত। এতিয়া আমি পঞ্চায়ত বা মিউনিসিপেলিটি এই বিলাকৰ নিৰ্বাচনৰ ক্ষেত্ৰত অনেক বিলাক আসোৱাহ দেখিবলৈ পাও। সমষ্টি বিলাকৰ নিৰ্বাচনৰ ক্ষেত্ৰত তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত নিৰ্বাচন পৰিচালনা কৰাৰ ক্ষেত্ৰত এতিয়া যিহেতুকে পৰোক্ষভাবে চৰকাৰৰ দ্বাৰা নিৰ্বাচন বিলাক পৰিচালনা কৰা হয় তাৰ বাবেই এই সংশোধনীৰ ব্যৱস্থা কৰা হৈছে। এই নিৰ্বাচন বিলাক পৰিচালনা কৰাৰ কাৰণে এটা বেলেগ ষ্টেট ইলেকচন কমিচন গঠন কৰা হব। বাকী

ইলেকচন কমিচনে সাধাৰণ নিৰ্বাচন পৰিচালনা কৰিব। পঞ্চায়ত, মিউনিচিপেলিটি নিৰ্বাচন পৰিচালনা কৰাৰ কাৰণে বেলেগ নিৰ্বাচনী আয়োগ তেওঁলোকে গঠন কৰিব যিটোৰ হাতত নিৰ্বাচনৰ সম্পূৰ্ণ দায়িত্ব অৰ্পন কৰা হব। স্বাভাৱিকতে নিৰ্ব্বাচনৰ কাম কি হিচাবে হয় সেইটোৰ ওপৰত নিৰ্ভৰ কৰিব। এতিয়া ইলেকচন কমিচন কেনেকৈ হব সেই কথা ইয়াত স্পষ্ট নাই। চেণ্ট্ৰেল ইলেকচন কমিচনৰ সংবিধানত ব্যৱস্থা আছে। মেম্বাৰ কোন হব চিফ ইলেকচন কমিচনাৰৰ ভৰ্তা কি হব তেওঁক কোনে অপসাৰণ কৰিব পাৰিব ইত্যাদি। আগতে আমাৰ ইলেকচন কমিচনত এজন সদস্য আছিল, এতিয়া ৩ জন হল। গতিকে সংবিধান সংশোধন কৰি ষ্টেট ইলেকচন কমিচনৰ কথা কোৱা হৈছে। State Election commission consisting of State Election commissioner to be appointed by the Governor.

স্বাভাৱিকতে ইলেকচন কমিচনাৰ এজনকৈ বেছি হৈছে। আমি অনুভৱ কৰিছিলো যে এজনতকৈ অধিক ইলেকচন কমিচনাৰ হোৱা দৰকাৰ। সেই কাৰণে সংশোধনীত তিনিজনৰ ব্যৱস্থা কৰা হৈছিল। ৰাজ্য বিলাকত পঞ্চায়ত আৰু নগৰ পালিকাৰ নিৰ্বাচনৰ কাৰণে ইলেকচন কমিচন গঠন হব। তাত এজন ইলেকচন কমিচনাৰৰ সংখ্যা নিৰ্দ্ধাৰণ নকৰি এজনতকৈ অধিক ৰখাৰ প্ৰক্ৰিয়াটো নিতান্তই ভাল হব যাতে ক্ষমতাৰ অপব্যৱহাৰ কৰিব নোৱাৰে। যোৱাবাৰ পঞ্চায়ত আইন সংশোধন যেতিয়া হয়, তেতিয়া আমি সেই সংশোধনীত কৈছিলো। আমি সদনত সেই আইনৰ সংশোধনীৰ বিৰোধিতা কৰা স্বত্বেও সেই আইনখনৰ জৰিয়তে সকলো বিলাক ক্ষমতা চৰকাৰৰ হাতলৈ লৈ যোৱা হৈছে। পঞ্চায়ত ডিৰেক্টৰৰ যি বিলাক ক্ষমতা আছিল সেই বিলাক চৰকাৰৰ হাতলৈ হস্তান্তৰ কৰা হৈছে। কৰ্ম্মচাৰী নিয়োগ, পঞ্চায়তৰ বস্তু কিনা গাওঁ পঞ্চায়তৰ চাইনবোৰ্ড বনোৱা বাকচ কিনা ফাইল কিনা গোটেই বিলাক ক্ষমতা চৰকাৰৰ হাতত কেন্দ্ৰীভুত

কৰা হৈছিল। সেইদিনা উল্লেখ কৰিছিলো পাৰ্লিয়ামেণ্টত তাৰ আগদিনা সংবিধান সংশোধনী পাচ কৰিছে আৰু তেতিয়া মই কৈছিলো এই সদনত যিখন গৃহীত হবলৈ গৈছে এইখন হল সংবিধান সংশোধনীৰ পৰিপন্থী। তেতিয়া অৱশ্যে শাসক দলৰ সদস্য সকলে মানি লোৱা নাছিল। যিকোনো কাৰনত নহওক অপকৰ্মবিলাক ৰেগুলেৰাইজ কৰাৰ কাৰণে সংশোধন কৰিছিল। অৱশ্যে ভাল পাইছো সেই সংশোধনী কাৰ্যকৰী কৰা নাই। কিন্তু আজি এই সংশোধনী আমি অনুমোদন কৰাৰ লগে লগে স্বাভাৱিকতে যোৱা সদনত যিটো সংশোধন কৰিছিল, সেইটো নিতান্তই নাকচ হোৱা উচিত। কিন্তু নাকচ নিজে নিজে নহব, সেই এক্টখন নলিফাই কৰিব লাগিব। সেই পঞ্চায়ত আইনৰ ব্যৱস্থা সংশোধন কৰিব লাগিব। কাৰণ তিনিখন জিলা পৰিষদ, মহকুমা পৰিষদ নহয়। গাওঁ পঞ্চায়ত, ব্লক আৰু মহকুমা পৰিষদ। এখন জিলাত ২-৩ খন মহকুমা পৰিষদ আছে। এনেকুৱা মহকুমা পৰিষদ হৈছে যত আঞ্চলিক পঞ্চায়তৰ এজন বা দুজন সদস্য। মহকুমা পৰিষদৰ সদস্য হৈছে আঞ্চলিক পঞ্চায়তৰ সভাপতি সকল। এতিয়া বহু ঠাইত মহকুমা পৰিষদৰ সভাপতি নিৰ্ব্বাচিত কৰিবলৈ মানুহ নাই। দুজন সভাপতি, প্ৰস্তা-ৱকো নাই আৰু সমৰ্থকো নাই যাৰ কাৰণে চৰকাৰে আইন সংশোধন কৰি কাউন্সিলাৰ সকলক মহকুমা পৰিষদৰ মেম্বাৰ হব বুলি কব লাগিব। আগতে মহকুমা পৰিষদ গঠন কৰাৰ সময়ত চিলেক্ট কমিটিত মই আছিলো। সেই সময়ত বৰ্তমানৰ জিলা বিলাক মহকুমা আছিল। বৰ্তমান যিটো ডিষ্ট্ৰিক্ট নমে-নক্লেচাৰ সেইটো মহকুমা আছিল। সেই কাৰণে কৰা হৈছিল। মহকুমা পৰিষদ থকা কালত এটা জিলাত মহকুমা তিনিটা আছিল। মহকুমা পৰিষদৰ বৰ্তমান অৱস্থাত সকলোৱে বিশেষ ভাৱে অনুভৱ কৰিছে যে সেইটো কাৰ্য্যকৰী নহয়। সেই কাৰণে জিলা পৰিষদ হোৱাটো নিতান্তই প্ৰয়োজন। এই সংশোধনী গ্ৰহণ কৰাৰ পিচত এই পঞ্চায়ত আইনখনৰ সংশোধন একান্ত প্ৰয়োজন হৈ পৰিব। মই আশা ৰাখিছো এই যিটো ট্ৰেনজিচন পিৰিয়দ, এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ পিচত তাৰ বাবে চৰকাৰে

খৰতকীয়া ভাবে ব্যৱস্থা লব লাগে। এতিয়া নিৰ্বাচন কৰাটো যে সম্ভৱ হব, সেইটো কোৱা টান। জিলা পৰিষদৰ কাৰণে সমষ্টি ডিমাৰ্কেট কৰিব লাগিব, আইন কৰিব লাগিব। ট্ৰেনজিচন পিৰিয়দত কোনে কাম কৰিব। বৰ্তমান জিলা পৰিষদ নাই। জিলা পৰিষদ কৰিব লাগিব। জিলাৰ কাৰণে মেকানিজিম কৰিব লাগিব যাতে ফাংচন কৰিব পাৰে। এই কথাটো বিবেচনা কৰি চাই জিলা পৰিষদৰ সমষ্টি ডিমাৰকেট কৰিব লাগিব। এই সংশোধনী গ্ৰহণ হোৱাৰ পিছত জিলা পৰিষদৰ মেকানিজিম কৰিব লাগিব। কাৰণ মহকুমা পৰিষদ নাথাকিব আৰু জিলা পৰিষদ হৈ যাব। বৰ্ত্তমান আমাৰ জিলা পৰিষদ নাই। সেই কথাটো চৰকাৰে বিবেচনা কৰে যেন। মই ভাৱো আমাৰ পঞ্চায়ত, নগৰ পালিকাত যথা সম্ভৱ ক্ষমতা বিকেন্দ্ৰীকৰণ কৰা প্ৰয়োজন। একাদশ অনুসূচীত ২৯ বিভাগ পঞ্চায়তলৈ হস্তান্তৰিত হব। আমাৰ পঞ্চায়ত আইনত বহু কথা আছিল। ইয়াত কোৱা হৈছিল যে চেকেণ্ডাৰী এডুকেশ্যন পঞ্চায়তলৈ হস্তান্তৰ হব পাৰে, কোনো দিনে হস্তান্তৰ হোৱা নাই। গড়কাপ্তানী পথ বিলাক পঞ্চায়তলৈ হস্তান্তৰ হব পাৰে। কাৰ্য্যক্ষেত্ৰত দেখা যায় স্বায়ত্ব শাসন হোৱা নাই। এতিয়া এই আইন হোৱাৰ পিচত অসমত পঞ্চায়তৰ যি নিৰ্ব্বাচন হৈ গল, দুখ লাগে কাউন্সিলাৰ সকলৰ কি দুৰৱস্থা। বহুতে ইমান আশা ভাৰসাত ভোট দিলে, কাম কৰিবলৈ একো নাই। ডি আৰ ডিএ ফাণ্ডৰ কাম কৰি আছে। পঞ্চা-য়তৰ নিজস্ব কোনো ফাণ্ড নাই। আইনৰ ১১ অনুসূচীত ২৯ টা বিষয় হস্তান্তৰ কৰাৰ যি ব্যৱস্থা আছে, সেইটো আইনত থকাটোৱেই যথেষ্ট নহয়, প্ৰকৃততে যাতে সেইটো হস্তান্তৰ হয়। তেতিয়া হলে ক্ষমতা বিকেন্দ্ৰীকৰণত স্বায়ত্ব শাসনৰ প্ৰতিষ্ঠানবোৰে ভাল কাম কৰিব পাৰিব। এই প্ৰতিষ্ঠান বিলাক প্ৰত্যক্ষ ভাবে ৰাইজৰ লগত জড়িত। সেই ফালৰ পৰা মই ভাবো এই সংশোধনী গ্ৰহণ কৰাৰ লগে লগে পঞ্চায়ত আৰু নগৰ পালিকা আইন এই দুইখন আইনৰ একান্ত সংশোধনীৰ প্ৰয়োজন হব। সেই ব্যৱস্থা চৰকাৰে ততালিকে কৰিব, তাৰ আশা ৰাখি এই সংশোধনীৰ প্ৰতি সমৰ্থন জনালো।

✶ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, এই সংশোধনীৰ জৰিয়তে পঞ্চায়ত নিৰ্ব্বাচনৰ সংশোধনী বিচৰা হৈছে। পঞ্চায়ত আৰু নগৰ পাল্লিকা সমূহে নিৰ্বাচন পতাটো বাধ্যতামূলক কৰিব বিচৰা হৈছে। সেই নিৰ্বাচন কোনো কাৰণত যদি কোনোবাই দিজলভ কৰাৰ পিছত ছয় মাহৰ বেছি নাযায় সেই সুবিধা দিয়া হৈছে। জৰুৰী কাৰণত ক্ষমতা বিকেন্দ্ৰীকৰণ কৰি সংবিধানৰ ৩৫৬ অনুচ্ছেদৰ অধীনত ৰাজ্য চৰকাৰ ভঙ্গ কৰাৰ পিছত ছয় মাহৰ কাৰণে সময় দি বিভিন্ন সময়ত সংশোধন ঘটাই সময় বৃদ্ধি কৰা হৈছে। ঠিক তেনেকৈ পঞ্চায়ত আৰু নগৰ পালিকা সমূহ ভঙ্গ কৰাৰ প্ৰভিচ ৰাখিছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰ সমুহ ৩৫৬ অনুচ্ছেদত ভঙ্গ কৰিব পাৰে আৰু বহু দিন ৰাষ্ট্ৰপতিৰ শাসন চলাই যাব পাৰে। ৰাজ্য চৰকাৰক তেনে ধৰণৰ সুবিধা এই সংশোধনীত দিয়া হোৱা নাই, সেইটো শুভ লক্ষণ। এই এক্ট চুখন যদি মিলাই চোৱা যায় তেতিয়া হলে ২৪৩ ( ই () প্ৰভিচত দিছে— "Under amendment clause 243 U every Municipality, unless sooner dissolves under any how for the time being inforce, shall continue for 5 years from the date appointed for its first meeting and no lonser provided that a Municipality shall be given a resonable opportunity of being heard before his dissolution: আৰু এটা কথা কব বিচাৰিছো আজি শাসক দল কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ একে দলৰে কিন্তু ক'ৰবাত যদি ইয়াৰ ব্যতিক্ৰম হয় তেতিয়া যদি কেন্দ্ৰই গনতান্ত্ৰিক মুল্যবোধক শ্ৰদ্ধা নজনায় প্ৰকৃততে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হব নোৱাৰে। আমি দেখিছো কিছুদিন আগতে মহাৰাষ্ট্ৰত দলপতি বদলাবলগীয়া হল। ক্ষমতাৰ বিকেন্দ্ৰীকৰণ প্ৰক্ৰিয়ামতে এই বিষয়টো ৰাজ্যৰ বিধান পৰিষদলৈ এৰি দিব লাগিছিল কিন্তু আমি কি দেখিছো কেন্দ্ৰই সেই নেতৃত্ব জাপি দিছে। গনতান্ত্ৰিক প্ৰক্ৰিয়াৰে গাওঁ পঞ্চায়ত বা পৌৰ সভালৈ কোনোবা এজন সদস্য নিৰ্ব্বাচিত হব কিন্তু ৰাজ্য চৰকাৰে ওপৰৰ পৰা তেওঁলোকক

কিবা এটা কৰিবলৈ জাপি দিলে বিকেন্দ্ৰীকৰন সম্ভৱপৰ হব জানো কেন্দ্ৰৰ মতে কেন্দ্ৰ সদায়ে শক্তিশালী হৈ থাকিব লাগে আৰু ৰাজ্য চৰকাৰ দুৰ্বল হলে মেনেজমেণ্ট কৰা সম্ভৱপৰ বুলি কয়। কিন্তু কেন্দ্ৰ যদি সদায় শক্তিশালী আৰু ৰাজ্য যদি সদায় দুৰ্ব্বল হৈয়ে থাকে কেনেকৈ হব। ৰাজ্য চৰকাৰ শক্তিশালী হৈ থাকিলে পঞ্চায়ত পৌৰ প্ৰশাসন দুৰ্বল হৈ থাকিলে কাম কেনেকৈ কৰিব ? তেতিয়া পঞ্চায়ত, মিউনিচিপেলিটি স্বাধীনভাবে কাম কৰিব নোৱাৰিব আৰু তেতিয়া ৰাইজে সুবিধা পোৱা সম্ভৱপৰ নহব। বৃত্ত মন্ত্ৰালয়ে পঞ্চায়ত সমূহক অৰ্থ মঞ্জুৰী দিবলৈ কয়। কিন্তু ৰাজ্য সমূহৰ ৰিচোৰ্চ মোবিলাইজেচনৰ সুবিধা নাথাকিলে ৰাজ্য চৰকাৰে ক'ৰ পৰা ধন দিব ফলত ৰাজ্য চৰকাৰ সমূহ দুৰ্বল হৈ পৰিব। এতিয়া বিষয়টো ৰাজ্য চৰকাৰৰ ওপৰত এৰি দিলে সমস্যা হব। শেহতীয়া পঞ্চায়ত আইনমতে তিনিখলপীয়া পঞ্চায়ত ব্যৱস্থা কৰা হৈছে। যদিও পঞ্চায়ত সমুহৰ হাতত ক্ষমতা তুলি দিয়া হৈছে যেতিয়ালৈকে ৰাজ্য চৰকাৰৰ মনোভাৱৰ পৰিবৰ্ত্তন নহয় তেতিয়ালৈকে সংবিধান সংশোধন কৰিলেও ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰিব নোৱাৰে।

এইখিনিকে কৈ পঞ্চায়ত সমূহক ৰাজ্য চৰকাৰে অধিক ক্ষমতা প্ৰদান কৰিলে ৰাইজৰ উপকাৰ হব আৰু সেইখিনি কৰিব বুলি আশা কৰি বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰীভূপেন চন্দ্ৰ ৰায় : অধ্যক্ষ মহোদয়, এই যিখন বিলৰ সংশোধনী আনিছে তাত মোৰ বিশেষ কবলগীয়া নাই। এটা কথা কবলগীয়া হৈছো আমাৰ যিবিলাক পঞ্চায়ত আৰু মহকুমা পৰিষদ গঠন কৰা হৈছে এই মহকুমা পৰিষদ সমূহৰ কৰিবলগীয়া একো নাই। আগৰ যিবিলাক মহকুমা পৰিষদ আছিল সেইবিলাক শক্তিশালী আছিল। এতিয়া গাওঁ পঞ্চায়ত আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদ তিনিখলপীয়া পঞ্চায়ত হ'ল। আঞ্চলিক পঞ্চায়ত সমূহৰ ওপৰত ক্ষমতা ন্যস্ত কৰা নহলে মহকুমা পৰিষদৰ ক্ষমতা

নাইকীয়া হব। এই ৭২/৭৩ তম সংশোধনীব যোগেদি পঞ্চায়ত সমূহক ক্ষমতা দিব বিচৰা হৈছে। এটা কথা আমাৰ মাননীয় সদস্য শ্ৰী মহন্ত ডাঙৰীয়াই কৈছিল যে এই নিকায় সমূহলৈ কেন্দ্ৰীয় চৰকাৰে আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা থাকিবনে? লগতে নগৰ পালিকা সমূহৰ যি আয় সেই আয়ৰ যোগে তেওঁলোকে নিজে চলাৰ সুযোগ নাপায়। এই সৰু সৰু নগৰ সমূহত কেন্দ্ৰীয় চৰকাৰৰ যিবিলাক ঘৰ বা গাড়ী ইত্যাদি আছে তাৰ কাৰণে তেওঁলোকে কৰ নাপায়। বঙাইগাওঁ নগৰৰ অধীনত যিবিলাক ৰেলৰ ঘৰ আছে তেওঁলোকে টেক্স আদায় নিদিয়ে। বঙাইগাওঁত বি, আৰ, পি. এল, এল, পি, জি প্ৰজেক্ট আদিৰ বহুত গাড়ী, ঘোৰা ঘৰ দুৱাৰ আছে সেই বিলাকে আমাৰ ৰাষ্টা ঘাটেৰে অহা যোৱা কৰে কিন্তু তেওঁলোকে কৰ নিদিয়ে। বঙাইগাওঁৰ নিচিনা গুৱাহাটীতো তেনেকুৱা ঘৰ-বাৰী আছে এই সংশোধনীৰ যোগেদি যাতে সেইবিলাকৰ পৰা টেক্স আদায় কৰিব পাৰি সেইখিনিৰ কাৰণে চেষ্টা কৰিবলৈ অনুৰোধ জনায় মোৰ চমু বক্তৃতাৰ সামৰণি মাৰিলো।

